● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



আপোনাৰ জীৱিকাই যাতে আপোনাৰ জীৱনক বাধা দিব নোৱাৰে, তালৈ লক্ষ্য ৰাখিব।

জন উডেন
*মাৰ্কিন বাস্কেটবল প্ৰশিক্ষক*

www.dainikagradoot.in

৭ ২০২৪ৰ পূৰ্বে ভাৰতৰ ৰাজপথ আমেৰিকাৰ দৰে হ'ব
১৫ জুডোত ভাৰতক তৃতীয়টো পদক দিলে তুলিকাই
৪ ইংৰাজীত পাঠদানক লৈ বিতৰ্ক ঃ নতুন শিক্ষানীতিৰ টোগলকী কাণ্ড বন্ধ হওক

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৯৫তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৮ শাওণ ১৪২৯ ভাস্কৰাব্দ ৪ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 4 August 2022 মূল্য ঃ ৯.০০ টকা

■ পানী নসৰকা সুৰক্ষা বেহুলৈ ৰাজ্যিক সচিবালয় ■ ভিতৰ-বাহিৰৰ প্ৰতিটো চুক-কোণ সামৰি সংস্থাপন চাৰে তিনিশ অত্যাধুনিক ক্লজড চাৰ্কিট কেমেৰা সংস্থাপন ■ কাইলৈ উদ্বোধন মুখ্যমন্ত্ৰীৰ

# জনতা ভৱনত ১১ কোটিৰ চিচি কেমেৰা


■ প্ৰৱেশ-প্ৰস্থানৰ পথত কোনো লোক সাৰি যাব নোৱাৰাকৈ সৰ্বোচ্চ সতৰ্কতা অৱলম্বন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ আগষ্ট ঃ** পানী নসৰকা নিৰাপত্তা বেহুত সোমাল জনতা ভৱন। সাধাৰণ জনতাৰ স্বাৰ্থ ৰক্ষাৰ উদ্দেশ্যে মন্ত্ৰী-আমোলা বহে ৰাজ্যিক সচিবালয়ত। সেইবাবে শ্বিলঙৰ পৰা গুৱাহাটীলৈ ৰাজধানী স্থানান্তৰৰ পাছত তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত শৰৎ চন্দ্ৰ সিংহই ৰাজ্যিক সচিবালয়ৰ নাম ৰাখিছিল জনতা ভৱন। পৰৱৰ্তী সময়ত সেই নাম সলনি কৰি অসম সচিবালয় কৰা হয়। সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰিত্বৰ কালত অসম সচিবালয়ৰ নাম পুনৰ জনতা ভৱনলৈ পৰিৱৰ্তন কৰা হয়। সেই জনতা ভৱনতে কটকটীয়া কৰি তোলা হৈছে সুৰক্ষা ব্যৱস্থা। ইয়াৰ বাবে কমেও ১১ কোটি টকা ব্যয় কৰা হৈছে। অহা পাঁচ আগষ্টত নতুন সুৰক্ষা ব্যৱস্থা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰাৰ কথা। সুৰক্ষা ব্যৱস্থাৰ মূল হিচাপে জনতা ভৱনৰ চৌদিশে সংস্থাপন কৰা হৈছে অত্যাধুনিক প্ৰযুক্তিৰ ক্লজড চাৰ্কিট (চিচি) কেমেৰা। জনতা ভৱনৰ চৌহদত থকা প্ৰতিটো ব্লকৰ প্ৰত্যেকটো চুক-কোণ সামৰি লৈ স্থাপন কৰা হৈছে কেমেৰাসমূহ। একেদৰে ব্লকৰ বাহিৰ অংশৰ লগতে সমগ্ৰ চৌহদতো এনে কেমেৰা সংস্থাপন কৰা হৈছে।

ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগ এই সমগ্ৰ বিষয়টোৰ দায়িত্বত আছে। বিভাগৰ সূত্ৰই সদৰী কৰা অনুসৰি, জনতা ভৱনত সাতটা ব্লক আছে। এই আটাইকেইটা ব্লকৰ কোনো এটা চুক-কোণ, কৰিড'ৰেই যাতে নতুন নিৰাপত্তা ব্যৱস্থাত চিচি কেমেৰাৰ পৰিসৰৰ বাহিৰত নাথাকে সেই ক্ষেত্ৰত সৰ্বোচ্চ সতৰ্কতা অৱলম্বন কৰা হৈছে। ১০ পৃষ্ঠাত চাওক

## নৱগ্ৰহত শেষকৃত্য

# মুক্তিযোদ্ধা সাহিত্যিক যতীন গোস্বামীৰ দেহাৱসান



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ অমৃত মহোৎসৱৰ উদ্‌যাপনৰ ক্ষণ গণনা আৰম্ভ হোৱাৰ সময়তে আজি ইহলীলা সম্বৰণ কৰিলে মুক্তিযোদ্ধা তথা বিশিষ্ট সাহিত্যিক যতীন গোস্বামীয়ে। বিগত বহুদিন ধৰি বাৰ্ধক্যজনিত ১০ পৃষ্ঠাত চাওক

# সন্দেহযুক্ত জেহাদীৰ আত্মসমৰ্পণ বৰপেটাত

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৩ আগষ্ট ঃ** জেহাদীৰ লগত সম্পৰ্ক থকা বুলি অভিযুক্ত আবু বক্কৰ ছিদ্দিকে যোৱা নিশা বৰপেটা সদৰ আৰক্ষী থানাত আত্মসমৰ্পণ কৰে। ছিদ্দিকৰ ঘৰ বৰপেটা জিলাৰ হাউলীৰ সমীপৰ যশিহাটীপাৰা ১০ পৃষ্ঠাত চাওক

# বিদ্যালয়ত শিক্ষাৰ গুণগত মান নিশ্চিত কৰাৰ দাবীৰে প্ৰতিবাদত বহিল বিধায়ক




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ আগষ্ট ঃ** চৰকাৰী বিদ্যালয়ত শিক্ষাৰ গুণগত মান নিশ্চিত কৰা, গণিত আৰু বিজ্ঞান বিষয়ত দ্বি-ভাষী পাঠ্যক্ৰম প্ৰস্তুত কৰা, মাতৃভাষাত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ৰ ৪.১৪ আৰু ১.১১ নিৰ্দেশনা বাহাল ৰখা, বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ বন্ধৰ সিদ্ধান্ত বাতিলকৈ ধৰি কে'বাটাও দাবীৰে ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৫° |
| ডিব্ৰুগড় | ৩১° | ২৬° |
| দিল্লী | ৩৪° | ২৭° |
| কলকাতা | ৩০° | ২৭° |
| মুম্বাই | ৩০° | ২৭° |
| চেন্নাই | ৩১° | ২৬° |
| বাংগালুৰু | ২৬° | ২০° |
| শ্বিলং | ২৪° | ১৮° |

*৩ আগষ্ট, ২০২২*

## চেঙা তেল



*চাওক, আমাৰ শাসনত হাড়ে-ছালে লগাজনকো কেনেদৰে নোদোকা কৰি তুলিলো!*





*উৎকোচ লৈ হাতে-লোটে ধৰা পৰিল মণ্ডল আৰু ৰেঞ্জাৰ, বুধবাৰে।*

■ উৎকৃষ্ট সেৱাৰ বঁটা প্ৰদানৰ যো-জাৰ সময়তে চৰকাৰী কৰ্মচাৰীৰ নিৰ্লজ্জ স্বৰূপ ■ উৎকোচ লওঁতে হাতে-লোটে আৰক্ষীৰ জালত

# পলায়ন কৰিও উৎকোচৰ ধনসহ ধৰা পৰিল ৰেঞ্জাৰ, সাৰি নগ'ল মণ্ডলো

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী/শিলচৰ, ৩ আগষ্ট ঃ** ৰাজ্যত আজি এজন মণ্ডল তথা ৰেঞ্জাৰসহ দুজনকৈ চৰকাৰী বিষয়া-কৰ্মচাৰী দুৰ্নীতিৰ গোচৰত আৰক্ষীৰ জালত পৰে। উৎকোচ গ্ৰহণৰ অভিযোগত কাছাৰ বন সংমণ্ডলৰ লক্ষীপুৰৰ জিৰিঘাট ফৰেষ্ট ৰেঞ্জ বিষয়া দেৱব্ৰত গগৈক তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ দলে খেদি খেদি গ্ৰেপ্তাৰ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। আজি দিনৰ ভাগত তেওঁৰ কাৰ্যালয়তে বহি ১৫ হেজাৰ টকা উৎকোচ লোৱাৰ সময়তে হাতে-লোটে ধৰা পৰে। গগৈয়ে কাৰ্যালয়তে বহি দাবী কৰা এক লাখ টকাৰ পৰা দৰদাম কৰি অৱশেষত ১৫ হেজাৰ টকাত মান্তি হৈছিল আৰু এই ধন লোৱাৰ সময়তে উপস্থিত হয় দুৰ্নীতি নিবাৰক শাখাৰ দলটো। আৰক্ষীৰ দলটোক দেখি বিষয়াজনে কাৰ্যালয়ৰ বাহিৰলৈ লৰ মাৰে। গ্ৰেপ্তাৰৰ ভয়ত ৰেঞ্জাৰজনে উৎকোচৰ ধনসহ ১০ পৃষ্ঠাত চাওক

■ জেৰাৰ পাছতে ছোনিয়া গান্ধীৰ ঘৰৰ বাহিৰতো আৰক্ষীৰ গিজগিজনি ■ কংগ্ৰেছ মুখ্য কাৰ্যালয়লৈ যোৱাৰ পথছোৱাত বেৰিকেড বান্ধিলে আৰক্ষীয়ে ■ তীব্ৰ প্ৰতিক্ৰিয়া কংগ্ৰেছৰ

# 'নেছনেল হেৰল্ড'ৰ কাৰ্যালয় ছীল ই ডিৰ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩ আগষ্ট ঃ** ক্ৰমাৎ নাটকীয় তথা জটিল ৰূপ লৈছে কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীৰ নাম জড়িত হৈ পৰা 'নেচনেল হেৰল্ড' বাতৰি কাকত গোচৰ। দিল্লীত এই গোচৰৰ স'তে সম্পৰ্কিত ইয়ং ইণ্ডিয়ানৰ কাৰ্যালয় আজি ছীল কৰি দিয়ে দেশৰ প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)-এ। তদুপৰি ছোনিয়া গান্ধীৰ বাসভৱনৰ বাহিৰতো বৃহৎসংখ্যক আৰক্ষী নিয়োগ কৰাক লৈ চাঞ্চল্যৰ সৃষ্টি হয়। কালি আৰু আজি এই কাৰ্যালয়ত ইয়ং ইণ্ডিয়ানৰ পক্ষৰ পৰা কোনো উপস্থিত নথকাত তালাচী অভিযান চলাব নোৱৰা হেতুকে কাৰ্যালয়টো অস্থায়ীভাৱে ছীল কৰা হৈছে বুলি ইডিয়ে জাননী জাৰি কৰে। ইয়ং ইণ্ডিয়ানৰ প্ৰধান বিষয়া তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেক তালাচীৰ সময়ত ১০ পৃষ্ঠাত চাওক





ঝাৰখণ্ডত চৰকাৰ ভাঙিবলৈ বিধায়ক ক্ৰয়ৰ অভিযোগৰ তদন্ত ঃ পশ্চিমবংগৰ চিআইডিক দিল্লী আৰক্ষীৰ বাধাদানত তীব্ৰ প্ৰতিক্ৰিয়া

# গুৱাহাটী বিমানকোঠতো ভিজুৱেল চাবলৈ আহি অথন্তৰৰ সন্মুখীন

**ষ্টাফ ৰিপ'ৰ্টাৰ/নিউজ ব্যুৰ'**
**গুৱাহাটী/কলকাতা/নতুন দিল্লী, ৩ আগষ্ট ঃ** কলকাতাত গ্ৰেপ্তাৰ হোৱা ঝাৰখণ্ডৰ তিনি কংগ্ৰেছী বিধায়কৰ পৰা উদ্ধাৰ কৰা নগদ ধনৰ উৎস বিচাৰি আজি একে সময়তে দিল্লী আৰু গুৱাহাটীত অভিযানৰ বাবে উপস্থিত হোৱা পশ্চিমবংগ আৰক্ষীৰ চিআইডিৰ দল সন্মুখীন হ'ল অথন্তৰৰ। নতুন দিল্লীৰ ছাউথ কেম্পাছ থানা অঞ্চলত থকা সিদ্ধাৰ্থ মজুমদাৰ নামৰ এজন ব্যৱসায়ীৰ ঘৰত তালাচী চলাবলৈ যাওঁতে পশ্চিমবংগৰ ১০ পৃষ্ঠাত চাওক



# দিন হাজিৰা কৰা তিনিজনক মহটিয়াই নিলে দ্ৰুতবেগী বাহনে, থিতাতে প্ৰাণ হেৰুৱালে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**ডিব্ৰুগড়, ৩ আগষ্ট ঃ** আজি ডিব্ৰুগড়ত এখন বিলাসী চাৰিচকীয়া বাহনে মহটিয়াই নিয়াত তিনিজন দিন হাজিৰা কৰা লোকৰ থিতাতে মৃত্যু হয়। নতুন আলিত সংঘটিত এই দুৰ্ঘটনাত নিহত লোককেইজন হ'ল নিৰ্মল দাস, বিক্ৰম মাহিলি ১০ পৃষ্ঠাত চাওক

■ স্বাধীনতা দিৱসৰ কাৰ্যসূচী ৰূপায়ণত নিৰাপত্তা সুনিশ্চিত কৰিবলৈ নিৰাপত্তা বাহিনীক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ ■ আলফাৰ ওপৰত দৃষ্টি

# আন্তঃৰাজ্যিক সীমান্তৰ নিৰাপত্তাক লৈ উদ্বিগ্ন দিছপুৰত গুৰুত্বপূৰ্ণ বৈঠক



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ আগষ্ট ঃ** আগন্তুক স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত আজি দিছপুৰত নিৰাপত্তা সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। গৃহ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত এইবাৰৰ বিশেষ স্বাধীনতা দিৱস সফলতাৰে উদ্‌যাপনত গুৰুত্ব দিয়া হয়। তাৰ বাবে অসম আৰক্ষীৰ লগতে ৰাজ্যত ১০ পৃষ্ঠাত চাওক

■ বিদেশী সমস্যা সমাধান, 'কা' বাতিলৰ দাবীত ১৭ আগষ্টত নেছ'ৰ প্ৰতিবাদী কাৰ্যসূচী

# উত্তৰ-পূৰ্ব সম্পৰ্কে মানসিকতা সলনি কৰক



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ আগষ্ট ঃ** 'ছেভ নৰ্থ ইষ্ট টুডে, টু ছেভ দ্য কাউন্ট্ৰী টুমৰো' (কাইলৈ দেশ ৰক্ষা কৰিবলৈ আজি উত্তৰ-পূবক ৰক্ষা কৰক)— অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিদেশী সমস্যা, মৌলবাদীৰ উত্থানকে ধৰি নানান সমস্যাৰাজি সমাধানৰ বাবে প্ৰতিবাদৰ এই নতুন শ্ল'গান ঘোষণা কৰিলে উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সংস্থা (নেছ')ই। আজি ইয়াত অনুষ্ঠিত নেছ'ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যৰে ছাত্ৰ সংগঠনসমূহৰ নেতৃত্বই অঞ্চলটোৰ বিদেশী সমস্যা সমাধান, সংশোধিত নাগৰিকত্ব আইন ('কা') বাতিলৰ দাবীত অহা ১৭ আগষ্টত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ ১০ পৃষ্ঠাত চাওক

# মহানগৰীৰ নলাত পেলাই থোৱা বস্তাত দুই সন্তানৰ মাতৃৰ মৃতদেহ

## সুৰাসক্ত পলাতক স্বামীলৈ সন্দেহৰ আঙুলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ আগষ্ট ঃ** পেটৰ তাড়নাত মহানগৰীৰ বাটে-পথে বটল বুটলি ফুৰা এজন কিশোৰে আজি পুৱাই নলাত পৰি থকা এটা বস্তা প্ৰত্যক্ষ কৰি বস্তাটো খুলি দিওঁতেই এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। মহানগৰীৰ চান্দমাৰি আৰক্ষী থানাৰ অন্তৰ্গত বামুণীমৈদামৰ ১০ পৃষ্ঠাত চাওক

ধৰ্ষণ-হত্যাত জড়িতৰ অভিযোগত গ্ৰেপ্তাৰ তিনিজনক ঃ বুজ ল'লে উপ-মহাপৰিদৰ্শকে

# লামডিঙত কিশোৰীক হত্যাৰ কথা দুজনে স্বীকাৰ কৰা বুলি দাবী আৰক্ষীৰ



**অগ্ৰদূত বাৰ্তা**
**কাকী/হোজাই, ৩ আগষ্ট ঃ** লামডিঙত এগৰাকী কিশোৰীক ধৰ্ষণ আৰু হত্যাত জড়িত থকাৰ অভিযোগত তিনিজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। যোৱা পহিলা আগষ্টৰ নিশা প্ৰায় আঠ বজাত দক্ষিণ লামডিং পঞ্চায়তৰ অন্তৰ্গত আঠ নম্বৰ ৱাৰ্ডৰ কৃষ্ণবস্তিৰ শালবাগানত বিবস্ত্ৰ অৱস্থাত এগৰাকী কিশোৰীৰ মৃতদেহ উদ্ধাৰ হৈছিল। পৰৱৰ্তী সময়ত চিনাক্ত হোৱা ১০ পৃষ্ঠাত চাওক

# সংঘৰ্ষত নৱগঠিত সশস্ত্ৰ উগ্ৰপন্থী সংগঠনৰ শীৰ্ষ নেতাক গ্ৰেপ্তাৰ


**বিশেষ সংবাদদাতা**
**বকলীয়াঘাট, ৩ আগষ্ট ঃ** ধন দাবী আৰু ধন সংগ্ৰহৰ উদ্দেশ্যে কাৰ্বি আংলঙত নতুনকৈ গঠন হোৱা কাৰ্বি আংলং ইউনাইটেড লিবাৰেছন আৰ্মি (কুলা)ৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে জিলাখনৰ আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে। আজি পুৱতি নিশা মাঞ্জা আৰক্ষী থানাৰ অধীনৰ পাহাৰ আৰু হাবিৰে ভৰা লাংভকুত চলোৱা এনে অভিযানৰ সময়তে সংগঠনটোৰ স্বয়ম্ভূ অধ্যক্ষ ডেনিয়েল টেৰণ ওৰফে ডিপি ক্ৰণজাং গুলিবিদ্ধ হয়। সম্প্ৰতি ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতালত ডেনিয়েলক চিকিৎসা প্ৰদান কৰি থকা হৈছে। ঘটনাস্থলীৰ পৰা ১০ পৃষ্ঠাত চাওক

ড্ৰাগছ বিৰোধী সমদলকাৰীক আৰক্ষীৰ লাঠিচালনাৰ প্ৰতিবাদ

# চৰকাৰৰ দাবীৰ বিপৰীতে ৰাজ্যত অব্যাহত আছে কয়লা ছিণ্ডিকেট

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ আগষ্ট ঃ** ছিণ্ডিকেটৰ বিৰুদ্ধে চৰকাৰে শূন্য সহনশীল নীতি গ্ৰহণ কৰা বুলি দাবী কৰিলেও ৰাজ্যত পূৰ্ণগতিত অব্যাহত আছে কয়লা ছিণ্ডিকেট। সাধাৰণ জনতা তথা প্ৰতিবাদকাৰীৰ ওপৰত বৰমতা দেখুওৱা আৰক্ষীয়ে এই ছিণ্ডিকেট চলাই অহা মাফিয়াসকলৰ বিৰুদ্ধে কিয় সাহস দেখুৱাব নোৱাৰে? আজি এইদৰে প্ৰশ্ন উত্থাপন কৰে বীৰ লাচিত সেনাই। আৰক্ষীৰ পৃষ্ঠপোষকতাতে তিনিচুকীয়া জিলাত ড্ৰাগছৰ বেহা অব্যাহত আছে বুলি ১০ পৃষ্ঠাত চাওক

# ৰেল ষ্টেছনত জব্দ এক কিলো ওজনৰ নকল সোণৰ নাও



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ আগষ্ট ঃ** ডিব্ৰুগড়-দিল্লী সংযোগী ৰাজধানী এক্সপ্ৰেছত আজি পল্টনবজাৰ ৰেল আৰক্ষীয়ে ১.৯০ কিলোগ্ৰাম ওজনৰ এখন নকল সোণৰ নাও জব্দ কৰে। এই সৰবৰাহৰ লগত জড়িত থকাৰ অভিযোগত অভিযানকাৰী দলে বিহাৰৰ কাটিহাৰৰ বিনোদ পোড্ডাৰৰ পুত্ৰ আকাশ কুমাৰ (২৫) আৰু ভগলপুৰ জিলাৰ ৰামনাথ প্ৰসাদ চৌৰাচিয়াৰ পুত্ৰ ৰৱি ৰঞ্জন কুমাৰ চৌৰাচিয়াক গ্ৰেপ্তাৰ কৰে বুলি পল্টনবজাৰ ৰেল আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰসেনজিৎ দাসে সদৰী কৰে। ১০ পৃষ্ঠাত চাওক

কাজলগাঁৱত বড়ো সাহিত্য সভা-এবছুৰ উদ্যোগত ৰাইজমেল

# ইংৰাজীত পাঠদান-প্ৰাদেশিকীকৰণ বন্ধৰ সিদ্ধান্ত সলনি নকৰিলে তীব্ৰ আন্দোলন

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ৩ আগষ্ট ঃ** চৰকাৰী বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয়ত ইংৰাজী মাধ্যমত পাঠদানৰ অসম চৰকাৰৰ শেহতীয়া কেবিনেট সিদ্ধান্তৰ প্ৰসংগত আজি চিৰাং জিলাৰ সদৰ কাজলগাঁৱত ৰাইজমেল অনুষ্ঠিত হয়। চৰকাৰী বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয় ইংৰাজী ভাষাত পাঠদান কৰাৰ সিদ্ধান্ত আৰু নতুনকৈ বিদ্যালয় প্ৰাদেশিকীকৰণ বন্ধ ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, ৪ আগষ্ট, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## ডিগবৈত বীৰ লাচিত সেনাৰ জোঁৰ সমদলত আৰক্ষীৰ লাঠিচালনা

**ডিগবৈ, ৩ আগষ্ট ঃ** ডিগবৈত কালি সন্ধিয়া বীৰ লাচিত সেনাই ড্ৰাগছৰ বিৰুদ্ধে উলিওৱা জোঁৰ সমদলত আৰক্ষীয়ে লাঠিচালনা কৰাৰ পাছত আটক হোৱা সংগঠনটোৰ দুজন নেতাক আৰক্ষীয়ে আজি জেললৈ প্ৰেৰণ কৰিছে। জেললৈ প্ৰেৰণ কৰা নেতা দুজন ক্ৰমে তিনিচুকীয়া জিলা সমিতিৰ যুটিয়া সচিব বিপ্লৱ গগৈ আৰু ডিগবৈ আঞ্চলিক সমিতিৰ সভাপতি উজ্জ্বল দিহিঙীয়া। দুয়োজনৰ বিৰুদ্ধে *ছয় পৃষ্ঠাত চাওক*

## জৰাজীৰ্ণ, অস্বাস্থ্যকৰ পৰিৱেশত চলিছে শতাধিক অংগনৱাড়ী কেন্দ্ৰ



■ গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ত অনিয়মেই নিয়ম

অগ্ৰদূতবাৰ্তা

**গৌৰীসাগৰ, ৩ আগষ্ট ঃ** শিশুৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশ সাধনৰ উদ্দেশ্যে বছৰি কোটি কোটি টকা চৰকাৰে অংগনৱাড়ী কেন্দ্ৰৰ নামত ব্যয় কৰি আহিছে। কিন্তু সেই লক্ষ্য আৰু উদ্দেশ্য প্ৰকৃতাৰ্থত সফলতা লাভ কৰাটো দূৰৰে কথা তাৰ বাস্তৱ ছবিখন দেখিলে সকলোৰে চকু কপালত উঠাৰ পৰিৱেশ বিৰাজমান হৈ উঠিছে শিৱসাগৰ জিলাত। অনুসন্ধান কালত পোহৰলৈ অহা খবৰ মতে, শিৱসাগৰ জিলাৰ গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ অধীনস্থ অংগনৱাড়ী কেন্দ্ৰসমূহত সৰ্বত্ৰে বিৰাজমান হৈ উঠিছে জৰাজীৰ্ণ তথা এক অস্বাস্থ্যকৰ পৰিৱেশৰ। শিশুৰ শাৰীৰিক, মানসিক বিকাশৰ ভেটি *ছয় পৃষ্ঠাত চাওক*

# চৰকাৰী বিদ্যালয়ত ইংৰাজী মাধ্যমত শিক্ষাদানৰ বিৰোধিতাত বিটিচিত ঐক্যমত

■ মাতৃভাষা মাধ্যমৰ পক্ষত থিয় দি কোকৰাঝাৰত বৈঠক বড়ো সাহিত্য সভা, এবছু আৰু বিটিচি প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৩ আগষ্ট ঃ** কোকৰাঝাৰৰ বডোফা নগৰস্থিত বিটিচি সচিবালয়ৰ প্ৰেক্ষাগৃহত আজি বড়ো সাহিত্য সভা, এবছু আৰু বিটিচি প্ৰশাসনৰ মাজত এক বৈঠক অনুষ্ঠিত হয়। তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় ইংৰাজীত পাঠদানৰ অসম চৰকাৰৰ শেহতীয়া কেবিনেট বৈঠকৰ সিদ্ধান্তৰ বিৰোধিতাৰে আয়োজিত বৈঠকত অসমীয়া মাধ্যম জীয়াই ৰখাৰ পক্ষত থিয় দিয়ে অংশগ্ৰহণকাৰীসকলে। তদুপৰি বিটিআৰ চুক্তিৰ ৬.৩ দফাৰ অধীনত বিদ্যালয়ৰ প্ৰাদেশিকীকৰণৰ উপৰি টে'ট অনুষ্ঠিত কৰা, বিদ্যালয় একত্ৰীকৰণ কৰা আৰু শেহতীয়া কেবিনেট সিদ্ধান্তক লৈ বৈঠকত আলোচনা কৰা হয়। *ছয় পৃষ্ঠাত*



*গুৱাহাটী বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক আৰক্ষীয়ে প্ৰহাৰ কৰাৰ প্ৰতিবাদত নলবাৰী কলেজত এবিভিপিৰ প্ৰতিবাদ।*

দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ পৰা বঞ্চিত কৰাৰ ষড়যন্ত্ৰ

## বিদ্যালয়ত গণিত-বিজ্ঞানৰ মাধ্যম ইংৰাজী কৰাৰ বিৰোধিতা প্ৰেৰণা পুথি ভঁৰালৰ

বিশেষ সংবাদদাতা

**নলবাৰী, ৩ আগষ্ট ঃ** 'ৰাজ্য চৰকাৰে ২০২৩ৰ পৰা অসমীয়া মাধ্যমৰ বিদ্যালয়তো তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয়ৰ শিক্ষা ইংৰাজী মাধ্যমেৰে হ'ব বুলি ঘোষণা কৰিছে। লগতে পাঠ্যপুথিও ইংৰাজী মাধ্যমতে ছপা কৰা হ'ব বুলি জানিবলৈ দিছে। দুটাকৈ অতি কঠিন বিষয় এটা বিদেশী ভাষাৰে শিকিবলৈ দিয়া এই কাৰ্য কিমান বিজ্ঞানসন্মত সেয়া সন্দেহজনক। হেজাৰ হেজাৰ বিদ্যালয় এজনীয়া শিক্ষকেৰে চলি থকা অৱস্থাত তেনে স্কুলৰ এজন শিক্ষকে *ছয় পৃষ্ঠাত চাওক*



## হাবি-জংঘলে আৱৰি ধৰিছে কলিয়াবৰৰ কৃষকৰ সেৱাত উৎসৰ্গিত জলসিঞ্চনৰ মথাউৰি

## খৰাঙত বিপৰ্যস্ত কলিয়াবৰৰ কৃষিজীৱী ৰাইজৰ জীৱন, নিদ্ৰাৰত চৰকাৰ-বিভাগ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৩ আগষ্ট ঃ** খৰাঙত বিপৰ্যস্ত হৈ পৰিছে কলিয়াবৰৰ কৃষিজীৱী ৰাইজৰ জীৱন। হাবি জংঘলে আৱৰি ধৰিছে কৃষকৰ সেৱাত উৎসৰ্গিত জলসিঞ্চনৰ বৃহৎ বৃহৎ মথাউৰি, জলসিঞ্চনৰ আঁচনি। বাৰিষা শেষ হোৱাৰ সময়তো পথাৰত পানীৰ অভাৱত কঠীয়া ৰুব নোৱাৰি মূৰে-কপালে হাত দিছে কৃষিজীৱী জনতাই। কিন্তু ইমানৰ পাছতো নিদ্ৰাৰত হৈ আছে জলসিঞ্চন বিভাগ, কৃষি বিভাগৰ লগতে চৰকাৰ, জনপ্ৰতিনিধি। আজিৰ দিনত কলিয়াবৰৰ কৃষকৰ বাবে সম্পদৰ বিপৰীতে আপদ হৈ পৰিছে জলসিঞ্চন বিভাগৰ মথাউৰিসমূহ। কৃষক ৰাইজৰ সুবিধাৰ্থে কোটি কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা *ছয় পৃষ্ঠাত চাওক*



## নৱজ্যোতি হাইস্কুল একত্ৰীকৰণৰ বিৰোধিতা ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**সৰ্থেবাৰী, ৩ আগষ্ট ঃ** ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱাৰ অজুহাতত বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত আৰু ৰাজহ চক্ৰ বিষয়ৰ কাৰ্যালয়ৰ গাতে লাগি থকা নৱজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়খন আন বিদ্যালয়ৰ লগত একত্ৰীকৰণ কৰিবলৈ শিক্ষা বিভাগে প্ৰস্তুত কৰা প্ৰস্তাৱৰ স্থানীয় ৰাইজে বিৰোধিতা কৰিছে। ১৪ নম্বৰ উত্তৰ পূব সৰুক্ষেত্ৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত একমাত্ৰ উচ্চ মাধ্যমিক বিদ্যালয়খন এনেদৰে বিলুপ্ত কৰিবলৈ ওলোৱাত স্থানীয় ৰাইজ জাঙুৰ খাই উঠিছে। চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদী সভা অনুষ্ঠিত কৰি তীব্ৰ বিৰোধিতা কৰাৰ লগতে এই সিদ্ধান্ত বাতিল নকৰিলে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ *ছয় পৃষ্ঠাত চাওক*

## অসম আন্দোলনৰ ছহিদ পূৰ্ণকান্ত নিৰ্মলীয়াৰ মাতৃৰ মৃত্যু

### এবছৰে শয্যাশায়ী প্ৰমীলা নিৰ্মলীয়াৰ খবৰ ল'বলৈ আহৰি নহ'ল বিধায়ক তৰংগ গগৈৰ

অগ্ৰদূত বাৰ্তা

**নামৰূপ, ৩ আগষ্ট ঃ** ১৯৭৯ৰ ন নৱেম্বৰত ছহিদ বৰণ কৰা পূৰ্ণকান্ত নিৰ্মলীয়াৰ মাতৃ প্ৰমীলা নিৰ্মলীয়াই আজি পুৱা ছবজাত ইহসংসাৰ ত্যাগ কৰে। ১৯২৬তেই চাচনী তৰানি পথাৰৰ প্ৰয়াত কমলচন্দ্ৰ নিৰ্মলীয়া আৰু প্ৰয়াত প্ৰভাতী নিৰ্মলীয়াৰ ঘৰত জন্মগ্ৰহণ কৰা *ছয় পৃষ্ঠাত চাওক*

## মঙলদৈত পথ মেৰামতিৰ দাবীত আছুৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩ আগষ্ট ঃ** বানে বিধ্বস্ত কৰা মংগলদৈ মাজিকুছি পথ মেৰামতিৰ দাবীত দৰঙৰ উপায়ুক্ত আৰু মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাই। দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ এটি সঁজাতী দলে আজি বিধ্বস্ত মঙলদৈ মাজিকুছি পথৰ পৰা দেওমৰনৈ হৈ নামখলালৈ পথছোৱা মেৰামতি আৰু বহলকৰণৰ দাবীত দৰং জিলাৰ উপায়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ উপায়ুক্ত আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। শেহতীয়া বান পৰিস্থিতি আৰু সৰু পথটোত অধিক যান-বাহন চলাচল হোৱাত পথটো বিধ্বস্ত হৈ *ছয় পৃষ্ঠাত চাওক*

## বৰপেটাৰোড আৰক্ষীৰ অভিযানত আটক পাঁচ লটাৰী বিক্ৰেতা

অগ্ৰদূত বাৰ্তা

বৰপেটাৰোড, ৩ আগষ্ট ঃ বৰপেটাৰোড আৰক্ষীয়ে যোৱা নিশা বৰপেটাৰোড আৰু বালাভিঠাত অভিযান চলাই পাঁচজন লটাৰী বিক্ৰেতাক কৰায়ত্ব কৰে। বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেবানন্দ দাসৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে প্ৰথমে বৰপেটাৰোডৰ বালাভিঠাত অভিযান চলায়। এই অভিযানত সেই স্থানত অবৈধ তীৰ খেল চলাই অহা বালাভিঠাৰে নুৰুল হকৰ পুত্ৰ ৰাইফুল ইছলাম আৰু মতিউৰ ৰহমানৰ পুত্ৰ হানিফ আলীক আটক কৰে। আনহাতে আৰক্ষীৰ এই দলটোৱে বৰপেটাৰোডৰ বজাৰ অঞ্চলত অভিযান চলাই বৰপেটাৰোডৰ হৰতকীতলাৰ প্ৰয়াত সুখলাল সাহাৰ পুত্ৰদ্বয় ক্ৰমে গৌৰাংগ সাহা আৰু সুকুমাৰ সাহাৰ লগতে বাগ্‌সাৰ গোৱৰ্ধনা থানাৰ অন্তৰ্গত বৰ্মনপাৰাৰ প্ৰয়াত বীৰেন্দ্ৰ সাহাৰ পুত্ৰ কৃষ্ণ বৰ্মনক আটক কৰে। উল্লেখ্য এই তিনি লোকে বহিঃৰাজ্যৰ লটাৰি বিক্ৰী কৰি আহিছিল। আৰক্ষীয়ে চলোৱা এই অভিযানৰ অন্তত ১৮০টা তীৰ খেলৰ টিকট, দুখন মটৰ চাইকেল, নগদ ৪৭ হেজাৰ, ছটা ম'বাইল হেণ্ডছেট, দুটা কেলকুলেটৰ আৰু তীৰ খেলত ব্যৱহৃত দুটা নোট বুক জব্দ কৰে।

## বৰপেটাত ড্ৰাগছ সৰবাৰহকাৰীৰ ৰূপত মহিলা

বিশেষ সংবাদদাতা

**বৰপেটা, ৩ আগষ্ট ঃ** আৰক্ষীৰ নিৰন্তৰ ড্ৰাগছ বিৰোধী অভিযানত এইবাৰ ড্ৰাগছ সৰবৰাহৰ স'তে জড়িত এগৰাকী মহিলাক আটক কৰিছে বৰপেটা আৰক্ষীয়ে। বৰপেটাৰ ভেল্লাত ড্ৰাগছসহ এজন যুৱকৰ স'তে কৰায়ত্ত কৰে মহিলাগৰাকীক। গুৱাহাটীৰ পৰা বৰপেটা অভিমুখ্যে ড্ৰাগছ লৈ আহি থকা অৱস্থাত দুয়োকে আটক কৰে আৰক্ষীয়ে। আটকাধীন যুৱকজন গুৱাহাটীৰ গাড়ীগাঁৱৰ মকবুল আলী (৩০)। যুৱকজনে এগৰাকী মহিলাক লগত *ছয় পৃষ্ঠাত চাওক*

## বাংলাদেশ অভিমুখী ৬৬ বস্তা চোৰাং চাউল জব্দ



বিশেষ সংবাদদাতা

বিলাসীপাৰা, ৩ আগষ্ট ঃ বিলাসীপাৰাৰ কাঠালদি চৰৰ পাৰঘাটত বগা চাউলৰ ক'লা বেহাৰ বিৰুদ্ধে যোগান বিভাগ আৰু আৰক্ষীৰ যৌথ অভিযানত ৬৬ বস্তা চোৰাং চাউল জব্দ কৰে। জব্দকৃত চোৰাং চাউলসমূহ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল বুলি জানিব পৰা গৈছে। অৱশ্যে এই ব্যৱসায়ৰ স'তে জড়িত কোনো এজনক আটক কৰিবলৈ সক্ষম হোৱা নাই অভিযানকাৰী দলয়ে গৌৰাং নৈৰ পাৰঘাটটোত যন্ত্ৰচালিত নাৱঁৰে চোৰাং চাউল সমূহ চুবুৰীয়া ৰাজ্য মেঘালয় তথা বাংলাদেশত ৰপ্তানি কৰাৰ সন্দেহ প্ৰকাশ কৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কাঠালদি আঞ্চলিক সমিতিয়ে। অঞ্চলটোত দিনে-নিশাই চোৰাং চাউল আৰু নীলা কেৰাচিন তেলৰ ৰমৰমীয়া ব্যৱসায় চলি আহিছে যদিও ৰহস্যজনকভাৱে নীৰৱতা অৱলম্বন কৰি অহাৰ অভিযোগ যোগান বিভাগৰ বিৰুদ্ধে। যোগান বিভাগ আৰু আৰক্ষীয়ে মাজে সময়ে লোক চক্ষুৰ সন্মুখত এনে নাটকীয় অভিযান চলাই আহিছে বুলি সমিতিটোৱে অভিযোগ তুলিছে। বিভাগটোৱে নিয়মীয়া অভিযান অব্যাহত ৰাখিলে অঞ্চলটোৰ পৰা এনে ক'লা বেহাৰ ঘাটিসমূহ উৎখাত হ'ব বুলি সচেতন মহলে মন্তব্য কৰি ছে।

## বৰপেটাৰোড বন বিভাগৰ দ্বাৰা সৰভোগত উৎখাত দুটা কাঠফলা কল

অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ৩ আগষ্ট ঃ** বৰপেটাৰোড বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীৰ প্ৰায় ২০ জনীয়া এটি দলে আজি সৰভোগৰ কলবাৰী আৰু পেৰাগাঁৱৰ পৰা দুটা অবৈধ কাঠফলা কল উৎখাত কৰে। বৰপেটাৰোড বনাঞ্চলিক বিষয়া প্ৰশান্ত গগৈৰ নেতৃত্বতে যোৱা বনকৰ্মীৰ দলটোৱে আজি পুৱাতে সৰভোগ বীটৰ অন্তৰ্গত কলবাৰীত উপস্থিত হয়। ইয়াতে তেওঁলোকে চলন্ত অৱস্থাত থকা এটা ৩০ ইঞ্চিৰ অবৈধ কল উৎখাত কৰে। পাছত সেই অবৈধ কলটোৰ যন্ত্ৰাংশ খোলাৰ লগতে ফাউণ্ডেছন ধ্বংস কৰি কলটোত ব্যৱহৃত জেনেৰেটৰ, প্লেট, গাছ, ৰদ, খিড়িকী আদিকে ধৰি ভালেমান সামগ্ৰী জব্দ কৰে আৰু জব্দকৃত সামগ্ৰীখিনি বৰপেটাৰোড বনাঞ্চলিক কাৰ্যালয়লৈ লৈ আনে। একেদৰে বন বিভাগৰ এই দলটোৱে আজিয়ে সৰভোগৰ পেৰাগাঁৱতো অভিযান চলায়। এই অভিযান কালতো তেওঁলোকে তাত এটা ৩০ ইঞ্চিৰ অবৈধ কল উৎখাত কৰে। সেই কলটোত ব্যৱহৃত সামগ্ৰীখিনিও বন বিভাগে জব্দ কৰি বৰপেটাৰোড বনাঞ্চলিক কাৰ্যালয়লৈ আনে। উল্লেখ্য যে কালি বৰপেটাৰোড বন বিভাগে সৰভোগৰে জামাদাৰবড়ীত এটা অবৈধ কাঠফলা কল উৎখাত কৰি সামগ্ৰীখিনি জব্দ কৰিছিল।

## গোৰেশ্বৰ আৰক্ষীৰ অভিযানত জব্দ তিনিখন ডাম্পাৰ

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ৩ আগষ্ট ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰত আৰক্ষীয়ে বৈধ নথিপত্ৰবিহীন তিনিখন ডাম্পাৰ আজি জব্দ কৰে। জব্দকৃত ডাম্পাৰকেইখনৰ নম্বৰ হৈছে। এএছ-২৫ এফচি-১১৩৭, এএছ-২৫ ইচি-৭৮৩৫ আৰু এএছ-২৫ ইচি-৪৭৫০ উল্লেখ্য যে বাইহাটা চাৰিআলি-নাগ্ৰীজুলি সংযোগী গড়কাপ্তানী পথৰে দিনে-নিশাই অবাধ হাৰত চলি থকা ডাম্পাৰসমূহে দীৰ্ঘদিনৰ পৰা গোৰেশ্বৰবাৰী ৰাইঝৰ নিদ্ৰাহৰণ কৰি আহিছে। বিভিন্ন সময়ত বহু অবৈধ শিল-বালি কঢ়িওৱা ডাম্পাৰৰ বিৰুদ্ধে স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে আৰক্ষী প্ৰশাসন তথা বন বিভাগত অৱগত কৰিছিল। আজি গোৰেশ্বৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাই এক অভিযান চলাই জব্দ কৰে তিনিখন অবৈধ ডাম্পাৰ।

## ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপ চলা সকলো মাদ্ৰাছা বন্ধ কৰা হ'ব ঃ ঘোষণা মন্ত্ৰী পীযুষৰ

### হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী সৰ্বতো প্ৰকাৰে সফল কৰি তুলিবলৈ ৰাইজক আহ্বান

বিশেষ সংবাদদাতা/ষ্টাফ ৰিপ'ৰ্টাৰ

**নগাঁও/তেজপুৰ, ৩ আগষ্ট ঃ** ৰাজ্যত জেহাদী কাৰ্যকলাপ চলি থকা মাদ্ৰাছাসমূহ বন্ধ কৰা হ'ব বুলি আজি নগাঁৱত মন্তব্য কৰে অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই। হৰ ঘৰ ত্ৰিৰংগা *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ১৮ শাওণ ১৪২৯ ভাস্কৰাব্দ ৪ আগষ্ট ২০২২

## ঘৰে ঘৰে পতাকা

দেশৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে কেন্দ্ৰীয় চৰকাৰে 'আজাদী কা অমৃত মহোৎসৱ' কাৰ্যসূচীৰ অংশৰূপে ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ 'হৰ ঘৰ ত্ৰিৰংগা' (ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা) উত্তোলন কৰিবলৈ দেশবাসীৰ প্ৰতি আহ্বান জনাইছে। সেই কাৰ্যসূচীৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে দেশত ২০ কোটি ঘৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ লক্ষ্য গ্ৰহণ কৰিছে। বিশেষকৈ 'আজাদী কা অমৃত মহোৎসৱ' আৰু লগতে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ গুৰুত্ব দিছে। যোৱা দেওবাৰে অনাতাঁৰ ভাষণ 'মন কী বাত'ত প্ৰধানমন্ত্ৰীয়ে ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ৭৫ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন সফল কৰিবলৈ দেশবাসীক আহ্বান জনাইছিল। 'মন কী বাত' অনাতাঁৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰিছে, 'ৰাষ্ট্ৰীয় পতাকাখনে আমাক দেশৰ কাৰণে কাম কৰিবলৈ প্ৰেৰণা দিয়ে, আমাৰ মাজত সংযোগ ঘটায়।' উল্লেখ্য যে প্ৰধানমন্ত্ৰীয়ে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত'ৰ কথা কৈ আহিছে। ৰাষ্ট্ৰীয় পতাকাখনে এই আদৰ্শৰ ৰূপায়ণ কৰাত নিশ্চয় সহায় কৰি আহিছে আৰু কৰি থাকিব। দেশৰ ঐক্য-সংহতি, শক্তি, নীতি-আদৰ্শৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা। পৰম্পৰাগতভাৱে প্ৰতি বছৰে ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ দিনা পুৱাৰ পৰা সন্ধিয়ালৈকে ৰাষ্ট্ৰীয় পতাকা উৰুৱাই ৰখা হয়; কিন্তু ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ দেশবাসীয়ে যিকোনো সময়ত পতাকা উত্তোলন কৰিব পাৰিব। আনকি ফ্লেগ ক'ড প্ৰত্যাহাৰ কৰি পতাকাৰ আকাৰ-কাপোৰ আদিৰ ক্ষেত্ৰত থকা বিধি-বিধান প্ৰত্যাহাৰ কৰা হৈছে। সেই অনুসৰি পতাকা যিকোনো আকাৰৰ হ'ব পাৰে, পতাকাৰ কাপোৰ কেৱল খাদীৰ হোৱাৰ ক্ষেত্ৰত বাধ্য-বাধকতা নাই। যিকোনো কাপোৰ বা পলিষ্টাৰৰ পতাকা তৈয়াৰ কৰিব পাৰিব। ৰাষ্ট্ৰীয় পতাকাৰ ক্ষেত্ৰত থকা বিধি-বিধান প্ৰত্যাহাৰ কৰাত স্বাভাৱিকতে বহুতে অসন্তুষ্টি ব্যক্ত কৰিছে; কিন্তু চৰকাৰে ৰাষ্ট্ৰীয় পতাকা সহজলভ্য কৰাৰ বাবে আৰু বৃহৎ সংখ্যক বা পৰিমাণৰ পতাকা প্ৰস্তুত কৰাৰ বাবেই কেৱল খাদীবস্ত্ৰৰে পতাকা তৈয়াৰৰ ক্ষেত্ৰত থকা বিধান প্ৰত্যাহাৰ কৰিছে। চৰকাৰৰ উদ্দেশ্য এয়ে যে 'হৰ ঘৰ ত্ৰিৰংগা' অভিযান সফল হ'ব লাগে। আগেয়ে এইদৰে ঘৰে ঘৰে পতাকা উত্তোলনৰ কোনো নিয়ম নাছিল নাইবা চৰকাৰেও ইয়াৰ বাবে আহ্বান জনোৱা নাছিল। এইবাৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উদ্‌যাপন উপলক্ষে ঘৰে ঘৰে পতাকা উত্তোলন কৰিবলৈ আহ্বান জনোৱা হৈছে। অৱশ্যে চৰকাৰে কেৱল পতাকা উত্তোলনৰ যি ধৰণৰ তৎপৰতা দেখুৱাইছে, সেইদৰে স্বাধীনতা সংগ্ৰামৰ নেতৃত্ব দিয়াসকলৰ প্ৰতি যথোচিত সন্মান প্ৰদৰ্শনৰ ক্ষেত্ৰত সেইদৰে গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। বহুতৰ অভিযোগ যে ৰাজনৈতিক কাৰণতে চৰকাৰে স্বাধীনতা সংগ্ৰামৰ একাংশ শীৰ্ষ নেতাৰ প্ৰতি আওকণীয়া মনোভাৱ দেখুৱাই সেইসকলক গুৰুত্বহীন কৰিব বিচাৰিছে। বিশেষকৈ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে স্বাধীনতা আন্দোলনৰ নেতৃত্বকাৰী তথা বীৰ-বীৰাংগনাসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি, স্মৰণ কৰি বিশেষ আঁচনি বা কাৰ্যসূচী ঘোষণা কৰাৰ প্ৰয়োজন আছিল। নৱ প্ৰজন্মক প্ৰেৰণা দিয়াৰ বাবে এনে ধৰণৰ কাৰ্যসূচীৰ প্ৰয়োজন। স্বাধীনতা দিৱস কেৱল পতাকা উত্তোলনৰ দিৱস হ'ব নালাগে। স্বাধীনতা সংগ্ৰামী আৰু নেতৃত্বৰাহীসকলৰ ত্যাগ, ভাৱাদৰ্শ, কৰ্মসমূহক দেশবাসীৰ কাষলৈ, দেশবাসীৰ মাজলৈ লৈ যোৱাৰ দায়িত্বও চৰকাৰে পালন কৰা উচিত। অন্যথা নৱ প্ৰজন্মই স্বাধীনতা দিৱসক পতাকা উত্তোলনৰ দিৱস হিচাপেহে গণ্য কৰিবলৈ ল'ব। স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ পৰা ইতিমধ্যে নৱ প্ৰজন্ম বিচ্ছিন্ন হ'বলৈ ধৰা পৰিলক্ষিত হৈছে। স্বাধীনতা সংগ্ৰাম তেওঁলোকৰ বাবে যেন হৈ পৰিছে নিষ্প্ৰাণ ইতিহাস। সেয়ে স্বৰাজোত্তৰ কালৰ নৱ প্ৰজন্মক দেশৰ স্বাধীনতা আৰু ইয়াৰ বাবে হোৱা বীৰত্বপূৰ্ণ সংগ্ৰামৰ ইতিহাসৰ বিষয়ে সচেতন কৰি তুলিব লাগিব। স্বাধীনতা দিৱস উদ্‌যাপন তেতিয়াহে সাৰ্থক হ'ব।

চৰকাৰে দেশপ্ৰেমৰ কথাও স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত সঘনে উচ্চাৰণ কৰি আহিছে; কিন্তু বৰ্তমান ভণ্ড বা ভুৱা দেশপ্ৰেমিকৰ অভাৱ নাই। নিষ্ঠাৰে দেশৰ বাবে কৰ্তব্য পালন কৰা, সমালোচনামূলক সৃষ্টিশীল চিন্তাৰে আগুৱাই নিয়াসকলক দেশপ্ৰেমিক চৰকাৰে আৰু জনসাধাৰণে স্বীকৃতি দিব নোৱাৰিলে স্বাধীনতা তথা গণতন্ত্ৰৰ ভেটি দুৰ্বল হৈ পৰিব। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকাখনে আমাক দেশৰ কাৰণে কাম কৰিবলৈ প্ৰেৰণা দিয়ে বুলি কৈছে। 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীৰ এনে মন্তব্য অত্যন্ত গুৰুত্বপূৰ্ণ আৰু প্ৰাসংগিক; কিন্তু পতাকাখনৰ বাবে কিমান দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ পৰা আঁতৰি আছে? দেশত যে পতাকা উত্তোলনকাৰী ভণ্ড দেশপ্ৰেমিকৰ সংখ্যা বাঢ়িছে, সেই কথা অস্বীকাৰ কৰিব পৰা যাবনে? স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো দেশৰ অৰ্ধেক লোক আজিও দৰিদ্ৰতাৰ গ্ৰাসত। যিসকল ভাৰতীয় নাগৰিক দৰিদ্ৰ নহয়, তেওঁলোকৰ অৱস্থাও ভাল নহয়। নিত্য খাদ্য-সামগ্ৰীকে ধৰি প্ৰতিবিধ সামগ্ৰীৰ দাম আকাশলংঘী হৈ গৈ আছে, তাৰ ফলত তেওঁলোকো দৰিদ্ৰ শ্ৰেণীত অন্তৰ্ভুক্ত হ'বলৈ বেছি সময় নালাগিব। চৰকাৰে কোটি কোটি হিতাধিকাৰী সৃষ্টি কৰি নিৰ্বাচনত জয়লাভ কৰিবলৈ হয়তো সক্ষম হ'ব; কিন্তু দৰিদ্ৰতা দূৰ কৰিব নোৱাৰিব। দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসত কেৱল পতাকা উত্তোলনত গুৰুত্ব দিলে দৰিদ্ৰতা দূৰ কৰিব পৰা নাযাব। উৎপাদন বৃদ্ধি, আন্তঃগাঁথনিৰ উন্নতি, ক্ৰয় ক্ষমতা বৃদ্ধি, কৰ্মসংস্থান সৃষ্টিৰ ক্ষেত্ৰত চৰকাৰ সফল হ'ব লাগিব। বৰ্তমান দেশত দৰিদ্ৰ আৰু নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈ থকাটো অতি উদ্বেগজনক বিষয়। ঘৰে ঘৰে পতাকা উত্তোলনৰ লগতে এইবোৰ বিষয়তো চৰকাৰে গুৰুত্ব দিবনে?

### খোলা মঞ্চ

## অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**বিগত** কেইটামান দশকলৈ চালে দেখা যায় যে অসমৰ সংবাদ জগতত দৈনিক, সাপ্তাহিক আদি অনেক বাতৰি প্ৰকাশ হৈছে যদিও বহু কাকতৰ প্ৰকাশ ইতিমধ্যে বন্ধ হৈছে। বাতৰি কাকত এখন প্ৰকাশ কৰা তথা ইয়াক চলাই থকা কামটো সহজ-সাধ্য নহয় যদিও 'অগ্ৰদূত' কাকতখন নিয়মীয়াকৈ যোৱা ৫২ বছৰ অতিক্ৰম কৰাটো এটা গৌৰৱৰ কথা। সৰু কালৰে পৰা আমি তিনিদিনীয়া 'অগ্ৰদূত' পঢ়ি আহিছো। সেই সময়ত বাতৰি কাকতৰ সংখ্যা বেছি নাছিল আৰু তিনিদিনীয়া 'অগ্ৰদূত' আছিল তাৰ ভিতৰত এখন জনপ্ৰিয় কাকত। সময় বাগৰি যোৱাৰ লগে লগে কাকতখনৰ সম্পাদক বিশিষ্ট সাংবাদিক-সাহিত্যিক কনকসেন ডেকাৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলতে জন্ম পালে 'দৈনিক অগ্ৰদূত'ৰ। প্ৰথম প্ৰকাশৰ পৰা আমি 'দৈনিক অগ্ৰদূত'ৰো এজন আগ্ৰহী পাঠক হৈ পৰো। কেৱল সিমানেই নহয়, পাছলৈ 'দৈনিক অগ্ৰদূত'ৰ বিভিন্ন শিতানত লেখা-মেলা কৰি কাকতখনৰ লেখক হোৱাৰো সৌভাগ্য হ'ল। 'অগ্ৰদূত' কাকতে বহু নতুন লেখক-লেখিকাৰ সৃষ্টিতো অৰিহণা যোগাইছে। সোণালী জয়ন্তী অতিক্ৰম কৰা 'অগ্ৰদূত'-এ আৰম্ভণিৰে পৰা জাতীয় দায়বদ্ধতাৰে সমাজলৈ সেৱা আগবঢ়াই আহিছে। বিভিন্ন সময়ত দেখা দিয়া নানা আহুকাল কিম্বা প্ৰত্যাহ্বান সত্ত্বেও সম্পাদক ডেকাই সাহসেৰে তাৰ মুখামুখি হৈ আহিছে। তাৰ বাবে আমি এই চেগতে ডেকাৰ শলাগ লৈছো।

**নিপ কুমাৰ দত্ত,** *লেখক*

সমাজ, ৰাজনীতি, সাহিত্য-সংস্কৃতি আদি প্ৰতিটো দিশত 'অগ্ৰদূত'ৰ আছে সজাগ দৃষ্টি। সেইদৰে শোষণ, বঞ্চনা, অন্যায়, অবিচাৰৰ বিৰুদ্ধেও 'অগ্ৰদূত' কাকতে লৈ আহিছে দৃঢ় স্থিতি। আমি আশা ৰাখিম যে অনাগত সময়তো 'অগ্ৰদূত' কাকতখনে সমাজত চলি থকা অন্যায়, অনীতি, দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিৰ বিৰুদ্ধে সবলভাৱে যুঁজ দি যাব।

*ফোন: ৯৯৫৪৩০১৮৯২*

# ইংৰাজীত পাঠদানক লৈ বিতৰ্ক

## নতুন শিক্ষানীতিৰ টোগলকী কাণ্ড বন্ধ হওক

**কৃষ্ণকান্ত বুঢ়াগোহাঁই**

**অসমীয়া** মাধ্যমৰ বিদ্যালয়ত গণিত আৰু বিজ্ঞানৰ পাঠদান ইংৰাজীত নহ'লে অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় পৰীক্ষাত কৃতকাৰ্য নহ'ব বুলি চৰকাৰে কোৱা কথাষাৰ সম্পূৰ্ণ শুদ্ধ হ'বনে? পূৰ্বৰে পৰা বহু ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমত পঢ়া-শুনা কৰি ভাৰতীয় প্ৰশাসনিক সেৱা, ভাৰতীয় আৰক্ষী সেৱা, বন বিভাগৰ উপৰি গ্ৰুপ এ চিভিল ছাৰ্ভিচ, গ্ৰুপ বি চিভিল ছাৰ্ভিচবোৰৰ পৰীক্ষাত অৱতীৰ্ণ হৈ কৃতিত্ব অৰ্জন কৰি সেৱা আগবঢ়াই আহিছে। তদুপৰি ষ্টাফ ছিলেকচন, বায়ু সেনা, নৌ সেনা, বেংক আৰু অন্যান্য বিভাগৰ চাকৰিত অসমীয়া মাধ্যমত পঢ়া-শুনা কৰা ছাত্ৰ-ছাত্ৰী কম বুলি ক'ব নোৱাৰি। সেইদৰে চিকিৎসা বিজ্ঞান, ইঞ্জিনিয়াৰিং, আইন পাঠ্যক্ৰম সফলতাৰে উত্তীৰ্ণ হৈ দেশ-বিদেশত সুদক্ষ চিকিৎসক, দক্ষ অভিযন্তা, বিজ্ঞানী, আইনবিদ হৈ গৌৰৱ অৰ্জন কৰিছে। সৰ্বভাৰতীয় পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ মনোবল, সাহস, শিক্ষণ আৰু গভীৰ অধ্যয়ন প্ৰণালীয়েই সাফল্য লাভৰ মূল সোপান। ভাৰতীয় সংবিধানে চচটা ৰাজ্যভাষাক স্বীকৃতি দিছে। সৰ্বভাৰতীয় পৰীক্ষা ইংৰাজীতে দিব লাগিব বুলি কথা নাই। ভাৰতৰ সংবিধানৰ স্বীকৃতিপ্ৰাপ্ত ৰাজ্য ভাষাৰে পৰীক্ষা দিব পৰা ব্যৱস্থাও আছে। ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যভাষাৰ সলনি ইংৰাজীতো পৰীক্ষা দিব পাৰে। সেই হিচাপে অসমৰ ছাত্ৰ-ছাত্ৰী বা প্ৰতিযোগীসকলেও মাতৃভাষাতে পৰীক্ষাসমূহত উত্তৰ লিখিব পাৰে, কোনো কোনোৱে ইংৰাজীতো লিখিব পাৰে। সৰ্বভাৰতীয় পৰীক্ষা সমূহত চজ্জ খন ৰাজ্যৰ এখন ৰাজ্যৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে সকলো চাকৰি লাভ কৰে বুলি ক'ব নোৱাৰি। ভাৰতৰ প্ৰতিখন ৰাজ্যৰ সংখ্যাত কম-বেছি পৰিমাণে উত্তীৰ্ণ হয়, চাকৰি পায়। কোৱা বাহুল্য যে অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ পৰা কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় পৰীক্ষাবোৰত আবেদন কৰে আৰু কম সংখ্যক উত্তীৰ্ণ হৈ চাকৰি লাভ কৰিছে।

ভাৰতৰ আন ৰাজ্যৰ দৰে অসমত সৰ্বভাৰতীয় পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ প্ৰশিক্ষণ কেন্দ্ৰ আৰু ছাত্ৰ-ছাত্ৰীক উৎসাহ দিব পৰাকৈ সুব্যৱস্থাৰ অভাৱ আৰু ব্যয় বহুল। তথাপি কওঁ যে এতিয়াও বহুকেইগৰাকীয়ে সৰ্বভাৰতীয় পৰীক্ষাত উজ্বলি উঠিছে। ইয়াৰে বহুসংখ্যকে ব্যক্তিগতখণ্ডৰ প্ৰশিক্ষণ কেন্দ্ৰত যথেষ্ট খৰছ কৰি হ'লেও পৰীক্ষাবোৰত অৱতীৰ্ণ হয়।

কেন্দ্ৰীয় চৰকাৰেও পঞ্চম শ্ৰেণীলৈকে সকলো বিষয়ৰ পাঠদান মাতৃভাষাত হ'ব লাগে বুলি নতুন শিক্ষা নীতিত স্পষ্ট কৰি দিছে। প্ৰধানমন্ত্ৰীয়ে চিকিৎসা বিজ্ঞান, কাৰিকৰী বিজ্ঞানৰ উচ্চ পৰ্যায়ৰ শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগিব বুলি ঘোষণা কৰিছে। এতিয়া অসমৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীয়ে বা চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিজ্ঞান আৰু গণিত বিষয়ৰ ইংৰাজীত পাঠদান হ'ব লাগে বুলি কৰা ঘোষণাত আচৰিত হৈছো। এই বিষয়ত শিক্ষাবিদ, শিক্ষা সংগঠনৰ লগত আলোচনা নকৰাকৈ সিদ্ধান্ত লোৱাত অসন্তুষ্টিৰ সৃষ্টি হৈছে। ইয়াৰ বিৰুদ্ধে ইতিমধ্যে বিভিন্ন মহলে প্ৰতিবাদ সাব্যস্ত কৰিছে। কেবিনেটত প্ৰস্তাৱ লোৱাৰ আগতে এই সম্পৰ্কত বিস্তৃত আলোচনাৰ প্ৰয়োজন আছিল।

মুখ্যমন্ত্ৰীয়ে কোৱাৰ ধৰণে অংক আৰু বিজ্ঞান ইংৰাজীত শিকিলেই সৰ্বভাৰতীয় পৰীক্ষাত কৃতকাৰ্যতা লভিব পাৰি জানো? সৰ্বভাৰতীয় পৰীক্ষাত এই দুটা বিষয়ৰ বাহিৰেও ভূগোল, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, শিক্ষা, মনোবিজ্ঞান, বাণিজ্য বিভাগৰ বিষয়, আৰু আন বিষয়ৰ প্ৰশ্নকাকত থাকে। প্ৰতিজন পৰীক্ষাৰ্থীয়ে মাতৃ ভাষাৰ উপৰি বিকল্প বিষয় ধৰি নখন প্ৰশ্নকাকতৰ পৰীক্ষা দিবলগীয়া হয়। অসমীয়া ভাষা স্বীকৃতিপ্ৰাপ্ত ৰাজ্যভাষা হোৱা হেতুকে পৰীক্ষাৰ উত্তৰ অসমীয়াতে দিব পাৰে।

মুখ্যমন্ত্ৰীয়ে জনাইছে যে নিম্নস্তৰৰ পৰা অংক আৰু বিজ্ঞানৰ ইংৰাজীত পাঠদান হ'লে ভৱিষ্যতে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় পৰীক্ষাবোৰত কৃতিত্ব লভিব পাৰিব। এই দুটা বিষয় ইংৰাজীত পাঠদানৰ পাছত আৰু দুই-এবছৰৰ পাছত বাকী বিষয়বোৰ ইংৰাজীত পাঠদানৰ বাবে জোৰ দিব নেকি? তেনে কৰিবলৈ ল'লে মাতৃভাষাৰ বিদ্যালয়বোৰৰ অৱস্থা কি হ'ব? কংগ্ৰেছ চৰকাৰৰ শিক্ষামন্ত্ৰীয়ে ছেবাৰ অধীনৰ প্ৰুভ্ৰজখন বিদ্যালয় চিবিএছইলৈ যাবলৈ সুবিধা দিয়ে। বিগত সৰ্বানন্দ সোণোৱালৰ শাসনকালত শিক্ষামন্ত্ৰীয়ে দীনদয়াল উপাধ্যায়ৰ নামত কলেজ, বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ উঠি-পৰি লাগিছিল। ৰাজ্যত তাৰ বিৰুদ্ধে প্ৰতিবাদ হৈছিল যদিও চাৰিখন নে পাঁচখন প্ৰতিষ্ঠা কৰাত সফল হয়।



অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰ জীয়াই থাকিলেহে জাতি আৰু ভাষা জীয়াই থাকিব। অসমৰ শিক্ষক, কৰ্মচাৰী, বিষয়াবৰ্গ আৰু মন্ত্ৰী-বিধায়কৰ সন্তানক ৰাজহুৱা খণ্ডৰ বিদ্যালয়ত পঢ়ুওৱাৰ কথা চিন্তা কৰাৰ সময় সমাগত। তেতিয়া বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু শিক্ষাদান উন্নত হ'ব বুলি ভাবো।

আমাৰ মাতৃভাষাৰ চৰকাৰী বিদ্যালয়ৰ পঁয়ালগা অৱস্থা আৰু আন্তঃগাঁথনি সুদৃঢ় কৰি গঢ় দিয়াৰ কথা চিন্তা কৰিব লাগিব। আধুনিক যুগৰ গঢ়ত বা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ লগত ফেৰ মাৰিব পৰাকৈ সুবিধাৰে গঢ় দিয়াৰ সময় সমাগত। নিম্নস্তৰৰ পৰা শিক্ষাদান ভাল নহ'লে ওপৰ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীয়ে ভাল ফলাফল দেখুওৱাত ব্যৰ্থ হয়। শিক্ষকৰ অভাৱ পূৰণ কৰি শিক্ষকসকলক চৰকাৰী কামত ব্যস্ত নাৰাখি শিক্ষাদান কৰিবলৈ সুবিধা দিব লাগিব। শিক্ষকসকলক উন্নত প্ৰশিক্ষণেৰে প্ৰশিক্ষিত কৰি গঢ়ি তুলিলে শিক্ষাদান উন্নত হ'ব। যি সকল শিক্ষকে শিক্ষাদানত গাফিলতি কৰে সেইসকলৰ ক্ষেত্ৰত চৰকাৰ কঠোৰ হ'ব লাগিব। শিক্ষকৰ নৈতিক চৰিত্ৰই শিক্ষাদানত প্ৰভাৱ পেলায়। শিক্ষা বিষয়াৰ পৰিদৰ্শন ব্যৱস্থা আৰু প্ৰধান শিক্ষকে শিক্ষকৰ প্ৰতি চকু দিয়া একান্ত প্ৰয়োজন। পৰাপক্ষত মধ্যাহ্ন ভোজনৰ সলনি আন ব্যৱস্থা কৰাই ভাল। মধ্যাহ্ন ভোজন বুলি চাউল অনা, খৰিপাত গোটোৱাৰ উপৰি কেতিয়াবা ৰন্ধাত ব্যস্ত থকা, চাউল কেলেংকাৰি আৰু পঁচা চাউল এনেবোৰ বিষয় আছেই। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ৰাজনৈতিক প্ৰভাৱ বা দলীয় প্ৰভাৱ থাকিব নালাগে।

অসমৰ ইংৰাজী মাধ্যমত পঢ়া কিমান ছাত্ৰ-ছাত্ৰীয়ে বাৰু সৰ্বভাৰতীয় পৰীক্ষাত কৃতিত্ব লভিছে বা প্ৰশাসনিক বিষয়া, আৰক্ষী,

**অসমীয়া মাধ্যমত নিজৰ সন্তানক পঢুৱাবলৈ এতিয়াই নাভাবিলে, অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি, বাতৰি কাকত, আলোচনী, গ্ৰন্থ, লেখা-মেলাবোৰ হেৰাই যাব**

বন বিষয়া হৈছে তাৰ শুদ্ধ আৰু সম্পূৰ্ণ তথ্য মজুত আছেনে? অসমৰ বহু উচ্চপদস্থ বিষয়া, বিজ্ঞানী, চিকিৎসক-অভিযন্তা আইনবিদ আদি অসমীয়া মাধ্যমতে পঢ়া।

চৰকাৰে মাতৃভাষা বিদ্যালয়ৰ প্ৰতি গুৰুত্ব দিলে শিক্ষাৰ মান যে উন্নত হ'ব সেয়া নিশ্চিত। তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ গণিত আৰু বিজ্ঞান ইংৰাজীত পাঠদানৰ সিদ্ধান্তত চৰকাৰ অটল থাকিলে লাহে লাহে অসমীয়া মাধ্যমৰ বিদ্যালয় লোপ পাবলৈ বেছিদিন নালাগিব। ভৱিষ্যতে ৰাজহুৱা খণ্ডত শিক্ষকতাৰ প্ৰতি আগ্ৰহ থকা যুৱক-যুৱতীৰ চাকৰিৰ বাট বন্ধ হ'ব। নিবনুৱাৰ সংখ্যাও বৃদ্ধি পাব।

অসমীয়া মাধ্যমত নিজৰ সন্তানক পঢুৱাবলৈ এতিয়াই নাভাবিলে, অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি, বাতৰি কাকত, আলোচনী, গ্ৰন্থ, লেখা-মেলাবোৰ হেৰাই যাব। অসমীয়া মাধ্যমৰ বিদ্যালয় হেৰাই যোৱা মানে জাতি, ভাষাও হেৰাই যাব। ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰ নাইকিয়া হ'লে দুখীয়া লোকৰ ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত উচ্চহাৰত মাচুল ভৰি নিজ সন্তানক পঢুৱাবলৈ অসমৰ্থ হ'ব আৰু বহু ল'ৰা-ছোৱালীৰ শিক্ষা আধৰুৱা হৈ ৰোৱাৰ আশংকাও নথকা নহয়। চৰকাৰে শিক্ষাবিদ তথা বিশেষজ্ঞসকলৰ স'তে মুকলি আলোচনাৰ মাজেৰে এই ক্ষেত্ৰত উচিত সিদ্ধান্ত গ্ৰহণ কৰা বাঞ্চনীয়, যাৰ জৰিয়তে অসমীয়াৰ ভাষাৰ মাধ্যমৰ বিদ্যালয়সমূহ শক্তিশালী হোৱাৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলেও উপযুক্ত শিক্ষাৰে নিজকে প্ৰস্তুত কৰি তুলিব পাৰে।

*ফোন: [illegible]*

## এগৰাকী গণিতৰ শিক্ষক হিচাপে মনৰ অনুভৱ

**ধ্ৰুৱজ্যোতি শইকীয়া**

**অসম** চৰকাৰৰ কেবিনেট সিদ্ধান্ত অনুসৰি তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে গণিত আৰু বিজ্ঞানৰ বিষয় ইংৰাজীত পাঠদান আৰু ষষ্ঠ শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যমৰ প্ৰবৰ্তনৰ সিদ্ধান্তৰ পাছতে ৰাজ্যজুৰি ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ হৈছে। বিভিন্ন দল- সংগঠন, বুদ্ধিজীৱী, শিক্ষাবিদে এই সিদ্ধান্তই অসমীয়া ভাষালৈ সংকট কঢ়িয়াই আনিব বুলি মতপোষণ কৰাৰ পৰিবৰ্তে একাংশই ইয়াক সমৰ্থন কৰিছে। বিশেষকৈ ইতিমধ্যে অসমীয়া মাধ্যমত পঢ়ি পৰৱৰ্তী সময়ত ইংৰাজী মাধ্যমত বিজ্ঞান শাখাত পঢ়া বহুকেইজন কৃতী ছাত্ৰ-ছাত্ৰীয়ে এই সিদ্ধান্তক সমৰ্থন কৰিছে। অসমৰ কে'বাজনো গণিতজ্ঞ, শিক্ষাবিদে কে'বাটাও পৰামৰ্শ চৰকাৰলৈ আগবঢ়াইছে। মোৰ মতে চৰকাৰৰ শিক্ষা বিভাগে গণিত আৰু বিজ্ঞানৰ বিষয়ৰ অসমৰ বিভিন্ন প্ৰান্তৰ শিক্ষকক লগত লৈ সিদ্ধান্তসমূহ লোৱা হ'লে সমালোচনা নহ'লহেঁতেন।

মই যোৱা ২২ বছৰ নৱম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক গণিত পঢ়ুৱাই আছো। মই পঢ়ুওৱা বহু অসমীয়া মাধ্যমত পাঠদান কৰা ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী সময়ত সফলতাৰে গণিত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে; কিন্তু কোনো এজনে বিদ্যালয়ত অসমীয়াত গণিত পঢ়া বাবে অসুবিধা হৈছে বুলি কোৱা নাই। তেওঁলোকৰ কিন্তু পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান আদি বিষয়ত ইংৰাজীত পাঠ গ্ৰহণ কৰোঁতে অসুবিধা হৈছিল। কাৰণ বহু শব্দ ইংৰাজীত নতুনকৈ শিকিবলগীয়া হৈছিল। মোৰ ধাৰণা মতে ইংৰাজী পাঠ্যপুথিৰ প্ৰবৰ্তন হ'লেই ছাত্ৰ ছাত্ৰীৰ লাভ হ'ব বুলি ভবাটো ভুল হ'ব। তাৰ বাবে প্ৰাথমিক পৰ্যায়ৰ পৰা ইংৰাজী ভাষা শিকোৱাত আৰু কোৱাত গুৰুত্ব দিলে পৰবৰ্তী সময়ত ইংৰাজীত পাঠদান কৰিলেও অসুবিধা নহ'ব। বৰ্তমান সময়ত বিদ্যালয়বোৰত যিদৰে ইংৰাজী বিষয়ৰ পাঠদান হয়, সেইদৰে বিজ্ঞান আৰু গণিতৰ পাঠদান হ'লে ছাত্ৰ-ছাত্ৰীৰ বোজা বাঢ়িব, কাৰণ, তেওঁলোকে বিষয়টো বুজিবও লাগিব আৰু লগে লগে ইংৰাজী শব্দবোৰো মুখস্থ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সহায় হোৱাকৈ কেইটামান বিশেষ পদক্ষেপ গ্ৰহণ কৰিব পাৰে। যেনে—

১) ইংৰাজী শব্দসমূহ সৰুৰে পৰা শিকিবৰ বাবে পাঠ্যপুথিবোৰ দ্বি-ভাষিক (ইংৰাজী আৰু অসমীয়া) কৰিব পাৰে। সেই ধৰণৰ পাঠ্যপুথিয়েও ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে বিষয় কেইটা ইংৰাজীত পাঠ গ্ৰহণ কৰাত সহায় কৰিব।

২) প্ৰাথমিক পৰ্যায়ৰ পৰাই ইংৰাজী ভালদৰে শিকাব পৰাকৈ উপযুক্ত পাঠ্যপুথি আৰু শিক্ষকসকলক বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

৩) বিদ্যালয়বোৰত spoken Englishৰ এটা বিষয় অন্তৰ্ভুক্ত কৰি ইংৰাজীত কথা পতাৰ পৰিবেশ গঢ়ি তুলিব পাৰে।

৪) ইংৰাজী মাধ্যমত পাঠ গ্ৰহণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাথমিক পৰ্যায়ৰ পৰাই এটা অঞ্চলত একোখন বিদ্যালয় নিৰ্দিষ্ট কৰি দিব পাৰে। প্ৰথম পৰ্যায়ত জিলা অনুসৰি ৫-১০ খন বিদ্যালয়ত পৰীক্ষামূলকভাৱে ষষ্ঠ শ্ৰেণীৰ পৰা ইংৰাজীত পাঠ গ্ৰহণৰ কৰাৰ কথা কৈছে সেইটো প্ৰথম শ্ৰেণীৰ পৰাই হ'ব লাগে; কাৰণ মাজত ধৰি ছাত্ৰ-ছাত্ৰীক ইংৰাজীত পাঠদান কৰিলে ছাত্ৰ-ছাত্ৰীসকলে অসুবিধা পোৱাটো স্বাভাৱিক।

৫) গণিত আৰু বিজ্ঞানৰ শিক্ষাৰ বাবে প্ৰতিখন বিদ্যালয়ত উপযুক্ত বিজ্ঞানাগাৰৰ ব্যৱস্থা কৰিব লাগে। লগতে ইতিমধ্যে চৰকাৰে ঘোষণা কৰা মতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে, যাতে বিষয় কেইটা পাঠদান কৰোঁতে অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাই ব্যৱহাৰ কৰে।

**ইংৰাজী মাধ্যমত পাঠ গ্ৰহণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাথমিক পৰ্যায়ৰ পৰাই এটা অঞ্চলত একোখন বিদ্যালয় নিৰ্দিষ্ট কৰি দিব পাৰে। প্ৰথম পৰ্যায়ত জিলা অনুসৰি ৫-১০ খন বিদ্যালয়ত পৰীক্ষামূলকভাৱে ষষ্ঠ শ্ৰেণীৰ পৰা ইংৰাজীত পাঠ গ্ৰহণৰ কৰাৰ কথা কৈছে সেইটো প্ৰথম শ্ৰেণীৰ পৰাই হ'ব লাগে**

৬) প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে অষ্টম শ্ৰেণীৰ পৰাই কিছুমান বিশেষ পাঠদানৰ ব্যৱস্থা কৰিব লাগে আৰু সপ্তাহত এটা শ্ৰেণী বিদ্যালয়ৰ ৰুটিনত অন্তৰ্ভুক্ত কৰিব লাগে।

ওপৰৰ বিষয় কেইটাত গুৰুত্ব দিলে অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ ইংৰাজীৰ প্ৰতি ভয় ভাৱটো কমিব আৰু ভৱিষ্যতে অসুবিধাৰ সন্মুখীন নহয়। ভৱিষ্যতে চৰকাৰৰ শিক্ষা বিভাগে যিকোনো বিষয়ত সিদ্ধান্তৰ আগতে বিদ্যালয়ত পাঠদান কৰি থকা শিক্ষক, বিশিষ্ট শিক্ষাবিদক লগত লৈ আলোচনাৰ মাজেৰে আগবাঢ়িলে নিশ্চয় সমালোচনাৰ সন্মুখীন নহ'ব।

*ফোন: ৯৪৩৫২৯২০২৭*

# জীৱন জীনাৰ যুদ্ধ

## দেহ-মন দুয়ো দুয়োটাৰে পৰিপূৰক, যিহেতু এটা সুস্থ দেহতহে এটা সুস্থ মনে বাস কৰে



**অৱলোকন**

**চাইৰা ইছলাম বড়া**

**জীৱনটো** বিচৰাৰ দৰেই সহজ নহয় যদিও ই সম্পূৰ্ণ ব্যক্তি বিশেষৰ দৃষ্টিভংগী আৰু মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰে। জীৱনৰ গতিপথত সফলতা-বিফলতা, ঘাত-প্ৰতিঘাত থাকিবই। সৰু সৰু কথাতে অযথা মন ভাৰাক্ৰান্ত নকৰি সন্মুখীন হোৱা সমস্যাবোৰ যোগাত্মক ধ্যান-ধাৰণাৰে সমাধান কৰি আমাৰ চৌপাশে যদি এটা সুস্থ বাতাবৰণ সৃষ্টি কৰি ল'ব পাৰো তেন্তে জীৱন নিশ্চয় সুখময় হৈ পৰিব। সময়ে বোঁৱতী নদীৰ দৰে শুভ দিনৰ মধুৰ স্মৃতিৰ লগতে অশুভ দিনৰ আৱৰ্জনাবোৰো বুকুত সামৰি নিৰ্দিষ্ট গতিত বৈ থাকে। জীৱনৰ দুঃসময়বোৰ শুভ সময়লৈ পৰিৱৰ্তিত হ'বলৈও বেছিপৰ নালাগে। সুখ-দুখ, ভুল-শুদ্ধৰ সমষ্টিৰ মাজতে জীৱনে গতি লয়, ভুলবোৰ শুধৰণি কৰি ভাললৈ পৰ্যবসিত কৰিব পৰাটোতেই জীৱশ্ৰেষ্ঠৰ গোপন ৰহস্য নিহিত হৈ থাকে। কেৱলমাত্ৰ মনুষ্য হৈ জন্ম ল'লেই নহ'ব, সময়ৰ প্ৰত্যাহ্বানক নেওচি জীৱনটো সুচাৰুভাৱে আগুৱাই নিব পৰা ক্ষমতাৰ মাপকাঠীয়েহে এজন ব্যক্তিৰ সঠিক পৰিচয় বহন কৰে। প্ৰত্যেকজন লোকৰেই কিবা নহয় কিবা এটা বিশেষ গুণ থাকে, প্ৰচেষ্টা বা পৰিশ্ৰম অবিহনে সুপ্ত প্ৰতিভাৰ কেতিয়াও বিকশিত নহয়। কৰ্মোদ্যমী লোকসকলে অযথা সময় অপব্যয় নকৰি প্ৰকৃত জ্ঞান আৰু অনুশীলনৰ দ্বাৰা অসাধ্যও সাধন কৰি নিজকে এজন সফল ব্যক্তিৰ ৰূপত প্ৰতিষ্ঠিত কৰি তুলিবলৈ সক্ষম হয়। প্ৰকৃতিৰ সকলো প্ৰাণীৰ ভিতৰত মানুহেই উচ্চাভিলাষী। কেতিয়াবা উচ্চাকাংক্ষা পূৰাবলৈ গৈ বক্ৰপথত ভৰি দি থকাখিনিও হেৰুৱাই সৰ্বস্বান্ত হ'বলগীয়া শোচনীয় অৱস্থা আহি পৰে। এনে ধৰণৰ অপকৰ্মবোৰেও মনত অশান্তিৰ বীজ সিঁচে। এই জগতত সকলো লোকৰ স'তে সম্পৰ্ক একে নহয়, বহু ক্ষেত্ৰত তেজৰ সম্পৰ্কীয়সকলতকৈ আন্তৰিক সম্পৰ্ক থকা লোকসকলৰ মাজতহে অধিক ঘনিষ্ঠতা গঢ় লৈ উঠে।

মানুহৰ জীৱনত শৰীৰটোৱেই হৈছে প্ৰকৃত সম্পদ। নিজক ভালে ৰখাটো অত্যন্ত জৰুৰী, দেহা থাকিলেহে বেহা। নিজে ভালে থাকিলেহে আনক ভালে ৰখা সম্ভৱ হৈ উঠিব। সুস্থ জীৱন যাপন কৰিবলৈ হ'লে এটা নিৰোগী শৰীৰৰ অধিকাৰী হ'বই লাগিব। দেহ-মন দুয়ো দুয়োটাৰে পৰিপূৰক, যিহেতু এটা সুস্থ দেহতহে এটা সুস্থ মনে বাস কৰে। জীৱন বাটত হতাশাক একাষৰীয়া কৰি থৈ যুজঁ দি আগুৱাই যোৱাৰ নামেই হ'ল জীৱন, হাৰি যোৱাৰ অৰ্থ জীৱন হ'ব নোৱাৰে। মানৰ জীৱনটোৱেই খন্তেকীয়া, কোন সময়ত এই ধৰা এৰি চিৰবিদায় ল'ব লাগিব তাৰ কোনো নিশ্চয়তা নাই। জীৱন বাটৰ খলা-বমাবোৰত সাহসেৰে খোজ দি উচিত চিন্তা-চৰ্চাৰে অতিক্ৰম কৰিব পাৰিলে উজুটি খোৱাৰ ভয় নাথাকে। যিকোনো পৰিস্থিতিতে অধিক উত্ৰাৱল নহৈ মনক নিয়ন্ত্ৰণ কৰি ৰাখিব পৰাটো নৈতিক সংস্কৃতিৰ সৰ্বোচ্চ স্বৰূপ। সময় সাপেক্ষে অধিক আনন্দত আত্মহাৰা নহৈ দুখৰ দিনতো নিজকে সংযত কৰি ৰখাটো অতীৱ প্ৰয়োজন। বলে নোৱাৰা কিছুমান সিদ্ধান্ত সময়ৰ ওপৰত এৰি দিয়াৰ বাদে মনুষ্যৰ হাতত একো উপায় নাথাকে। জীৱন বাটত আমি নিত্য নতুন ব্যক্তিৰ সান্নিধ্য লাভ কৰো, তাৰে মাজৰ কিছুমান বিশেষ ব্যক্তি আমাৰ জীৱনলৈ আশীৰ্বাদ হৈ আহে আৰু আন কিছুমান ব্যক্তি আহে অভিশাপ হৈ। এই দুয়ো ধৰণৰ লোকেই বহু মূল্যবান কথা শিকাই যোৱাৰ উপৰি নতুন নতুন অভিজ্ঞতাৰ দুৱাৰ খুলি দিয়ে। তাৰে মাজৰ বেয়াখিনি পৰিহাৰ কৰি ভালখিনি বাছনি কৰি ল'ব পৰাটোহে জ্ঞানী জনৰ কাম। জোৰ কৰি কোনেও আমাৰ মনৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। স্পৰ্শকাতৰ সময়বোৰত পৰিস্থিতি সাপেক্ষে নিজকে শক্তিশালী কৰি ৰাখিব পৰা জনেহে জীৱন যুঁজত জিকি যায়। অন্যথা জীয়াই থকাটোৱেই দুৰ্বিসহ হৈ পৰে। ত্যাগৰ বিনিময়ত পাৰস্পৰিক বুজাবুজিৰে শান্তি প্ৰতিষ্ঠা কৰিব পাৰি। ইতিবাচক চিন্তাৰ লোকসকলে হেজাৰ বাধা নেওচি প্ৰগতিৰ শিখৰত আৰোহণ কৰিব পাৰে। কিয়নো এই সকল লোকে জ্ঞানৰ প্ৰকৃত অনুশীলনৰ দ্বাৰা নিজৰ মন মগজুক নিয়ন্ত্ৰণ কৰি অধিক কাৰ্যক্ষমেৰে উচিত পথত আগুৱাই যায়। আজিৰ আচহুৱা পৰিবেশত গৰিষ্ঠসংখ্যক লোকৰ মাজত অৱসাদগ্ৰস্ততাই সহজতেই গা কৰি উঠে। সকলোৰে জীৱনত কম বেছি পৰিমাণে আপদ বিপদ থাকিবই। তাৰে কিছুমানে দুখবোৰ হাঁহিৰে ঢাকি ৰখাৰ পৰিবৰ্তে আন কোনোবাই বুকুত গধুৰ বোজা কঢ়িয়াই লৈ ফুৰে। অতি ব্যস্তবহুল বৰ্তমান যন্ত্ৰৱৎ সময়ৰ পাকচক্ৰত পৰি অৱসাদে অৱশ কৰি তোলা মনবোৰৰ মানসিক ভাৰসাম্যতা ধৰি ৰখাটোও যেন বহু ক্ষেত্ৰত কষ্টসাধ্য হৈ পৰে। বহু লোকে অন্তৰ্মুখী স্বভাৱৰ বাবে কথাৰে প্ৰকাশ কৰিব নোৱাৰা দুখৰ বোজাবোৰ বুকুত কঢ়িয়াই লৈ মানসিক অন্তৰ্দ্বন্দত ভোগাৰ বাবেও ডিপ্ৰেছনত আক্ৰান্ত লোকৰ পৰিসংখ্যা স্বাভাৱিকতে বৃদ্ধি



পাইছে। এনেদৰেই এদিন অতিৰিক্ত দুখৰ বহিঃপ্ৰকাশ হৈ বহুজনৰ জীৱনলৈ অন্ধকাৰ নামি আহে। অতিৰিক্ত জেদ, ক্ষোভ দুয়োটা ক্ষতিকাৰক। জীৱন বাটত সন্মুখীন হোৱা বিপদবোৰ জীৱন নাটৰ এটা এটা কঠিন পৰীক্ষা মাথো। এই পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ অপৰ্যাপ্ত মানসিক শক্তিৰ প্ৰয়োজন। ব্যক্তি বিশেষৰ জীৱনৰ সুখ-দুখ সম্পূৰ্ণৰূপে দৈনন্দিন কৰ্মপন্থাৰ ওপৰত নিৰ্ভৰ কৰে। অলাগতিয়াল কথাৰ লগতে অসহিষ্ণু স্বভাৱ পৰিহাৰ কৰি সাহস আৰু একাগ্ৰতাৰে এটা সুস্থিৰ মন লৈ শৃংখলাবদ্ধভাৱে জীৱন নিৰ্বাহ কৰিলে সুখ-শান্তিৰ বাটত কোনো অশুভ শক্তিয়ে বিধি-পথালি দিব নোৱাৰে। কাম শিকাৰ কোনো নিৰ্দিষ্ট বয়স নাথাকে, মন পছন্দৰ বিষয়ৰ ওপৰত উপযুক্ত জ্ঞান আহৰণ কৰি চৰ্চা কৰি গ'লে সফলতাৰ লগতে সন্তুষ্টিও পাব পাৰি। জীৱন বাটৰ সৰু-সৰু যেন লগা কামবোৰতে অপাৰ আনন্দ নিহিত হৈ থাকে। ভাল লগা কামৰ সঞ্চিত মৌকোঁহৰ পৰা ৰসাস্বাদন লাভ কৰিবলৈ এখন উদাৰ আৰু উদ্যমী হৃদয়ৰ প্ৰয়োজন। দৃষ্টিশক্তি শুদ্ধ হ'লে নিৰাশাৰ মাজতো আশাৰ সঞ্চাৰ হয়। সেই একেদৰেই অহংকাৰ আৰু ঘৃণা পৰিহাৰ কৰি সুখ-দুখৰ অনুভৱবোৰ বিশ্বাসী লোকৰ স'তে ভাগ-বটোৱাৰা কৰি এটি সুন্দৰ জীৱনৰ গৰাকী নিশ্চয় হ'ব পাৰি। সফলতা-ব্যৰ্থতা-প্ৰত্যাহ্বান জীৱনৰ চিৰসংগী, এইসমূহ একাষৰীয়াকৈ থৈ জীৱন সম্পূৰ্ণ নহয়। সেয়ে অনাকাংক্ষিত পৰিস্থিতিৰ মাজতো সাধ্যানুসৰি উত্তম দিশটো বাছনি কৰি লোৱাটো আমাৰ পৰিপক্কতাৰ ওপৰত নিৰ্ভৰ কৰে। সবল মনৰ লোকসকলক পৃথিৱীৰ কোনো শক্তিয়ে নিজৰ স্থিতিৰ পৰা বিচলিত কৰিব নোৱাৰে।

এনে ভাৱেও ক্ৰিয়া কৰে নিৰস সময়ৰ কৰাল গ্ৰাসত পৰি জীৱনৰ সুন্দৰতাখিনিৰ পৰা আমি যেন পুতৌজনকভাৱে বঞ্চিত হৈছো। কেৱলমাত্ৰ নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে গঢ় লৈ উঠা মানসিকতাই মনবোৰ কোঙা কৰি পেলাইছে। মই শব্দটোৱেই এটা অহংকাৰসূচক শব্দ, কিন্তু বহুক্ষেত্ৰত নজনাকৈয়ে আমিবোৰ যেন মই শব্দলৈ পৰিণত হৈছো। হতাশাৰ মাত্ৰা বৃদ্ধি হৈ নিতৌ ডিপ্ৰেছনৰ চিকাৰ হৈছে বহুজন। দৈহিক অসুখবোৰৰ দৰে ডিপ্ৰেছনো এটা মনৰ অসুখ। সেয়ে কোনো দ্বিধাবোধ নকৰি উপযুক্ত চিকিৎসকৰ পৰামৰ্শ ল'লে অতি শীঘ্ৰে আৰোগ্য লাভ কৰা যায়। মনৰ অশান্তি দূৰ কৰিবলৈ বন্ধু-বান্ধৱ প্ৰিয়জনৰ লগত নতুবা মনে মিলা আত্মীয়-স্বজনৰ লগত সময় অতিবাহিত কৰক, আপোনজনক মনৰ কথা খুলি কওক। মনোৰোগ বিশেষজ্ঞ, চিকিৎসকৰ পৰামৰ্শ মতে ঔষধ সেৱন, উপযুক্ত থেৰাপি, নিয়মিতভাৱে কৰা ব্যায়াম আদিৰ চৰ্চাই স্বাস্থ্যসন্মত জীৱনশৈলী যাপন কৰাত সহায়ক হয়। অনাকাংক্ষিত সময়ত হৈ যোৱা ভুলৰ পৰা পোৱা শিক্ষাইহে জীৱনটো পুৰি পুৰি সোণৰ দৰে উজ্জ্বল কৰি তোলে। ভুলৰ বাট অতিক্ৰম নকৰাকৈ কোনো সফল হ'ব নোৱাৰে। এটা উৎফুল্লিত মনৰ আনন্দৰ মাজত প্ৰাৰ্থনা, শক্তি, মৰম, ভালপোৱা সকলোৰে সন্ধান পোৱা যায়। হতাশাৰ মাজতো সুখৰ সন্ধান কৰিব পৰাজন প্ৰকৃত অৰ্থত এজন সুখী ব্যক্তি। দেহৰ বাহ্যিক সুন্দৰতাৰ লগতে মনৰ আভ্যন্তৰীণ সুন্দৰতাখিনিও স্বচ্ছ নিকা হোৱা উচিত, মনৰ দাপোণ কুৎসিত হ'লে সময়ত এদিন নিজকে হেৰুৱাই পেলোৱাৰ আশংকা থাকে। জীৱনৰ পৰিভাষা সকলোৰে বাবে পৃথক। বিফলতা কেতিয়াও জীৱনৰ লক্ষ্য হ'ব নোৱাৰে। জীৱন এবাৰেই আহে, মৰি মৰি জীয়াই থকাৰ নাম জীৱন হ'ব নোৱাৰে। উশাহ থকালৈকে হতাশাৰ পৰিধি ভেদি জীৱনৰ মাদকতা উপভোগ কৰি সফল হোৱাৰ মনোবৃত্তিৰে নামি পৰা যুদ্ধখনৰ নামেই হ'ল জীৱন।

*ফোন: ৯১০১৫১৭৮৪৭*

## এইবাৰ পঞ্জাৱী গায়ক জানীক হত্যাৰ ভাবুকি, বিচাৰিলে নিৰাপত্তা



**নিউজ ব্যুৰ', চণ্ডীগড়, ৩ আগষ্ট** ঃ পঞ্জাৱী গায়ক জানীয়ে হত্যাৰ ভাবুকি লাভ কৰিলে। সংগীত শিল্পীজনে ইতিমধ্যে আৰক্ষীক এই কথা অৱগত কৰি নিৰাপত্তা বিচাৰিছে। জানীয়ে পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, এডিজিপি (নিৰাপত্তা) আৰু ম'হালিৰ এছ এছ পিলৈ পত্ৰ লিখি অজ্ঞাত পৰিচয় লোকৰ পৰা ফোনযোগে হত্যাৰ ভাবুকি লাভ কৰা বুলি অৱগত কৰি নিৰাপত্তা প্ৰদান কৰিবলৈ অনুৰোধ জনাইছে। পঞ্জাৱী সংগীত জগতত জানী এজন জনপ্ৰিয় শিল্পী হিচাপে পৰিচিত। উল্লেখ্য যে কিছুদিন পূৰ্বে পঞ্জাৱৰ আন এজন জনপ্ৰিয় সংগীত শিল্পী সিদ্ধু মুছেৱালাক গেংষ্টাৰে গুলীয়াই হত্যা কৰিছিল।

## এইবাৰ পুটিনৰ বান্ধৱীৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ আমেৰিকাৰ



নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩ আগষ্ট ঃ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ ঘনিষ্ঠ বান্ধৱী হিচাপে পৰিচিত এলিনা কাবায়েভাৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰিলে আমেৰিকাই। এলিনাৰ লগতে পুটিনৰ ঘনিষ্ঠ সহযোগী ধনকুবেৰ আন্দ্ৰেই গ্ৰিগৰিয়েভিচ গুৰিয়েভসহ আন কে'বাজনো ৰুছ নাগৰিকৰ বিৰুদ্ধে মঙলবাৰে নিষেধাজ্ঞা আৰোপৰ কথা ঘোষণা কৰিলে ৱাশ্বিংটনে। ইউক্ৰেইনত ৰাছিয়াই অব্যাহত ৰখা যুদ্ধৰ পৰিপ্ৰেক্ষিততে আমেৰিকাই এই নিষেধাজ্ঞা আৰোপ কৰা বুলি জানিবলৈ দিয়ে। এলিনা পুটিনৰ তথাকথিত প্ৰেমিকা হিচাপে পৰিচিত হোৱাৰ লগতে এগৰাকী প্ৰাক্তন অলিম্পিয়ান জিমনাষ্ট খেলুৱৈ। এলিনাৰ আমেৰিকাত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিলে ৱাশ্বিংটনে।

## পেল'চিৰ ভ্ৰমণৰ সময়তে টাইৱানৰ আকাশত মুক্ত বিচৰণ চীনা যুঁজাৰু বিমানৰ



**নিউজ ব্যুৰ', টাইপে, ৩ আগষ্ট** ঃ চীনৰ সকীয়নি উপেক্ষা কৰি টাইৱানত আমেৰিকাৰ কংগ্ৰেছৰ নিম্ন সদনৰ অধ্যক্ষ নেন্সি পেল'চিয়ে উপস্থিত হোৱাৰ সময়তে আকৌ এবাৰ টাইৱানৰ আকাশমাৰ্গত অনুপ্ৰৱেশ কৰিলে চীনৰ যুঁজাৰু বিমানে। মঙলবাৰৰ নিশা নিৰ্ধাৰিত সময়ৰ পূৰ্বে টাইপেত উপস্থিত হৈছিল পেল'চিয়ে। তেনে সময়তে টাইৱানৰ আকাশত বিচৰণ কৰিছিল চীনৰ যুঁজাৰু বিমানে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, টাইৱানৰ আকাশত ২০ খনকৈ চীনা যুঁজাৰু বিমানে অনুপ্ৰৱেশ কৰিছিল। আমেৰিকাক সকীয়নি দিবলৈ বেইজিঙে এই পদক্ষেপ গ্ৰহণ কৰা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে চীনে টাইৱান নিজৰ দেশৰে অংগ বুলি দাবী কৰি আহিছে আৰু সময়ে সময়ে চীনা যুঁজাৰু বিমানে টাইৱানৰ আকাশমাৰ্গত এইদৰে অনুপ্ৰৱেশ কৰি আহিছে।

## নেপাল-বাংলাদেশ সীমান্তত ৩২ শতাংশ বৃদ্ধি মুছলমান জনসংখ্যা



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ আগষ্ট** ঃ উত্তৰ প্ৰদেশ আৰু অসমৰে সংলগ্ন আন্তৰ্জাতিক সীমান্তত অৱস্থিত জিলাত বিগত ১০ বছৰত জনগাঁথনি যথেষ্ট সলনি হ'ল। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে লাভ কৰা তথ্য অনুসৰি, সীমান্তৰ সংলগ্ন জিলাত মুছলমানৰ জনসংখ্যা ২০২১ বৰ্ষৰ তুলনাত সম্প্ৰতি ৩২ শতাংশ বৃদ্ধি পালে। এই সময়ছোৱাত ভাৰতত মুছলমানৰ জনসংখ্যা ১০ৰ পৰা ১৫ শতাংশ বৃদ্ধি পালে। গৃহ মন্ত্ৰণালয়ৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, নেপাল-বাংলাদেশ সীমান্তৰ জিলাত বিগত এক দশকত মুছলমান জনসংখ্যা ৩২ শতাংশ বৃদ্ধি পালে।

## কেন্দ্ৰীয় চৰকাৰে ভাৰতত ৩৪৮ ম'বাইল এপ নিষিদ্ধ কৰিলে



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ আগষ্ট** ঃ কেন্দ্ৰৰ চৰকাৰে প্ৰকাশ কৰা অনুসৰি চীন আৰু অন্যান্য দেশত প্ৰস্তুত কৰা ৩৪৮টা ম'বাইল এপ ভাৰতত নিষিদ্ধ কৰা হ'ল। উত্থাপিত অভিযোগ অনুসৰি, চীন আৰু অন্যান্য দেশত বিকশিত এনেবোৰ ম'বাইল এপে ব্যৱহাৰকাৰীৰ বিভিন্ন তথ্যপাতি সংগ্ৰহ কৰি দেশৰ বাহিৰত থকা ছাৰ্ভাৰলৈ অবৈধভাৱে তথ্য সৰবৰাহ কৰিছিল। চোৰাংচোৰাই এই তথ্য লাভ কৰাৰ পাছত সংশ্লিষ্ট বিভাগক অৱগত কৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰে এনে ৩৪৮ টা ম'বাইল এপ চিনাক্ত কৰি সেইসমূহ ভাৰতত নিষিদ্ধ কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ভাৰতৰ পৰা ম'বাইল ব্যৱহাৰকাৰীৰ তথ্যপাতি গোপনে আহৰণ কৰা ৩৪৮টা এপ ইতিমধ্যে ব্লক কৰি দিছে।

## দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা ১৭ হেজাৰলৈ বৃদ্ধি, বাঢ়িল মৃত্যুও




**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ আগষ্ট ঃ একেৰাহে তিনিদিন ধৰি ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ হ্ৰাস পাইছিল যদিও যোৱা ২৪ ঘণ্টাত আক্ৰান্তৰ সংখ্যা ১৭,১৩৫ জনলৈ বৃদ্ধি পালে। উল্লেখ্য যে মঙলবাৰে আক্ৰান্তৰ সংখ্যা আছিল ১৩,৭৩৪ জন। বিগত এদিনত মহাৰাষ্ট্ৰত ১৮৮৬, কৰ্ণাটকত ১৭৩৬, দিল্লীত ১৫০৬, তামিলনাডুত ১৩০২ আৰু কেৰালাত ১০৫৭ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ৪৭ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। কেৰালাত ১২ জন, মহাৰাষ্ট্ৰ আৰু ৰাজস্থানত পাঁচজন, পশ্চিমবংগত চাৰিজন, দিল্লী, চত্তিছগড় আৰু উত্তৰাখণ্ডত তিনিজন, পঞ্জাৱ, হিমাচল প্ৰদেশ, মণিপুৰত দুজন আৰু জম্মু-কাশ্মীৰ, চণ্ডীগড়, পুডুচেৰী, হাৰিয়ানা, ওড়িছা আৰু উত্তৰ প্ৰদেশত এজনকৈ ৰোগীৰ মৃত্যু হ'ল।**

## এন এইচ এ আয়ে আগন্তুক তিনি বছৰত দেশত ২৬ টা সেউজ এক্সপ্ৰেছৱে নিৰ্মাণ কৰিব

# মোদীৰ নেতৃত্বত ২০২৪ৰ পূৰ্বে ভাৰতৰ ৰাজপথৰ আন্তঃগাঁথনি আমেৰিকাৰ দৰে হ'ব ঃ ঘোষণা গাডকাৰীৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ আগষ্ট** ঃ কেন্দ্ৰীয় পথ আৰু পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি ৰাজ্যসভাত কয় যে চৰকাৰে আগন্তুক তিনি বছৰত দেশত ২৬ টা সেউজ এক্সপ্ৰেছৱে নিৰ্মাণ কৰিব আৰু ২০২৪ বৰ্ষলৈকে ভাৰতৰ ৰাজপথৰ আন্তঃগাঁথনি আমেৰিকাৰ দৰে উন্নত মানৰ



হ'ব। উচ্চ সদনত প্ৰশ্নোত্তৰ কালত উত্থাপিত এক প্ৰশ্নৰ উত্তৰ দি গাডকাৰীয়ে কয় যে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (এন এইচ এ আই)ৰ হাতত ধনৰ কোনো অভাৱ ঘটা নাই আৰু এই প্ৰতিষ্ঠানে 'এ এ' ৰেটিং লাভ কৰাৰ লগতে আৰ্থিকভাৱে যথেষ্ট শক্তিশালী স্থিতিত আছে। এন এইচ এ আয়ে ভাৰতত বছৰি পাঁচ লাখ কিলোমিটাৰ পথ নিৰ্মাণ কৰিবলৈ সক্ষম বুলি মন্ত্ৰীজনে সংসদত তথ্য দাখিল কৰি কয়, 'আগন্তুক তিনি বৰ্ষত আমি ২৬ সেউজ এক্সপ্ৰেছৱে নিৰ্মাণ কৰিম। ইয়াৰ ফলত দিল্লীৰ পৰা ডেৰাডুন, হৰিদ্বাৰ, জয়পুৰলৈ মাত্ৰ দুঘণ্টাৰ ভিতৰতে যাত্ৰা কৰিব পাৰিব। একেদৰে দিল্লীৰ পৰা চণ্ডীগড়লৈ আঢ়ৈ ঘণ্টা, অমৃতসৰলৈ চাৰি ঘণ্টা, কটৰালৈ ছঘণ্টা, শ্ৰীনগৰলৈ আঠ ঘণ্টা, মুম্বাইলৈ ১২ ঘণ্টাৰ পথৰে যাত্ৰা কৰা সম্ভৱ হ'ব। চেন্নাইৰ পৰা বাংগালুৰুলৈ পথযাত্ৰাৰ ক্ষেত্ৰত প্ৰয়োজন হ'ব মাত্ৰ দুঘণ্টাৰ। ২০২৪ বৰ্ষৰ পূৰ্বে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতৰ ৰাজপথৰ আন্তঃগাঁথনি আমেৰিকাৰ দৰে হ'ব। মই প্ৰতিশ্ৰুতি দিলো।'



## অন্ধ্ৰ প্ৰদেশত কাৰখানাত বিষাক্ত গেছ নিৰ্গত হোৱাত ৯৫জন লোক হ'ল অসুস্থ

**নিউজ ব্যুৰ' অচ্যুতপুৰম, ৩ আগষ্ট** ঃ অন্ধ্ৰ প্ৰদেশৰ অচ্যুতপুৰমত এটা বীজ কোম্পানীৰ কাৰখানাত বিষাক্ত গেছ নিৰ্গত হোৱা ঘটনাত কমেও ৯৫ জন লোক অসুস্থ হৈ চিকিৎসাধীন হ'ল। প্ৰকাশিত বাতৰি অনুসৰি, কাৰখানাৰ বিষাক্ত গেছ নিৰ্গত হোৱাত কমেও ১২১ জন লোক অসুস্থ হয়। ইয়াৰে ৯৫ জনক সম্প্ৰতি চিকিৎসালয়ত ৰখা হৈছে। ঘটনাৰ সন্দৰ্ভত স্থানীয় প্ৰশাসনে ইতিমধ্যে তদন্তৰ নিৰ্দেশ দিছে। আক্ৰান্তসকলৰ সৰহসংখ্যকে হৈছে মহিলা।

## দেশত মংকীপক্সৰ আতংক, নিৰ্দেশনা জাৰি কেন্দ্ৰৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ আগষ্ট** ঃ কৰ'নাৰ সংক্ৰমণ অব্যাহত থকাৰ মাজতে ভাৰতত মংকীপক্সৰ সংক্ৰমণ বৃদ্ধিয়ে নতুন আতংকৰ সৃষ্টি কৰিছে। আফ্ৰিকাৰ পৰা ইতিমধ্যে ভাৰতলৈ সংক্ৰমিত হোৱা এই ভাইৰাছত বৰ্তমানলৈকে দেশত আঠজন লোক সংক্ৰমিত হৈছে। আক্ৰান্তসকলৰ পাঁচজন কেৰালাৰ আৰু তিনিজন দিল্লীৰ। কেৰালা চৰকাৰে এজন মংকীপক্স আক্ৰান্তৰ মৃত্যু হোৱাৰ তথ্যও ইতিমধ্যে নিশ্চিত কৰিছে। সাধাৰণ ৰাইজক সতৰ্ক কৰিবলৈ আজি মংকীপক্সৰ সন্দৰ্ভত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে নীতি-নিৰ্দেশনা জাৰি কৰিলে। এই নিৰ্দেশনাত



উল্লেখ কৰা অনুসৰি আক্ৰান্ত ব্যক্তিক ততালিকে নিভৃতবাসলৈ প্ৰেৰণ কৰা জৰুৰী। হেণ্ড ছেনিটাইজাৰৰে হাত সঘনে ধোৱাৰ লগতে নিজৰ আশে পাশেৰ পৰিৱেশ পৰিষ্কাৰ ৰাখিবলৈ জীৱাণুনাশক স্প্ৰে ব্যৱহাৰ কৰক। আক্ৰান্তৰ কাষলৈ যোৱাৰ প্ৰয়োজন হ'লে মুখত মাস্ক আৰু হাতত এবাৰ ব্যৱহাৰযোগ্য গ্লাভছ পৰিধান কৰক। আক্ৰান্তৰ সংস্পৰ্শ, সাজ-পোছাক, বাচন, টাৱেল আদি স্পৰ্শ নকৰিব। মংকীপক্সৰ উপসৰ্গ থাকিলে ঘৰৰ বাহিৰলৈ নাযাব। তদুপৰি আক্ৰান্ত ব্যক্তিৰ প্ৰতি অশিষ্ট আচৰণ প্ৰদৰ্শন নকৰিব বুলি স্বাস্থ্য মন্ত্ৰণালয়ে পৰামৰ্শ দিছে।

## চীনত শিশুৰ বিদ্যালয়ত দুৰ্বৃত্তৰ ছুৰী আক্ৰমণত তিনিজনৰ মৃত্যু



**নিউজ ব্যুৰ', জিয়ানক্সী, ৩ আগষ্ট ঃ দক্ষিণ- পূব চীনৰ জিয়ানক্সী প্ৰদেশত থকা এখন কিণ্ডাৰ গাৰ্টেন বিদ্যালয়ত এজন অজ্ঞাত পৰিচয়ৰ লোকে ছুৰীৰে চলোৱা আক্ৰমণৰ ঘটনাত তিনিজন লোকৰ মৃত্যু হ'ল। ছুৰিকাঘাতত ছজন লোক আহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, প্ৰায় ৫০ বছৰ বয়সীয়া এজন ব্যক্তিয়ে মাস্ক আৰু টুপী পৰিধান কৰি বিদ্যালয়ৰ চৌহদত প্ৰৱেশ কৰিছিল আৰু ইয়াৰ পাছতে তেওঁ কে'বাজনো লোকক ছুৰীৰে আঘাত হানিছিল। ঘটনা সংঘটিত কৰিয়ে আক্ৰমণকাৰীয়ে পলায়ন কৰিছিল। দুৰ্বৃত্তৰ আক্ৰমণত তিনিজন লোকৰ ঘটনাস্থলীতে মৃত্যু হ'ল।**



## পাকিস্তানত পলিঅ'ৰ ত্ৰাস অব্যাহত, সাত চহৰত বীজাণুৰ সন্ধান

**নিউজ ব্যুৰ', ইছলামাবাদ, ৩ আগষ্ট ঃ পাকিস্তানত শেহতীয়াভাৱে পলিঅ'ৰ সংক্ৰমণ বৃদ্ধি পাইছে। বৰ্তমানলৈকে দেশখনৰ বিভিন্ন প্ৰদেশৰ সাতখন চহৰত পলিঅ' আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হৈছে। পেছোৱাৰ, বন্নু, নৌচেৰা আৰু স্বাত প্ৰদেশত নলা-নৰ্দমাৰ পানীৰ নমুনা সংগ্ৰহ কৰাত পলিঅ'ৰ বীজাণুৰ উপস্থিতি ধৰা পৰিছিল। শেহতীয়াভাৱে খাইবাৰ পখটুনখাৱাৰ চাৰি চহৰত পলিঅ'ৰ বীজাণুৰ উপস্থিতি নিশ্চিত কৰা হ'ল। স্বাস্থ্য বিভাগৰ বিষয়াই প্ৰকাশ কৰা অনুসৰি, উত্তৰ বজিৰিস্তানত ১৩ জন আৰু লকি মাখাত অঞ্চলত এজন পলিঅ' আক্ৰান্তক চিনাক্ত কৰা হৈছে। ইছলামাবাদ আৰু ৰাৱলপিণ্ডিতো পলিঅ'ৰ বীজাণুৰ উপস্থিতি ইতিমধ্যে ধৰা পৰিছে।**

## চক্ৰান্ত চলিছে ঃ চিকিৎসালয়ৰ পৰা ওলাই ক'লে অৰ্পিতাই, নীৰৱ পাৰ্থ

**নিউজ ব্যুৰ', কলকাতা, ৩ আগষ্ট** ঃ আদালতত দাখিল কৰাৰ পূৰ্বে স্বাস্থ্য পৰীক্ষাৰ বাবে ই এছ আই চিকিৎসালয়লৈ নিয়াৰ সময়তে আকৌ এবাৰ সংবাদ মাধ্যমৰ আগত মুখ খুলিলে শিক্ষক নিযুক্তি কেলেংকাৰিত তৃণমূল কংগ্ৰেছৰ পৰা নিলম্বিত হোৱা নেতা পাৰ্থ চেটাৰ্জীৰ ঘনিষ্ঠ অৰ্পিতা মুখাৰ্জীয়ে। আজি চিকিৎসালয়ৰ পৰা ওলাই অহাৰ সময়ত অৰ্পিতাই তেওঁৰ বিৰুদ্ধে চক্ৰান্ত চলোৱা বুলি দাবী কৰে। উল্লেখ্য যে শিক্ষক নিযুক্তি কেলেংকাৰিৰ তদন্ত চলাই প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ অলপতে প্ৰাক্তন মন্ত্ৰী পাৰ্থ চেটাৰ্জীক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে পাৰ্থৰ ঘনিষ্ঠ অভিনেত্ৰী-ম'ডেল অৰ্পিতাক গ্ৰেপ্তাৰ কৰিছিল। কিছুদিন পূৰ্বে অৰ্পিতাৰ দুটাকৈ বাসগৃহত তালাচী চলাই ই ডিয়ে ৫০ কোটি টকাৰ নগদ ধন আৰু ছয় কিলো সোণ জব্দ কৰিছিল। আজি ই ডিয়ে আদালতত অৰ্পিতা আৰু পাৰ্থক দাখিল কৰাৰ পূৰ্বে ই এছ আই চিকিৎসালয়লৈ স্বাস্থ্য পৰীক্ষাৰ বাবে নিছিল। চিকিৎসালয়ৰ পৰা ওলাই অহাৰ সময়ত সাংবাদিকক উদ্দেশি অৰ্পিতাই কয়, 'চক্ৰান্ত চলিছে।' অৱশ্যে কোনো আৰু কিয় চক্ৰান্ত চলাইছে সেই সন্দৰ্ভত অৰ্পিতাই কোনো মন্তব্য প্ৰকাশ নকৰিলে। অৰ্পিতাৰ স'তে পাৰ্থকো স্বাস্থ্য পৰীক্ষা কৰোৱা হৈছিল যদিও তৃণমূল কংগ্ৰেছৰ নিলম্বিত নেতাজনে সাংবাদিকৰ আগত কোনো মন্তব্য প্ৰকাশ নকৰিলে।



## জনসংখ্যা হ্ৰাসক লৈ উদ্বিগ্ন চীন, তিনি সন্তানৰ অভিভাৱকক বিশেষ সুবিধা প্ৰদান

**নিউজ ব্যুৰ', বেইজিং, ৩ আগষ্ট** ঃ বিশ্বৰ ভিতৰতে সৰ্বাধিক জনসংখ্যাৰ দেশ চীন সম্প্ৰতি চিন্তিত হৈছে জনসংখ্যা হ্ৰাসক লৈ। চীন চৰকাৰে 'এক সন্তান' নীতি প্ৰত্যাহাৰ কৰাৰ পাছতো দেশখনত যুৱ নাগৰিকৰ তুলনাত বৃদ্ধ নাগৰিকৰ সংখ্যা বৃদ্ধি অব্যাহত আছে। জন্মৰ হাৰ হ্ৰাস পোৱাৰ ফলত চীনত একাধিক সমস্যাই দেখা দিছে আৰু ভৱিষ্যতে দেশখনত নতুন সমস্যাই দেখা দিয়াৰ শংকা প্ৰকট হৈছে। সেয়েহে উদ্বিগ্ন চীন চৰকাৰে জনসংখ্যা বৃদ্ধিৰ বাবে নতুন নতুন কৌশল অৱলম্বন কৰিছে। দলাচলতে আজিৰ পৰা ১০-১৫ বছৰ পূৰ্বে চীন চৰকাৰৰ সন্মুখত দেশৰ বৰ্ধিত জনসংখ্যা এক সমস্যা আছিল।



চৰকাৰে জনসংখ্যা বৃদ্ধি হ্ৰাসৰ বাবে কঠোৰ আইন প্ৰৱৰ্তনৰে দেশত এক সন্তান নীতি প্ৰৱৰ্তন কৰিছিল। এই নীতি প্ৰৱৰ্তনৰ ফলত চীনৰ জনসংখ্যা যথেষ্ট নিয়ন্ত্ৰিত হ'ল যদিও একে সময়তে একাধিক সমস্যাৰো সৃষ্টি হ'ল। কিয়নো এফালে দেশখনত সন্তানৰ জন্মৰ হাৰ হ্ৰাস পালে আৰু যুৱ প্ৰজন্মৰ তুলনাত চীনত বৃদ্ধ নাগৰিকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। জন্মৰ হাৰ দ্ৰুত হ্ৰাসৰ প্ৰতি লক্ষ্য ৰাখি ২০১৬ বৰ্ষত চীনে এক সন্তান নীতি প্ৰত্যাহাৰ কৰিছিল। কিন্তু এই পদক্ষেপ পাছতো দেশত যুৱ প্ৰজন্মৰ সংখ্যা বৃদ্ধি নহ'ল। ইয়াৰ পাছত চীন চৰকাৰে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছিল। ইয়াৰ জৰিয়তে যোৱা বছৰত চীন চৰকাৰে দেশবাসীক তিনিটালৈকে সন্তান জন্মৰ অনুমতি দিছিল। কিন্তু ইয়াৰ পাছতো বিগত এবছৰত চীনত জন্মৰ হাৰ বিশেষ সলনি হোৱা নাই। জনসংখ্যা হ্ৰাসৰ সমস্যা আঁতৰ কৰিবলৈ চীনৰ হাংগঝ' প্ৰদেশৰ প্ৰশাসনে শেহতীয়াভাৱে এক আঁচনি প্ৰৱৰ্তন কৰিছে। এই আঁচনিৰ অধীনত উক্ত প্ৰদেশৰ তিনিটা সন্তানৰ অভিভাৱকসকলে প্ৰথমবাৰ আৱাস ভৱিষ্যৎনিধি ঋণৰ বাবে আবেদন কৰিলে তেওঁলোকক অতিৰিক্ত ২০ শতাংশলৈকে ধন ঋণ হিচাপে প্ৰদান কৰা হ'ব। চীনৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, নানচাংগ আৰু চাংগচা চহৰতো প্ৰশাসনে একাধিক আঁচনি গ্ৰহণৰে চীনা দম্পতিক তিনিটা সন্তান জন্ম দিবলৈ উৎসাহিত কৰিছে। চীনৰ স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি শেহতীয়াভাৱে দেশখনৰ প্ৰজনন হাৰ ১.৩ শতাংশলৈ হ্ৰাস পাইছে আৰু ২০৩৫ বৰ্ষলৈকে চীনৰ ৬০ শতাংশ নাগৰিকৰ বয়স ৩০ বছৰতকৈ অধিক হোৱাৰ সম্ভাৱনা আছে।

## বিগত সাত মাহত আটা ১২, বনস্পতি ১১ শতাংশ, চিলিণ্ডাৰ ১০৩ টকা মহঙা হ'ল

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ আগষ্ট** ঃ চৰকাৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ যিমানে পদক্ষেপ গ্ৰহণ নকৰক কিয়, ভাৰতত ধাৰাবাহিক মূল্যবৃদ্ধিত সাধাৰণ নাগৰিক ভাৰাক্ৰান্ত হৈছে। চলিত বৰ্ষত আটা, খাদ্য তেলৰ পৰা আৰম্ভ কৰি গাখীৰলৈকে সকলোবোৰ মহঙা হ'ল। একে সময়তে ৰন্ধন গেছৰ চিলিণ্ডাৰৰ



মূল্যও বহু বৃদ্ধি পালে। উপভোক্তা পৰিক্ৰমা বিভাগৰ তথ্য অনুসৰি চলিত বৰ্ষত বৰ্তমানলৈকে আটাৰ মূল্য ১১ শতাংশতকৈ অধিক বৃদ্ধি পালে। চলিত বৰ্ষৰ আৰম্ভণিতে দেশত ঘেঁহুৰ আটাৰ প্ৰতি কিলোৰ মূল্য আছিল ৩০.৯৮ টকা আৰু দুই আগষ্টত এই মূল্য ৩৪.৬৯ টকালৈ বৃদ্ধি পালে। জানুৱাৰীত প্ৰতি লিটাৰ চয়াবিন তেলৰ মূল্য ১৪৮.৫৯ টকা আছিল আৰু বৰ্তমানে ১৫৮.০৬ টকা হ'ল। অৰ্থাৎ চয়াবিন তেলৰ মূল্য ছয় শতাংশ বৃদ্ধি পালে। দিল্লীত পহিলা জানুৱাৰীত ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৯৪৯.৫০ টকা আছিল আৰু বৰ্তমানৰ মূল্য হৈছে ১,০৫৩ টকা। অৰ্থাৎ দেশত সাতমাহত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ১০৩.৫০ টকা বৃদ্ধি পালে। একেদৰে যোৱা সাত মাহত দেশত বনস্পতি তেলৰ মূল্য ১১ শতাংশ বৃদ্ধি পালে।

## আমি শিৱসেনা ত্যাগ কৰা নাই, নেতাহে সলনি কৰিব বিচাৰিছো, ন্যায়ালয়ত ক'লে একনাথে

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ আগষ্ট** ঃ শিৱসেনাক লৈ উত্থাপিত দাবীৰ গোচৰৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত আজি শুনানি গ্ৰহণৰ সময়ত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ শিণ্ডেৰ গোটে কয় যে তেওঁলোকে দলত্যাগ কৰা নাই। শিণ্ডে গোটৰ অধিবক্তা হৰিশ ছালভেয়ে দাবী কৰি কয় যে এই গোচৰত দলত্যাগ বিৰোধী আইন প্ৰযোজ্য নহয়। অধিবক্তাজনে লগতে কয় যে যেতিয়া কোনো বিধায়ক বা সাংসদে এটা দল ত্যাগ কৰি আন দলত যোগদান কৰে, তেতিয়াহে দলত্যাগ বিৰোধী আইন প্ৰযোজ্য হয়। শিণ্ডে গোটৰ বিধায়কসকল কেৱল দলৰ নেতৃত্বৰ প্ৰতি অসন্তুষ্ট আছিল আৰু সেয়েহে পৃথক গোট হিচাপে তেওঁলোকে দলৰ সংখ্যাগৰিষ্ঠ বিধায়কৰ সমৰ্থন নিজৰ প্ৰতি থকা বুলি দাবী কৰিছে। ছালভেয়ে কয়, 'সাংসদ আৰু বিধায়কৰ সৰ্বাধিক সমৰ্থন একনাথ শিণ্ডে গোটৰ লগত



আছে। শিণ্ডে গোটৰ বিধায়ক আৰু সাংসদে দলত্যাগ কৰা নাই, তেওঁলোকে কেৱল দলৰ নেতৃত্বৰ পৰিৱৰ্তন বিচাৰিছে। তেওঁলোকৰ বিৰুদ্ধে দলত্যাগ বিৰোধী আইন প্ৰযোজ্য নহয়।' ইফালে, উদ্ধৱ থাকৰে শিবিৰৰ অধিবক্তা কপিল শিবালে কয় যে বিসম্বাদী বিধায়ককেইজনে শিৱসেনাৰ নেতৃত্বৰ দাবী কৰিব নোৱাৰে। এতিয়াও দলৰ এক-তৃতীয়াংশ বিধায়কৰ সমৰ্থন থাকৰেৰ প্ৰতি থকা বুলিও অধিবক্তাজনে দাবী কৰে।

## ফে'চবুকৰ বিতৰ্কিত প'ষ্টৰ পাছতে বাংলাদেশত অব্যাহত হিন্দুবিৰোধী আক্ৰমণ

**নিউজ ব্যুৰ', ঢাকা, ৩ আগষ্ট ঃ ২০২১ বৰ্ষৰ অক্টোবৰত বাংলাদেশৰ একাধিক জিলাত সংখ্যালঘু হিন্দুসকলক আক্ৰমণ কৰাৰ ঘটনা সংঘটিত হোৱাৰ পাছৰে পৰা দেশখনৰ**




**বিভিন্ন অঞ্চলত হিন্দু বিৰোধী আক্ৰমণ অব্যাহত আছে। বিগত দুৰ্গা পূজাৰ সময়ত হোৱা এনে আক্ৰমণৰ ঘটনাত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে আন কে'বাজনো লোক আহত হৈছিল। ইয়াৰ পাছত প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাত পৰিস্থিতি স্বাভাৱিক হৈছিল যদিও শেহতীয়াভাৱে বাংলাদেশত পুনৰ হিন্দুসকল আক্ৰমণৰ বলি হৈছে। দুসপ্তাহ পূৰ্বে ফে'চবুকত এক বিতৰ্কিত প'ষ্ট প্ৰচাৰিত হোৱাৰ পাছত বাংলাদেশত হিন্দুসকল পুনৰ নিৰাপত্তাহীনতাত ভুগিছে। ফে'চবুকৰ বিতৰ্কিত প'ষ্টৰ পৰিপ্ৰেক্ষিতত একাংশ লোকে হিন্দুৰ বাসগৃহ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত প্ৰৱেশ কৰি মাৰধৰ কৰাৰ লগতে ধন-সম্পত্তি লুট কৰি নিছে। শেহতীয়াভাৱে মৌলবাদীয়ে এজন হিন্দু শিক্ষকক আক্ৰমণ কৰিলে। চৰমপন্থীৰ এনে আক্ৰমণৰ ঘটনাত শংকিত হোৱা বাংলাদেশী হিন্দুসকলে এতিয়া নিৰাপত্তা বিচাৰি ৰাজপথত বিক্ষোভ প্ৰদৰ্শন কৰিছে। ৰাজধানী ঢাকাত বিগত কে'বাদিন ধৰি সংখ্যালঘুৱে প্ৰতিবাদ অব্যাহত ৰাখিছে।**

## ৫ জি সেৱা প্ৰৱৰ্তনৰ পাছত অচল হ'ব নেকি ৪ জি ফোনটো ?




**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ আগষ্ট ঃ দুবছৰ ধৰি পৰীক্ষামূলক প্ৰস্তুতিৰ পাছত ভাৰতত অৱশেষত ৫ জি স্পেকট্ৰামৰ নিলাম সম্পন্ন হ'ল। দেশৰ তিনিটা টেলিকম কোম্পানীয়ে সৰ্বাধিক স্পেকট্ৰাম ক্ৰয় কৰিলে। স্পেকট্ৰাম ক্ৰয়ৰ ক্ষেত্ৰত ৮৮,০৭৮ কোটি টকাৰ স্পেকট্ৰাম ক্ৰয়ৰে শীৰ্ষত আছে ৰিলায়েন্স জিঅ'। জিঅ'ৰ হাতত ৫০ শতাংশৰো অধিক ৫ জি স্পেকট্ৰাম আছে। প্ৰকাশিত বাতৰি অনুসৰি, অহা ১৫ আগষ্টত দেশত জিঅ'ই ৫ জি ম'বাইল সেৱা আৰম্ভ কৰাৰ সম্ভাৱনা আছে। দেশত ৫ জি সেৱা অচিৰে আৰম্ভ হোৱাৰ প্ৰস্তুতিৰ সময়তে ৪ জি সেৱাৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপিত হৈছে। ৫ জি সেৱা প্ৰৱৰ্তনৰ পাছত ৪ জি স্মাৰ্টফোন অচল হ'ব নেকি বুলিও প্ৰশ্ন অনেকে উত্থাপন কৰিছে। দেশৰ আগশাৰীৰ চাইবাৰ আইন বিশেষজ্ঞ উম্মেদ মীলে এই সন্দৰ্ভত মন্তব্য কৰি কয়, '৫ জিৰ আগমনৰ পাছত আপোনাৰ ৪ জি ফোনটো অচল নহয়। ৫ জি সেৱা প্ৰৱৰ্তনৰ অৰ্থ হৈছে কেৱল কমিউনিকেচন নেটৱৰ্কৰ এক উন্নীতকৰণ। আৰম্ভণিতে এয়া ৪ জি নেটৱৰ্কতে নিৰ্ভৰ থাকিব আৰু সেয়েহে আপোনাৰ বৰ্তমানৰ ৪ জি স্মাৰ্টফোনটো অচল নহ'ব। অৱশ্যে আপুনি ৪ জি ফোনত ৫ জি নেটৱৰ্কৰ স্পীডৰ সেৱা লাভ কৰিব নোৱাৰিব। পূৰ্বৰ ৩ জি আৰু ৪ জি সেৱাৰ পৰিৱৰ্তনৰ তুলনাত ৫ জি সেৱাৰ উন্নীতকৰণ বহু দিশত পৃথক হ'ব। সেয়েহে ভাৰতত অচিৰে ৪ জি নেটৱৰ্কৰ সেৱা বন্ধ কৰা নহ'ব। গতিকে ৪ জি ম'বাইল ফোনৰ ভৱিষ্যতক লৈ স্মাৰ্টফোন উপভোক্তাসকল চিন্তিত হোৱাৰ প্ৰয়োজন নাই। যিসকল ব্যক্তিয়ে ৫ জি সেৱাৰ আনন্দ ল'ব বিচাৰে, তেওঁলোকে ৫ জি নেটৱৰ্ক সমৰ্থন কৰা স্মাৰ্টফোন ক্ৰয় কৰিব লাগিব।'**


## গোৱালপাৰাৰ বহতীত পৰিয়ালকেন্দ্ৰিক সংঘাত
# আৰক্ষী বিষয়াই মহিলাক নিৰ্যাতন চলোৱাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৩ আগষ্ট ঃ** তদন্তৰ নামত গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ অধীনস্থ বহতী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চাইলেন পাঠকে মহিলাক প্ৰহাৰ কৰাৰ লগতে ব্যাপক হাৰাশাস্তি কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত ভুক্তভোগী জৰিনা বেগমে গোৱালপাৰা জিলা আৰক্ষী অধীক্ষকক যোৱা পহিলা আগষ্টত এখন লিখিত অভিযোগ দাখিল কৰে। উল্লেখ্য যে বহতী দ্বিতীয় খণ্ডৰ প্ৰয়াত জহৰ আলীৰ পত্নী জৰিনা বেগম আৰু গফুৰ আলীৰ পত্নী মাজেদা খাতুনৰ মাজত বিগত কিছুদিন ধৰি সা-সম্পত্তিক লৈ পৰিয়ালকেন্দ্ৰিক সংঘাত চলি আছে। ইপিনে, যোৱা ৩০ জুলাইৰ পুৱা ৯-৩০ বজাত পাৰিবাৰিক কন্দলৰ বাবে ওচৰৰে মাজেদা আৰু তেওঁৰ দুই পুত্ৰই হাতে হাতে দা আৰু কুঠাৰ লৈ হঠাৎ জৰিনাৰ ঘৰত আক্ৰমণ চলায় বুলি জিলা আৰক্ষী অধীক্ষকক দিয়া অভিযোগপত্ৰত উল্লেখ কৰিছে। উক্ত সময়ত ঘটনাস্থলীত বহতী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া উপস্থিত হৈ মিছা অভিযোগৰ ভিত্তিত জোৰপূৰ্বকভাৱে জৰিনাৰ সুলভ মূল্যৰ দোকানৰ তলা ভাঙি প্ৰৱেশ কৰে। জৰিনা আৰু তেওঁৰ পুত্ৰ জন ইছলামে তলা ভঙা কাৰ্যৰ প্ৰতিবাদ কৰা বাবেই ভাৰপ্ৰাপ্ত বিষয়াজনে মাতৃ-পুত্ৰক মাৰপিট কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। লগতে পিয়াৰজন নেছা নামৰ মহিলা এগৰাকীকো আৰক্ষী বিষয়াজনে প্ৰহাৰ কৰা বুলিও অভিযোগ উত্থাপন কৰিছে। ইয়াৰ পাছত যোৱা ৩১ জুলাইত পুনৰ মাজেদাৰ পুত্ৰ ক্ৰমে মঞ্জুৰ আলম আৰু মেহেবুব হুছেইন কে'বাগৰাকী ভাড়াতীয়া গুণ্ডাসহ জৰিনাৰ ঘৰত প্ৰৱেশ কৰি সুলভ মূল্যৰ দোকান জ্বলাই দিয়াৰ ভাবুকি প্ৰদান কৰাৰ লগতে জৰিনা আৰু তেওঁৰ পুত্ৰক হত্যা কৰাৰ ভাবুকি দিয়ে। ইয়াতে ক্ষান্ত নাথাকি গ্ৰাহকে থৈ যোৱা ৰেচন কাৰ্ড আৰু দোকানৰ নথিপত্ৰ ফালি-ছিঙি নষ্ট কৰি যায়। সেয়ে এই সন্দৰ্ভত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে গোৱালপাৰা জিলা আৰক্ষী অধীক্ষকক দাবী জনায় ভুক্তভোগী জৰিনাই। ইপিনে, মাজেদাই ওলোটাই জৰিনাকে ধৰি মুঠ সাতগৰাকীকৈ লোকৰ বিৰুদ্ধে প্ৰতি অভিযোগ উত্থাপন কৰি কালি জিলা উপ-আৰক্ষী অধীক্ষকক এখন এজাহাৰ দাখিল কৰে। এজাহাৰত উল্লেখ কৰা মতে, যোৱা ৩০ জুলাইৰ পুৱা ১১ বজাত জৰিনাক ধৰি এজাহাৰত উল্লিখিত সাতগৰাকী লোকে পূৰ্ব পৰিকল্পিতভাৱে হাতে হাতে দা, খুকুৰি, লাঠি আদি লৈ মাজেদাৰ ঘৰৰ চৌহদত অনধিকাৰ প্ৰৱেশ কৰি ঘৰুৱা সামগ্ৰী লণ্ডভণ্ড কৰি এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। পাছত বহতী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনে উপস্থিত হোৱাত পৰিৱেশ শান্ত হয়। লগতে বিগত দুবছৰ ধৰি আচামীসকলে মাজেদাক বিভিন্ন ধৰণৰ ভাবুকি প্ৰদান কৰাৰ উপৰি নানা ধৰণৰ অকথ্য ভাষাৰে গালি-গালাজ পাৰে বুলিও এজাহাৰত উল্লেখ কৰিছে। এতিয়া আৰক্ষীৰ নিৰপেক্ষ তদন্তৰ পাছত কোন সঁচা, কোন মিছা ওলাই পৰিব। পৰিয়ালকেন্দ্ৰিক সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰাত স্থানীয় ৰাইজে অস্বস্তিত পৰিছে আৰু অতি শীঘ্ৰে উপযুক্ত তদন্তক্ৰমে ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে ৰাইজে।

## ৰূপহীহাটত মহিলা ড্ৰাগছ ব্যৱসায়ী আটক

**অগ্ৰদূত বাৰ্তা**
**ৰূপহীহাট, ৩ আগষ্ট ঃ** ৰূপহীহাটৰ কোচ গাঁৱত যোৱা নিশা আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায় এগৰাকী ড্ৰাগছ সৰবৰাহকাৰী মহিলা ব্যৱসায়ী ৰমিছা খাতুন। ধৃত ৰমিছা খাতুনৰ স্বামী আবু সহিদ ওৰফে বুঢ়াৰ স'তে মিলি দুয়ো স্বামী-স্ত্ৰীয়ে দীঘদিন ধৰি চলাই আহিছিল ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায়। অৱশেষত ৰূপহীহাটৰ আৰক্ষীয়ে অভিযান চলাই গ্ৰেপ্তাৰ কৰে ৰমিছা খাতুন নামৰ মহিলাগৰাকীক। ধৃত ৰমিছা খাতুনৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰে নটাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰ। অধিক তথ্যৰ বাবে ৰূপহী হাট আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

## ■ নগাঁৱত অৰুণোদয় আঁচনিৰ প্ৰশিক্ষণ কাৰ্যসূচীত মন্ত্ৰী নেওগ
# নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলৰ হাতত দেশৰ ভৱিষ্যৎ



**বিশেষ সংবাদদাতা**
**নগাঁও, ৩ আগষ্ট ঃ** 'মহিলা সবলীকৰণৰ উদ্দেশ্যে তেওঁলোকক আৰ্থিক দিশত সকাহ দিয়াৰ বাবে আমাৰ চৰকাৰে ২০২০ তে অৰুণোদয় নামৰ আভিলাসী আঁচনিখন হাতত লৈছে। এই আঁচনিৰ অধীনত ৰাজ্যখনৰ ২০ লাখ মহিলা ইতিমধ্যে উপকৃত হৈছে। বিশেষকৈ মহিলাসকলৰ স্বাস্থ্য, শিক্ষা আদি দিশত উত্তৰণৰ ক্ষেত্ৰত অৰুণোদয় আঁচনিৰ ধনে নিশ্চিতভাৱে সহায় কৰিছে।' এই মন্তব্য ৰাজ্যৰ বিত্ত, সমাজ কল্যাণ আদি বিভাগৰ মন্ত্ৰী অজন্তা নেওগৰ। আজি নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অৰুণোদয় আঁচনিৰ পৰীক্ষণ দলৰ সদস্য আৰু পৰ্যবেক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰি দিয়া ভাষণত এইদৰে বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰি কয়, 'নৱপ্ৰজন্মৰ যুৱক-যুৱতীসকলৰ হাতত দেশৰ ভৱিষ্যৎ সুৰক্ষিত। যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক অৰুণোদয় আঁচনিৰ আঁচনিখন স্বচ্ছ আৰু নিকা কৰাৰ গুৰু দায়িত্ব তেওঁলোকৰ ওপৰত অৰ্পণ কৰা হৈছে।' পুনৰীক্ষণৰ দায়িত্ব দিয়া ছাত্ৰ-ছাত্ৰীসকলক সকলো যোগ্য লোকৰ প্ৰতি সম দৃষ্টিৰে চোৱাৰ আহ্বান জনাই তেওঁ কয় যে যিহেতু পৰৱৰ্তী সময়ত এই আঁচনিৰ লগত অন্যান্য চৰকাৰী আঁচনি সংলগ্ন কৰা হ'ব, সেয়ে যোগ্যজনক অন্তৰ্ভুক্ত আৰু অযোগ্যজনক এই আঁচনিৰ পৰা নাম কৰ্তন কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ৰাজ্য চৰকাৰে এই আঁচনিৰ অধীনত অতিৰিক্ত ছয় লাখ হিতাধিকাৰী সৃষ্টি কৰা হ'ব বুলি মন্তব্য কৰে বিত্তমন্ত্ৰী নেওগে। জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে আদৰণি সভাণ দিয়া এই সভাখনত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে অৰুণোদয় আঁচনিখনৰ তাৎপৰ্য আৰু গুৰুত্বৰ ওপৰত বক্তব্য আগবঢ়ায়। আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তিৰূপে উপস্থিত থাকে কৃষি বিষয়া ক্ৰমে হিৰণ্য কুমাৰ নাথ, উৎপল ডেকা আৰু বেদাংগমল্ল বুজৰবৰুৱা। সভাখনত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ শৰ্মা, জিলা উন্নয়ন আয়ুক্ত উদয়াদিত্য গগৈ, অতিৰিক্ত উপায়ুক্ত দেৱাহুতি বৰা আদিকে বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখ্য যে জিলাখনৰ আঠটা বিধানসভা সমষ্টিৰ মুঠ ১,১৯,৬৮২ অৰুণোদয় আঁচনিৰ হিতাধিকাৰী আছে। এই হিতাধিকাৰীসকলৰ অস্তিত্ব পৰীক্ষা কৰিবলৈ অহা ২০ আগষ্টৰ পৰা ২০ অক্টোবৰলৈ এমাহজুৰি ৩৯৩ টা পৰীক্ষণ দল গঠন কৰাৰ লগতে মুঠ ৭৮৬ গৰাকী পৰীক্ষক আৰু ১৭৩ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰা হ'ব।

### যুৱতীৰ অশ্লীল ফটো ভাইৰেল
## ৰঙাঘৰৰ আলহী হ'ল ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৩ আগষ্ট ঃ** যুৱতীৰ অশ্লীল ফটো ভাইৰেল কৰি ৰঙাঘৰৰ আলহী হ'ল গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ হাব্ৰাঘাট মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নিকুম্বৰ ৰাভা। অভিযোগ অনুসৰি ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকজনে অশ্লীল ফটো ভাইৰেল কৰাত ভুক্তভোগীৰ পৰিয়ালে মৰনৈ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৪৫৩ (চি) /২৯৪ ধাৰাৰ লগতে আৰ ডাব্লিউ ৬৭ (বি) ধাৰাত ৬৬/২২ নম্বৰৰ এক গোচৰ পঞ্জীয়ন কৰে আৰু অভিযুক্ত ছাত্ৰজনক গ্ৰেপ্তাৰ কৰি কালি জেললৈ প্ৰেৰণ কৰে। ইফালে, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকজনৰ এই কুকৰ্মৰ বিৰুদ্ধে দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে ছাত্ৰ সমাজে।

# এবিভিপি টিহু শাখাৰ উদ্যোগত টিহু মহাবিদ্যালয়ত প্ৰতিবাদী কাৰ্যসূচী




**অগ্ৰদূত বাৰ্তা**
**টিহু, ৩ আগষ্ট ঃ** টিহু মহাবিদ্যালয়ত আজি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ চমুকৈ এবিভিপিৰ টিহু শাখাৰ উদ্যোগত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা সদ্য ঘোষিত স্নাতক মহলাৰ পঞ্চম যান্মাষিকৰ ফলাফলত বিসংগতিৰ অভিযোগ কৰি কালি গুৱাহাটীত এবিভিপিৰ সদস্যসকলে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা সময়ত আৰক্ষীয়ে লাঠিচাৰ্জ কৰাত আজি ৰাজ্যৰ ভিন্ন প্ৰান্তত এবিভিপিৰ সদস্যসকলে আৰক্ষীৰ বৰ্বৰতাৰ বিৰুদ্ধে প্ৰতিবাদ মুখৰ হৈ পৰে। টিহু মহাবিদ্যালয়তো এবিভিপিৰ টিহু শাখাই প্ৰতিবাদ সাব্যস্ত কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ দাদাগিৰি নচলিব, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ হেতালি নেখেলিব, আমাক ন্যায় লাগে আদি ধ্বনিৰে টিহু মহাবিদ্যালয় প্ৰাংগণ উত্তাল কৰি তোলে।

## যুৱ বিজেপি কৰ্মী কুঞ্জমোহন ডেকাৰ অকাল মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ৩ আগষ্ট ঃ** পূব শুৱালকুছি গাঁও পঞ্চায়তৰ পশ্চিম ফুলবাৰী অঞ্চলৰ সৰবৰহী যুৱক তথা বিজেপি কৰ্মী কুঞ্জমোহন ডেকা (৪১)ৰ অকাল বিয়োগে অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। শুৱালকুছি মণ্ডল বিজেপিৰ অন্তৰ্গত ২২৪ নম্বৰ বুথ সমিতিৰ সভাপতি ডেকা দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত ভুগি আছিল। যোৱা নিশা জিএমচি হাস্পতালত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। বিজেপি কৰ্মীজনৰ অকাল বিয়োগত শুৱালকুছি মণ্ডল বিজেপি কমিটীয়ে শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়। তেওঁ মৃত্যুৰ সময়ত মাতৃ, পত্নীৰ লগতে গুণমুগ্ধক এৰি যায়।

# জনজাতিকৰণ-মাটিৰ পট্টা প্ৰদান-চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ দাবীত চাপৰত আছাৰ ধৰ্ণা

**অগ্ৰদূত বাৰ্তা**
**বহলপুৰ, ৩ আগষ্ট ঃ** অসমৰ আদিবাসীসকলৰ বিভিন্ন দাবীৰ সমৰ্থনত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ই কালি ৰাজ্যজুৰি তিনিঘন্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীৰ অংশৰূপে ধুবুৰী জিলাৰ চাপৰতো আছাৰ ধুবুৰী জিলা সমিতিয়ে চাপৰৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত পুৱা ১১ বজাৰ পৰা তিনিঘন্টীয়া ধৰ্ণা কাৰ্যসূচী সম্পন্ন কৰা বুলি সন্থাৰ সভাপতি-সম্পাদকে জনাইছে। আছাৰ ধুবুৰী জিলা সমিতিৰ সভাপতি গুলাপ চিকবৰাইক আৰু সাধাৰণ সম্পাদক ৰাজেশ কুজুৰে জনায় যে আছাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে আছাৰ ধুবুৰী জিলা সমিতিৰ নেতৃত্বত চাপৰ, চৈবাৰী আৰু কৃষ্ণকলী চাহ বাগিচাৰ শ্ৰমিক তথা আছা কৰ্মীৰ সমাবেশত চাপৰৰ চক্ৰ বিষয়াৰ কাৰ্যালয় প্ৰাংগণত এই ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মূলতঃ আদিবাসীসকলৰ জনজাতিকৰণ, আদিবাসীসকলক ম্যাদী মাটিৰ পট্টা প্ৰদান, চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫৫১ টকালৈ বৃদ্ধি, বিভিন্ন অজুহাতত চাহ বাগিচাত চৰকাৰী উচ্ছেদ কাৰ্য বন্ধ কৰা, আদিবাসীসকলৰ জাতিৰ প্ৰমাণপত্ৰ কেৱল 'আদিবাসী জাতীয় মঞ্চ'ক কৰ্তৃত্ব প্ৰদান কৰা আদি দাবীৰ সমৰ্থনত এই ধৰ্ণা কাৰ্যসূচী পালন কৰা হয়।

## গুপ্তকাশী বিশ্বনাথঘাটত বনৰীয়া হাতীৰ আতংক

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৩ আগষ্ট ঃ** যোৱা নিশাৰ পৰাই গুপ্তকাশী বিশ্বনাথঘাটত পুনৰ হাতীয়ে উপদ্ৰৱ চলোৱাত বিনিদ্ৰ ৰজনী কটাইছে ৰাইজে। উল্লেখ্য যে আজি কিছুদিনৰ পৰা বিশ্বনাথঘাটৰ ব্ৰহ্মপুত্ৰ নদীৰ কাষৰীয়া অঞ্চলত তথা চাপৰিত আশ্ৰয় গ্ৰহণ কৰি আছে এজাক বনৰীয়া হাতীয়ে। খাদ্যৰ সন্ধানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ বাবে উজাগৰে নিশা কটাব লগা হৈছে বিশ্বনাথঘাট অঞ্চলবাসীয়ে। যোৱা নিশা এটা বনৰীয়া হাতীয়ে বিশ্বনাথঘাটৰ নতুন গাঁৱত প্ৰৱেশ কৰি গাঁওবাসীৰ মাজত আতংকৰ সৃষ্টি কৰে। নিশা প্ৰায় তিনি বজাত প্ৰৱেশ কৰা হাতীটোক পুৱাৰ ভাগত বিশ্বনাথঘাটৰ স্থানীয় ৰাইজ আৰু বন বিভাগৰ সহযোগত নিৰাপদ স্থানত খেদি পঠাবলৈ সক্ষম হয়। তথাপি কিন্তু এতিয়াও আতংকিত হৈ আছে স্থানীয় ৰাইজ। যদিহে বন বিভাগৰ লোকে হাতীটোক পুনৰ ৰাষ্ট্ৰীয় উদ্যানত খেদি পঠিয়াব নোৱাৰে, অনাগত সময়ত পুনৰ বনৰীয়া হাতীৰ জাকে জনাঞ্চলত প্ৰৱেশ কৰি ক্ষতিসাধন কৰাৰ আশংকাত দিন কটাইছে ৰাইজে।

### ঘগ্ৰাপাৰত একেদিনাই দুখনকৈ বিজেপিৰ সভা
## 'হৰ ঘৰ ত্ৰিৰংগা'ৰ প্ৰস্তুতি সন্দৰ্ভত সভা



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৩ আগষ্ট ঃ** নলবাৰী জিলা বিজেপিৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ উদ্যোগত মহিলা মৰ্চা আৰু যুৱ মৰ্চাৰ আজি ঘগ্ৰাপাৰ হৰি মন্দিৰ প্ৰাংগণত একেদিনাই দুখনকৈ পৃথকে পৃথকে 'আজাদী কা অমৃত মহোৎসৱ'ৰ স'তে সংগতি ৰাখি 'হৰ ঘৰ ত্ৰিৰংগা' শীৰ্ষক প্ৰস্তুতি কাৰ্যসূচী সন্দৰ্ভত সভা অনুষ্ঠিত কৰা হয়। প্ৰথমে দিনৰ প্ৰায় ১২ বজাত অনুষ্ঠিত সভাত বিশেষকৈ 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সাফল্যমণ্ডিত কৰিবলৈ বিজেপিৰ বড়িগোগ বনভাগ মণ্ডল সমিতিৰ উদ্যোগত মহিলা মৰ্চাৰ বুথ বাহিনীৰ আহ্বায়িকা-সহ আহ্বায়িকাসকলৰ উপস্থিতিত অনুষ্ঠিত সভা সঞ্চালনা কৰে বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ মহিলা মৰ্চাৰ সভানেত্ৰী মণিকা ভৰালীয়ে। সভাত নলবাৰী জিলা মহিলা মৰ্চাৰ সভানেত্ৰী মাধৱী ৰাজবংশীয়ে আগন্তুক ১৫ আগষ্টৰ পূৰ্বে দলীয়ভাৱে ৰূপায়ণ কৰিবলগীয়া কাৰ্যসূচীৰ ওপৰত মন্তব্য আগবঢ়ায়। সভাত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই 'আজাদী কা অমৃত' মহোৎসৱৰ লগত সংগতি ৰাখি 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ বাবে দলীয় মহিলা কাৰ্যকৰ্তাসকলক পৰামৰ্শ দিয়ে। সভাত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক মৃগেন শৰ্মা, বুবুল দাস আদিয়ে অংশগ্ৰহণ কৰে। ইফালে, উক্ত স্থানতে আবেলি দলটোৰ বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ উদ্যোগত মণ্ডল বিজেপিৰ যুৱমৰ্চাৰ আন এখন 'হৰ ঘৰ ত্ৰিৰংগা' প্ৰস্তুতি সভা অনুষ্ঠিত হয়। বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি হৰেশ্বৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে মণ্ডল বিজেপিৰ সম্পাদক মৃগেন শৰ্মাই। সভাত নলবাৰী জিলা বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি হেমন্ত বৰ্মনে 'হৰ ঘৰ ত্ৰিৰংগা' আৰু মটৰ চাইকেল ৰেলীৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই দেশ স্বাধীন হোৱাৰ ৭৫ বছৰ উপলক্ষে পালন কৰি থকা 'আজাদী কা অমৃত মহোৎসৱ'ৰ স'তে সংগতি ৰাখি অহা ১৩ৰ পৰা ১৫ আগষ্টলৈ সমগ্ৰ দেশজুৰি 'হৰ ঘৰ ত্ৰিৰংগা' শীৰ্ষক কাৰ্যসূচীৰ ওপৰত বক্তব্য আগবঢ়ায়।

## ঘগ্ৰাপাৰৰ ছোৱালী হাইস্কুলত শ্যামলী চৌহদ কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৩ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অসম চৰকাৰৰ বিজ্ঞান, কাৰিকৰী, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ উদ্যোগত মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচীৰ অধীনত আজি নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ অগ্ৰণী স্ত্ৰী শিক্ষাৰ শিক্ষানুষ্ঠান ঘগ্ৰাপাৰৰ ছোৱালী হাইস্কুলত চৌহদত এলানি নাৰিকল গছৰ পুলি ৰোপণেৰে উক্ত কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পুৱা শিক্ষানুষ্ঠানখনৰ চৌহদত ঘগ্ৰাপাৰ হাইস্কুলৰ পৰিচালনা-উন্নয়ন সমিতিৰ সভাপতি বীৰেন কলিতাই বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰি কয় যে বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক এই বৃক্ষৰোপণ কাৰ্যসূচীয়ে ৰাজ্যৰ পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ কথা উল্লেখ কৰাৰ উপৰি ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৰিৱেশ সংৰক্ষণত সহায়ক হ'ব বুলি সদৰী কৰে। ইয়াৰ পাছতে বিদ্যালয়খনৰ চৌহদত চতুৰ্থবৰ্গৰ কৰ্মচাৰী বানেশ্বৰ কলিতাৰ ব্যৱস্থাপনাত বিদ্যালয়খনৰ পৰিচালনা-উন্নয়ন সমিতিৰ সভাপতি দ্বিজেন ডেকা, উপ-সভাপতি দীনেশ শৰ্মা, প্ৰধান শিক্ষক মনহৰি কলিতা, ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি-কাউন্সিলৰ তথা বিদ্যালয়খনৰ পৰিচালনা-উন্নয়ন সমিতিৰ সদস্য ক্ৰমে ৰাতুল শৰ্মা আৰু মনেশ্বৰ ভৰালী আদিয়ে নাৰিকল গছৰ পুলি ৰোপণ কৰে। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক অমূল্য কলিতাই আঁতধৰা অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰীকে ধৰি ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

# কুসুমটোলাত ধাৰাবাহিক চুৰিকাণ্ড

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ৩ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ কুসুমটোলাত চোৰৰ টিঘিল-ঘিলনি অব্যাহত আছে। যোৱা ১৫টা দিনৰ ভিতৰত অঞ্চলটোত সংঘটিত হৈছে কে'বাটাও চুৰিকাণ্ড। নিশাৰ ভাগত গৃহস্থৰ ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰে চলাইছে লুটপাট। এইবাৰ চোৰে লুটপাট চলায় মহাবিদ্যালয়ৰ প্ৰবক্তাৰ ঘৰত। কুসুমটোলাস্থ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা খঞ্জন কুমাৰ দাসৰ ঘৰত চোৰে প্ৰৱেশ কৰি নগদ ধনৰ লগতে সোণৰ আ-অলংকাৰ লৈ উধাও হয়। প্ৰবক্তাজনে পৰিয়ালৰ স'তে শিৱসাগৰলৈ ফুৰিবলৈ যোৱাৰ সুযোগ গ্ৰহণ কৰি চোৰে প্ৰবক্তাজনৰ গৃহৰ গ্ৰীল ভাঙি ভিতৰত প্ৰৱেশ কৰে আৰু আলমিৰাৰ তলা ভাঙি সোণৰ আ-অলংকাৰৰ লগতে নগদ ধন লৈ উধাও হয়। পাছত প্ৰবক্তাজনে ঘৰলৈ ঘূৰি আহি এই সমস্ত ঘটনা প্ৰত্যক্ষ কৰি হতবাক হৈ পৰাৰ লগতে এই সন্দৰ্ভত জামুগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ইয়াৰ উপৰি কুসুমটোলা ব্যৱসায়িক কেন্দ্ৰ স্থলৰ নিচেই কাষতে ভাৰতীয় হিচাপে থকা মানস নাথ নামৰ এজন লোকৰ

### প্ৰবক্তাৰ গৃহৰ তলা ভাঙি চোৰে লুটি নিলে নগদ ধনৰ লগতে সোণৰ আ-অলংকাৰ

ঘৰতো কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰে লুটপাট চলায়। ইয়াৰ উপৰি সংঘটিত হৈছে আন কে'বাটাও চুৰিকাণ্ড। অঞ্চলটোত ধাৰাবাহিকভাৱে সংঘটিত হোৱা চুৰিকাণ্ড ৰোধ কৰাৰ বাবে অঞ্চলটোৰ সচেতন ৰাইজে কুসুমটোলাত আৰক্ষীৰ নৈশ পহৰাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে বিগত সময়ত কুসুমটোলা ব্যৱসায়িক কেন্দ্ৰস্থলত থকা দুটাকৈ এটিএম ভাঙি চোৰে সংঘটিত কৰিছিল চুৰিকাণ্ড।

## ৰহা বিদ্যুৎ কাৰ্যালয়ত আছুৱে লগালে তলা


**অগ্ৰদূত বাৰ্তা**
**ৰহা, ৩ আগষ্ট ঃ** ৰহাত বিদ্যুতৰ অনিয়মীয়া সৰবৰাহ, সঘনে বিদ্যুৎ কৰ্তন, গ্ৰাহকক দিয়া বিলৰ বিসংগতি আৰু গ্ৰাহকক দুব্যৱহাৰ কৰা আদিৰ প্ৰতিবাদত আজি ৰহা বৈদ্যুতিক উপসংমণ্ডল কাৰ্যালয়ত আছুয়ে তলা লগাই দিয়ে। দিনৰ ১০ বজাত ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ এটা দল কাৰ্যালয়টোত সমবেত হৈ বিভাগৰ কাৰ্যালয়টোৰ কৰ্মকাণ্ডত অতিষ্ঠ হোৱাৰ অভিযোগ তুলি বিভাগৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে কাৰ্যালয়ৰ মূল প্ৰৱেশ দ্বাৰত তলা লগাই দিয়ে।

# ভুৱা মাৰ্কশ্বিট-চাৰ্টিফিকেট চক্ৰৰ পাঁচজনক গ্ৰেপ্তাৰ আৰক্ষীৰ

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৩ আগষ্ট ঃ** জেহাদী, ড্ৰাগছ সৰবৰাহকাৰী, ভুৱা মাৰ্কশ্বিট-চাৰ্টিফিকেট প্ৰস্তুত কৰা চক্ৰলৈকে ক্ৰমান্বয়ে অপৰাধীৰ ৰম্যভূমী হ'বলৈ ধৰিছে বৰপেটা। জানিব পৰা মতে, মেট্ৰিকৰ ভুৱা মাৰ্কশ্বিট, চাৰ্টিফিকেটেৰে বৰপেটা সদৰ থানাৰ অন্তৰ্গত গৰেমাৰীৰ জনপ্ৰিয় মহাবিদ্যালয়ত নামভৰ্তি কে'বাজনো যুৱকে। গোপন সূত্ৰৰ পৰা পোৱা খবৰৰ ভিত্তিত বৰপেটাৰ আৰক্ষী তদন্ত চলাই গ্ৰেপ্তাৰ কৰিছে পাঁচজন যুৱকক। ইয়াৰে দুজন যুৱকে যোগান ধৰিছিল ভুৱা মাৰ্কশ্বিট আৰু চাৰ্টিফিকেট। চহিদুল ইছলাম, হাফিজুৰ ৰহমান আৰু চানোৱাৰ ৰহমান নামৰ তিনি যুৱকে মেট্ৰিকৰ মাৰ্কশ্বিট আৰু চাৰ্টিফিকেটেৰে নামভৰ্তি কৰিছিল জনপ্ৰিয় মহাবিদ্যালয়ত। আনহাতে, মহিবুল ইছলাম আৰু মোজাম্মেল হক নামৰ দুই যুৱকে যোগান ধৰিছিল ভুৱা মাৰ্কশ্বিট-চাৰ্টিফিকেট। এটা বৃহৎ চক্ৰই বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত ভুৱা মাৰ্কশ্বিট, চাৰ্টিফিকেট যোগান ধৰাৰ তথ্য লাভ কৰে বৰপেটা আৰক্ষীয়ে। ভুৱা মাৰ্কশ্বিট, চাৰ্টিফিকেট প্ৰস্তুত কৰা বৃহৎ চক্ৰৰে জড়িত কে'বাজনো আত্মগোপন কৰি থকা বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। এই সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে।

### অপৰাধীৰ ৰম্যভূমী হ'বলৈ ধৰিছে বৰপেটা

# চাৰিদুৱাৰ আৰক্ষীৰ অভিযানত ড্ৰাগছসহ দুই যুৱক গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৩ আগষ্ট ঃ** আজি দুপৰীয়া শোণিতপুৰৰ চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাজানত বিশেষ সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত অভিযান চলাই আৰক্ষীয়ে দুজন যুৱকৰ পৰা ব্ৰাউন ছুগাৰ জব্দ কৰিবলৈ সক্ষম হয়। নগাঁও জুৰীয়াৰ পৰা দুই ড্ৰাগছ সৰবৰাহকাৰীয়ে এএছ-০২ এই-২৪৭৯ নম্বৰৰ আপাচী মটৰ চাইকেলৰে খনামুখৰ দিশে আহি থকা সময়ত চাৰিদুৱাৰ আৰক্ষীয়ে অনুসৰণ কৰি ৰঙাজান বজাৰৰ সমীপত দুয়োকে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। দুটা প্লাষ্টিকৰ বাকছত অনা ৩০ গ্ৰাম ওজনৰ দুই পেকেটত ড্ৰাগছ ধৃত যুৱকদ্বয়ৰ পৰা উদ্ধাৰ কৰে আৰক্ষীয়ে। উল্লেখ্য যে নগাঁও ৰূপহী তৰাবাৰীৰ কাছেম আলীৰ পুত্ৰ তফজ্জুল হুছেইন (২৪) আৰু ৰূপহী দক্ষিণ খটোৱালৰ নুৰুদ্দিনে (৩২) ড্ৰাগছ জুৰীয়াৰ পৰা অনা বুলি প্ৰকাশ কৰাৰ লগতে ইয়াৰ মূল্য ২৬ হেজাৰ বুলি আৰক্ষীৰ আগত দিয়া স্বীকাৰোক্তিত প্ৰকাশ কৰাৰ বিপৰীতে ইয়াৰ প্ৰকৃত মূল্য প্ৰায় সাত লাখ টকা বুলি আৰক্ষীয়ে জানিবলৈ দিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অধিক তথ্য উদ্ধাৰৰ বাবে দুয়োকে চাৰিদুৱাৰ থানাত জেৰা অব্যাহত ৰাখিছে।

# মুখ্যমন্ত্ৰীৰ সমষ্টিত চৰকাৰী চাউল ক'লা বজাৰত

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ৩ আগষ্ট ঃ** মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিৰ নিজ গন্ধমৌত আজি ১৪ কুইন্টল চৰকাৰী চাউল ৰাইজে জব্দ কৰি আৰক্ষীক চমজি দিয়া ঘটনাই তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। জব্দকৃত চাউলখিনি দুই নম্বৰ পূব বংশৰ সমবায় সমিতি লিমিটেডৰ অন্তৰ্গত এক নম্বৰ কিছমৎ বংশৰৰ চৰকাৰী এজেন্ট নৰেশ্বৰ মালাকৰৰ দোকানৰ বুলি ৰাইজে জনাইছে। আজি পুৱা প্ৰায় ১০-৩০ বজাত এজেন্টজনৰ ঘৰৰ পৰা গোপনে এএছ-১৪ চি-৯৬২৩ নম্বৰৰ ভান এখনৰ দ্বাৰা ১৪ কুইন্টল চাউল গুৱাহাটী অভিমুখে গৈ থাকোতে ৰাইজে জব্দ কৰি শুৱালকুছি আৰক্ষীক চমজাই দিয়ে। বিষয়ৰ ওপৰত ৰাইজে এজাহাৰ দাখিল কৰে। দীৰ্ঘদিন ধৰি এজেন্ট তথা বিজেপিৰ বুথ সমিতিৰ সভাপতি নৰেশ্বৰ মালাকৰে গোপনে খাদ্য সুৰক্ষাৰ চাউল বিক্ৰী কৰাৰ অভিযোগ আছে। ৰাইজৰ অভিযোগ মতে, সুলভ মূল্যৰ চাউল ৰেছন কাৰ্ড থকা প্ৰতিটো পৰিয়ালক জনমুৰি হিচাপত মাহে দুবাৰকৈ চাউল দিব লাগে তাকে নকৰি তেওঁ এবাৰকৈ চাউল বিতৰণ কৰি এটা কোটা ক'লা বজাৰত বিক্ৰী কৰি আহিছে। ইফালে, বিজেপিৰ বুথ কমিটীৰ সভাপতি হৈ ৰাইজৰ দুখ দুৰ্দশাৰ কল্যাণৰ হকে কাম কৰাৰ ভাওনা পাতি সেইসকল দুখীয়া দৰিদ্ৰৰ পেটৰ ভাত কাটি জেপ গধুৰ কৰা কাৰ্যত আজি স্থানীয় ৰাইজেতীব্ৰ গৰিহণা দিছে। বিষয়টো প্ৰশাসনক গুৰুত্ব সহকাৰে লৈ তদন্ত কৰি উচিত শাস্তি বিহিবলৈ দাবী জনাইছে।

### বিজেপিৰ বুথ কমিটীৰ সভাপতিৰ ১৪ কুইন্টল চোৰাং চাউল জব্দ কৰিলে ৰাইজে

## ■ শোণিতপুৰ জিলা দিৱসত মন্ত্ৰী পীযুষ হাজৰিকা
# তেজপুৰবাসী সাংস্কৃতিক মনৰ অধিকাৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৩ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ জলসম্পদ তথা জনসংযোগ বিভাগৰ মন্ত্ৰী তথা শোণিতপুৰ জিলা প্ৰশাসনৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাই আজি তেজপুৰত শোণিতপুৰ জিলা দিৱস উদ্‌যাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত বক্তব্য ৰাখি মন্ত্ৰী হাজৰিকাই জিলা দিৱসৰ অনুষ্ঠানত জিলা প্ৰশাসনৰ লগতে জিলাখনৰ সকলো ৰাইজকে অভিনন্দন জ্ঞাপন কৰে। বানৰজা আৰু উষা-অনিৰুদ্ধৰ কাহিনীৰে প্ৰখ্যাত তেজপুৰ চহৰৰ ঐতিহ্যক লৈ আমি সকলোৱে গৰ্বিত বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই শোণিতপুৰৰ অভিভাৱক মন্ত্ৰী হিচাপে জিলাখনক সৰ্বাংগসুন্দৰ কৰি গঢ়ি তুলিবৰ বাবে সকলো প্ৰয়াস কৰিব বুলি প্ৰকাশ কৰে। তেজপুৰবাসী ৰাইজ সাংস্কৃতিক মনৰ অধিকাৰী বুলিও মন্ত্ৰীজনে উল্লেখ কৰে। আনহাতে, মন্ত্ৰীজনে বিগত কাৰ্যকালত নগৰ উন্নয়নৰ ৰাজ্যিক মন্ত্ৰী হৈ থাকোতে তেজপুৰ পৰিচ্ছন্ন চহৰ হিচাপে স্বীকৃত হোৱাৰ কথা উল্লেখ কৰি তেজপুৰবাসীক ইয়াৰ বাবে অভিনন্দন জ্ঞাপন কৰে। জিলা প্ৰশাসনৰ উদ্যোগত দিনজোৱা কাৰ্যসূচীৰে আয়োজিত তথা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণি ভাষণ প্ৰদান কৰা শোণিতপুৰ জিলা দিৱসত মন্ত্ৰী হাজৰিকাৰ লগতে জলসিঞ্চন মন্ত্ৰী অশোক সিংহল, বিধায়ক পদ্ম হাজৰিকা, গণেশ কুমাৰ লিম্বু, পৃথিৰাজ ৰাভা আৰু কৃষ্ণ কমল তাঁতী, ৰাজ্যখনৰ তথ্য আয়ুক্ত সমুদ্ৰ গুপ্ত কাশ্যপ, অৱসৰপ্ৰাপ্ত অধ্যাপক পুৰ্ণেশ্বৰ নাথ, সাহিত্য একাডেমী বঁটাপ্ৰাপক বিশিষ্ট লেখক ছবিলাল উপাধ্যায়, কবি-লেখিকা ড° তপতী বৰুৱা কাশ্যপ, বিশিষ্ট সমাজকৰ্মী বাতাচ ওৰাং, জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিন, তেজপুৰ জিলা পৌৰসভাৰ পৌৰপতি প্ৰজ্ঞানা ভট্টাচাৰ্য আৰু জিলাখনৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# শোণিতপুৰৰ চৰকাৰী কৰ্মচাৰীলৈ লোকসেৱা পুৰস্কাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৩ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক উৎসাহিত কৰাৰ বাবে চৰকাৰে ৰাজ্যিক ভিত্তিত ১০ জন আৰু জিলাভিত্তিত ৮৯ জন কৰ্মচাৰী নিৰ্বাচিত কৰি অহা পাঁচ আগষ্টত লোককল্যাণ দিৱসত প্ৰদান কৰিব বঁটা। উল্লেখ্য যে তৃতীয় আৰু চতুৰ্থবৰ্গৰ সৰ্বমুঠ ৯৯ গৰাকী কৰ্মচাৰীক প্ৰদান কৰিবলগীয়া 'লোকসেৱা পুৰস্কাৰ'ৰ বাবে শোণিতপুৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ তিনিজন কৰ্মচাৰীকো নিৰ্বাচিত কৰা হৈছে। ১৯৯৭ৰ পৰা উপায়ুক্ত কাৰ্যালয়ত উপায়ুক্তৰ বাহন চালকৰূপে কৰ্মৰত তথা তৃতীয়বৰ্গৰ কৰ্মচাৰী ভৱানন্দ চৌধুৰী, ১৯৯৪ৰ পৰা ব্যক্তিগত কৰ্মচাৰী শাখাৰ জ্যেষ্ঠ সহায়ক তথা তৃতীয়বৰ্গৰ কৰ্মচাৰী মেদিনী বৰা আৰু বিগত ২৭ বছৰে ৰাজহ শাখাত কৰ্মৰত তথা চতুৰ্থবৰ্গৰ কৰ্মচাৰী ভাগ্যৰাম মেচক এই 'লোকসেৱা পুৰস্কাৰ'ৰ বাবে নিৰ্বাচিত কৰা হৈছে। সততা আৰু নিষ্ঠা সহকাৰে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ স্বীকৃতি স্বৰূপে নিৰ্বাচিত কৰাত কৰ্মচাৰীকেইজনে সন্তুষ্টি প্ৰকাশ কৰিছে। উল্লেখ্য যে শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয়তো পাঁচ আগষ্টত অনুষ্ঠিত হ'ব লোককল্যাণ দিৱস আৰু লোককল্যাণ দিৱসৰ কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী পৰিমল শুক্লবৈদ্যই তিনিওজন কৰ্মচাৰীক বঁটা প্ৰদান কৰিব।

# হোজাইত ছমাহৰ কাৰাদণ্ডৰে দণ্ডিত দুই অভিযুক্তক

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৩ আগষ্ট ঃ** হোজাই আৰক্ষী থানাত ২০১০ত ৰুজু হোৱা এক গোচৰত সুদীৰ্ঘ ১২ বছৰৰ অন্তত দোষী সাব্যস্ত হৈ আদালতত কাৰাদণ্ডৰে দণ্ডিত হ'বলগা হৈছে দুজনকৈ অভিযুক্ত। হোজাই ন্যায়িক দণ্ডাধীশ আদালতে প্ৰদান কৰা এক ৰায়দানত অভিযুক্তদ্বয়ক ছমাহৰ কাৰাদণ্ড আৰু পাঁচহেজাৰ টকাৰ জৰিমনা বিহে। হোজাই মহকুমা ন্যায়িক দণ্ডাধীশ আদালতৰ দণ্ডাধীশ ছৈয়দ তবছীৰ আলমে প্ৰদান কৰা ৰায়দানত অভিযুক্ত টিংকু মণ্ডল আৰু দীপক মণ্ডলক ভাৰতীয় দণ্ডবিধিৰ ৩৪১/৩২৬/৩৪ ধাৰাত দোষী সাব্যস্ত কৰি এই শাস্তিৰ ৰায়দানত স্বাক্ষৰ কৰে। উল্লেখ্য যে ২০১০ৰ ১৫ এপ্ৰিলত হোজাই আৰক্ষী থানাৰ অন্তৰ্গত পূব ধনীৰাম পথাৰৰ কেনেলপাৰৰ শিৱ মন্দিৰত অমৃত মণ্ডল নামৰ এজন যুৱকক বলপূৰ্বকৰভাৱে ধৰি লোহাৰ ৰডেৰে মাৰপিট কৰি সোণৰ চেইন, নগদ আঠশ টকা আৰু নকিয়া ম'বাইল ফোনো কাঢ়ি নিছিল হোজাইৰ দছঘৰ অঞ্চলৰ দীপক মণ্ডল আৰু টিংকু মণ্ডল নামৰ দুই যুৱকে। পাছত আঘাতপ্ৰাপ্ত অমৃত মণ্ডলক উদ্ধাৰ কৰি লগে লগে হোজাই চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ঘটনাৰ পাছদিনা অমৃত মণ্ডলৰ ভ্ৰাতৃ বিনয় মণ্ডলে হোজাই আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত হোজাই আৰক্ষীয়ে তদন্ত চলাই উক্ত গোচৰৰ অভিযোগনামা আদালতত দাখিল কৰে। যাৰ ভিত্তিত নজন সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰি এই ৰায়দান প্ৰদান কৰে। আদালতত অভিযুক্ত পক্ষৰ হৈ যুক্তি আগবঢ়ায় অধিবক্তা বিশ্বজিৎ বৰুৱা আৰু এজাহাৰকাৰীৰ হৈ যুক্তি প্ৰদান কৰে অধিবক্তা এন চি দত্তই। দুই অধিবক্তাৰ যুক্তি শুনাৰ অন্তত অভিযুক্ত আক্ৰমণকাৰী দীপক মণ্ডল আৰু টিংকু মণ্ডলক দোষী সাব্যস্ত কৰি আদালতে এই ৰায় প্ৰদান কৰে।

# নগাঁও জিলা গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ উদ্যোগত ঘিলানীত চিকিৎসা সেৱা শিবিৰ



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৩ আগষ্ট ঃ** নগাঁও জিলাৰ ঘিলানী মুক্তাব প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ নগাঁও জিলা সমিতিৰ উদ্যোগত আৰু নগাঁও জিলা স্বাস্থ্য বিভাগ তথা ঘিলানী আঞ্চলিকৰ সহযোগত এটি চিকিৎসা সেৱা শিবিৰ যোৱা ৩০ জুলাইত অনুষ্ঠিত হয়। শিবিৰটোত লগতে কিছু পৰিমাণৰ সাংমগ্ৰীৰে সহায়ৰ হাত আগবঢ়াই ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ' নামৰ সংগঠনটোৱে। গ্ৰামাঞ্চলটোৰ দুই শতাধিক লোকক উক্ত কাৰ্যসূচীৰ দ্বাৰা চিকিৎসা সেৱা আগবঢ়োৱাৰ উপৰি উপযুক্ত পৰিমাণৰ ঔষধো যোগান ধৰা হয়। কাৰ্যসূচীত পৰিষদৰ হৈ কেন্দ্ৰীয় উপ-সভাপতি অধিবক্তা ইমৰান হুছেইন, কেন্দ্ৰীয় মহিলা কোষৰ কাৰ্যকৰী সভানেত্ৰী অধিবক্তা শ্বেহনাজ ছুলতানা, নগাঁও জিলাৰ সভাপতি জয়নুদ্দিন আহমেদ, কাৰ্যকৰী সভাপতি মফিজুদ্দিন আহমেদ, উপ-সভাপতি মইনুল হক, সাধাৰণ সম্পাদক জাহিদুৰ ৰহমান, ঘিলানী আঞ্চলিকৰ সভাপতি-সম্পাদককে আদি কৰি অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকি শিবিৰটোৰ সফল ৰূপায়ণত সহযোগিতা আগবঢ়ায়।

# সেউজী ধৰণী ধুনীয়া প্ৰকল্পৰ গ্ৰীষ্মকালীন বিনামূলীয়া বিশেষ পাঠদান কাৰ্যসূচীৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ৩ আগষ্ট ঃ** গোলাঘাট জিলাৰ বৃহত্তৰ মিছামৰা মৌজা আৰু গুৰযোগনীয়া মৌজাক সামৰি গঠিত হোৱা সেউজী ধৰণী ধুনীয়া নামৰ প্ৰকৃতিবাদী সামাজিক সংগঠনটোৱে জন্মলগ্নৰে পৰা এই অঞ্চলত বিভিন্ন ধৰণৰ উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। বিগত বৰ্ষসমূহৰ দৰে এইবাৰো গ্ৰীষ্মবন্ধত বৃহত্তৰ কুৱালগুৰি অঞ্চলক সামৰি ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পৰাকৈ বিনামূলীয়া এক বিশেষ পাঠদান শিবিৰৰ সেউজী ধৰণী ধুনীয়া শিঙৰাজানস্থ কাৰ্যালয়ত আয়োজন কৰে। কুৱালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা জ্যোতি কুমাৰী শৰ্মাই যোৱা ১৫ জুলাইত উদ্বোধন কৰা এই বিশেষ বিনামূলীয়া পাঠদান শিবিৰৰ কালি সামৰণি পৰে। প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই বিনামূলীয়া বিশেষ পাঠদান কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান সেউজী ধৰণী ধুনীয়া মুখ্য কাৰ্যালয়ত সঞ্চালক ডঃ ৰাতুল চন্দ্ৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত হয়। সচিব দেৱজিৎ কলিতাই উদ্দেশ্য ব্যাখ্যাৰে আৰম্ভ হোৱা সভাত উপস্থিত থাকে গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি পুৰঞ্জয় গোস্বামী, বিশিষ্ট কবি দিল'ৱাৰ হুছেইন, আদৰ্শ সাঁচি কৃষক তথা শিক্ষক চৈদুৰ ৰহমান, আদৰ্শ ভাৰত বিদ্যালয়ৰ অধ্যক্ষ অসীম বৰঠাকুৰ আদিয়ে। অনুষ্ঠানৰ মাজতে পাল্কী কলিতা, গীতাশ্ৰী কলিতা, যুক্তাময়ী কাশ্যপে 'সেউজী, সেউজী ধৰণী ধুনীয়া' শীৰ্ষক গীত পৰিৱেশন কৰে। পাঠদান শিবিৰত শিক্ষাদান কৰা কটন বিশ্ববিদ্যালয় স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰত শিঙৰাজান গাঁৱৰ দেৱাংকুৰ দত্ত, অভিজিৎ কলিতা, আৰু জুপিতৰা কলিতাক গ্ৰন্থৰ টোপোলাৰে সঞ্চালক ডঃ ৰাতুল চন্দ্ৰ বৰাই সম্বৰ্ধনা জনায়।

# শ্ৰীৰামপুৰৰ হানসিংপুৰ এলপি স্কুলৰ নতুন শ্ৰেণী কোঠাৰ দুৱাৰ মুকলি




**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৩ আগষ্ট ঃ** গোসাঁইগাঁও শিক্ষা খণ্ডৰ অধীনস্থ হানসিংপুৰ এলপি স্কুলৰ ছাত্ৰ-ছাত্ৰী অনুপাতে শ্ৰেণী কোঠাৰ অভাৱ দূৰ হয়। বিদ্যালয়খনৰ উপযুক্ত শ্ৰেণী কোঠাৰ অভাৱত পাঠদান কাৰ্যত বাধাৰ সৃষ্টি হোৱাত ২০১৯ত হোৱা গুণোৎসৱত স্কুলত অহা পৰ্যবেক্ষকক এই বিষয় বিভাগীয় কৰ্তৃপক্ষই লিখি পঠিয়াই দিয়ে। পৰ্যবেক্ষকজনৰ সহযোগত শিক্ষকৰ প্ৰচেষ্টাত এটা অতিৰিক্ত শ্ৰেণী কোঠা লাভ কৰে বিদ্যালয়খনে। শ্ৰেণী কোঠাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাত কালি অতিৰিক্ত শ্ৰেণী কোঠাৰ দুৱাৰ মুকলি কৰা হয়। দুৱাৰ মুকলি কৰে শ্ৰীৰামপুৰ সমষ্টিৰ এমচিএলএ সজল সিংহই। ২০১৯-২০২০ বিত্তীয় বৰ্ষত অসম সৰ্বশিক্ষা মিছনৰ পৰা মঞ্জুৰিকৃত পাঁচলাখ টকা ব্যয়ৰে শ্ৰেণী কোঠা নিৰ্মাণ কৰিছিল। আটকধুনীয়া আৰু ছবি সম্বলিত বিভিন্ন লিখনিৰে ভৰা শ্ৰেণী কোঠাটো কণ কণ ছাত্ৰ-ছাত্ৰীৰ পাঠ আহৰণ কাৰ্যত যথেষ্ট সহায় হ'ব বুলি এমচিএলএ সজল সিংহই মন্তব্য কৰে।

# তিতাবৰত ত্ৰিৰংগা পতাকা বিক্ৰীৰ ছিণ্ডিকেট




*বহলপুৰত আদিবাসী ছাত্ৰ সন্থাৰ তিনিঘন্টীয়া ধৰ্ণা কাৰ্যসূচী, বুধবাৰে।*

## ■ প্ৰশাসনৰ ভূমিকাক কঠোৰ সমালোচনা, তদন্তৰ দাবী

**তিতাবৰ, ৩ আগষ্ট ঃ** আগন্তুক ১৩-১৫ আগষ্টলৈ দেশজুৰি ৰূপায়ণ হ'ব হৰ ঘৰ ত্ৰিৰংগা শীৰ্ষক আঁচনিৰ। স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে দেশজুৰি প্ৰচাৰ চলোৱাৰ সময়তে অসমতো ঠায়ে-ঠায়ে ব্যৱসায়িক ভিত্তিত ত্ৰিৰংগা পতাকা বিক্ৰীৰ উজান উঠিছে। ইপিনে, চৰকাৰে ৰেছন কাৰ্ড থকা পৰিয়ালৰ লোকক সুলভ মূল্যত ত্ৰিৰংগা পতাকা যোগানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু ইয়াৰ মাজতে ভূতৰ ওপৰত দানহ পৰাৰ দৰে তিতাবৰৰ উন্নয়ন খণ্ড কাৰ্যালয়ৰ সমীপতে থকা মহিলা সৱলীকৰণৰ ক্ষেত্ৰত বিভিন্ন উদ্যোগ গ্ৰহণ কৰা বুলি পৰিচয় দাঙি ধৰা এটি কাৰ্যালয়ৰ মহিলা কৰ্মচাৰীয়ে ত্ৰিৰংগা পতাকা বিক্ৰী কৰাৰ নামত অধিক মূল্য সংগ্ৰহ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, চৰকাৰী নিৰ্ধাৰিত দৰ মতে, প্ৰায় ১৬ টকাৰ মূল্যৰ দৰতকৈ একোখনকৈ ত্ৰিৰংগা পতাকা উক্ত কাৰ্যালয়ৰ কৰ্মীয়ে তেওঁলোকৰ দ্বাৰা তৈয়াৰ কৰা ত্ৰিৰংগা পতাকা ৭০ টকাত ক্ৰয় কৰিবৰ বাবে আত্মসহায়ক গোটৰ মহিলাসকলক কাঢ়া নিৰ্দেশ জাৰি কৰিছে। এই কাৰ্য একপ্ৰকাৰ ছিণ্ডিকেটত পৰিণত হৈছে। ইপিনে, অতিৰিক্ত দৰত পতাকা ক্ৰয় কৰিবলৈ অপাৰগতা প্ৰকাশ কৰিছে তিতাবৰৰ ভুক্তভোগী আত্মসহায়ক গোটৰ মহিলাসকলে। অতি পৰিতাপৰ বিষয়টো হ'ল তিতাবৰত এচিএছ পৰ্যায়ৰ এগৰাকী খণ্ড উন্নয়ন বিষয়া, আইএএছ পৰ্যায়ৰ মহকুমাধিপতি, কে'বাজনো এচিএছ পৰ্যায়ৰ কাৰ্যবাহী দণ্ডাধীশে মহকুমাটোত প্ৰশাসন কাৰ্য চলাই গৈছে যদিও কিন্তু তেওঁলোকৰ চকুৰ সন্মুখতে ভাৰতীয় ত্ৰিৰংগা পতাকাক লৈ খোদ উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সমীপতে থকা উক্ত কাৰ্যালয়ে ছিণ্ডিকেট চলাই থকা বিষয়ত সন্দেহজনক তথা নিৰ্লজ্জজনকভাৱে নিমাত হৈ থকা বিষয়টোৱে ৰাইজক তীব্ৰ অসন্তুষ্টিত পেলাইছে। বিষয়টোত ৰাইজে প্ৰশাসনক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। অভিযুক্ত বিষয়ৰ ওপৰত তৎকালীন তদন্তৰ দাবী উঠিছে।

# গোৱালপাৰাত চোৰাং কাঠৰ ডিআই ভান জব্দ আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩ আগষ্ট ঃ** গোৱালপাৰাৰ সদৰ আৰক্ষীয়ে যোৱা এক আগষ্টৰ নিশা নিশা ভালুকডুবিত নিয়মীয়া তালাচী চলাই থকাৰ সময়ত এএছ-০১ এফচি-১৩৯২ নম্বৰৰ চোৰাং কাঠভৰ্তি ডিআই ভান জব্দ কৰি থানালৈ লৈ আনে। পাছত পাঁচ টুকুৰা চেগুন কাঠৰ কুণ্ডাসহ গাড়ীখন বন বিভাগক গতাই দিয়ে। জব্দকৃত চেগুন কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ৩০ হেজাৰ টকা হ'ব বুলি জানিব পৰা গৈছে।

# গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া পোনাৰাম বৰাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ৩ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ আমগুৰি পৌৰসভাৰ অন্তৰ্গত ছয় নম্বৰ ৱাৰ্ডৰ বাসিন্দা তথা নগাৰাজ্যৰ গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া পোনাৰাম বৰা (৬৯)ৰ যোৱা এক আগষ্টত হৃদৰোগত আক্ৰান্ত হৈ নিজ বাসগৃহতে মৃত্যু হয়। বৰাই সুদীৰ্ঘ কাল নগালেণ্ডৰ বিভিন্ন স্থানত গড়কাপ্তানী বিভাগৰ বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত সুখ্যাতিৰে অৱসৰগ্ৰহণ কৰি যোৱা কেইবছৰমান আমগুৰিৰ নিজা গৃহতে সময় অতিবাহিত কৰিছিল। কালি হৃদৰোগত আক্ৰান্ত হৈ আকস্মিকভাৱে মৃত্যু হোৱা ঘটনাই অঞ্চলটোৰ ৰাইজৰ মাজত শোকৰ ছাঁ পেলায়। মৃত্যুৰ সময়ত বৰাই পত্নী, দুই পুত্ৰ-বোৱাৰী, নাতিনীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# তামুলপুৰৰ কুমাৰীকাটাত মাছ মাৰিবলৈ গৈ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩ আগষ্ট ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত কুমাৰীকাটা আৰক্ষী চকীৰ ঢেকীয়াবস্তিত কালি আবেলি এজন লোকৰ পানীত পৰি অকাল মৃত্যু হয়। কুমাৰীকাটা আৰক্ষীয়ে সদৰী কৰা মতে কুমাৰীকাটা ঢেকীয়াবস্তিৰ ফৰেষ্ট ৰিজাৰ্ভৰ মাজেৰে বৈ যোৱা এটা ডোঙৰ পানী যুঁৱলিত আবেলি পাঁচ মান বজাত এটা মৃতদেহ পৰি থকা দেখি স্থানীয় এজন লোকে কুমাৰীকাটা আৰক্ষী চকীত খবৰ দিয়ে। খবৰ পোৱাৰ লগে লগে কুমাৰীকাটা আৰক্ষীৰ দল এটাই ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি কুমাৰীকাটা আৰক্ষী চকীলৈ আনে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, মৃত লোকজন ভুটান সীমান্তৰ বৰিআঙাৰকাটা গাঁৱৰ প্ৰয়াত মাৰ্টিয়াছ লাক্ৰাৰ পুত্ৰ চিলৱাছ লাক্ৰা (৩৩)। ইপিনে. চিলৱাছে আজি দুপৰীয়া মাছ মাৰিবলৈ বুলি ঘৰৰ পৰা ওলাই আহিছিল। কিন্তু সন্ধিয়া পৰলৈ চিলৱাছে ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকে ওচৰে-পাঁজৰে বিচাৰ কৰে যদিও বিচাৰি নোপোৱাত চিন্তিত হৈ পৰে। আনহাতে, কোনো লোকে আবেলি ঢেকীয়াবস্তিত মাছ মাৰিবলৈ অহা এজন লোকৰ মৃতদেহ উদ্ধাৰ হোৱা বুলি চিলৱাছৰ পৰিয়ালৰ লোকক খবৰ দিয়াত পৰিয়ালৰ লোকে সন্ধিয়া কুমাৰীকাটা আৰক্ষী চকীত উপস্থিত হৈ মৃতদেহটো চিনাক্ত কৰে। তথ্য মতে, কঁকালত খালৈ বন্ধা অৱস্থাত পানী যুঁৱলিত পৰি মৃত্যু মুখত পৰা চিলৱাছ মৃগী ৰোগত আক্ৰান্ত আছিল।

# সদৌ অসম ব্যক্তিগত বিদ্যালয় ঐক্যমঞ্চৰ প্ৰথম কেন্দ্ৰীয় অভিৱৰ্তন-নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৩ আগষ্ট ঃ** সদৌ অসম ব্যক্তিগত বিদ্যালয় ঐক্যমঞ্চৰ কেন্দ্ৰীয় সমিতিৰ প্ৰথম অভিৱৰ্তন আৰু যোৰহাট জিলা সমিতিৰ দ্বিতীয় বাৰ্ষিকী প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে ২৮ জুলাইত যোৰহাটৰ ৰাধাকান্ত সন্দিকৈ ভৱনত অনুষ্ঠিত হয়। পতাকা উত্তোলনেৰে সভাৰ কাৰ্যসূচী আৰম্ভ কৰে ঐক্যমঞ্চৰ জিলা সমিতিৰ সভাপতি নিতুল কলিতাই। ইয়াৰ পাছতেই স্মৃতি তৰ্পণ কৰে ঐক্যমঞ্চৰ উপদেষ্টা চেনাৰাম ধনদিয়া চাৰে, বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে ঐক্যমঞ্চৰ অন্যতম উপদেষ্টা তথা কাকজান মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ডঃ ধীৰেন কলিতাই। পুৱা ন বজাৰ পৰা অনুষ্ঠিত কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধি সভাই যোৰহাটৰ জিতুমণি বৰ্মনক সাধাৰণ সম্পাদক আৰু লখিমপুৰৰ চেনিৰাম চুতীয়াক সভাপতিৰূপে লৈ এখন নতুন কেন্দ্ৰীয় সমিতি গঠন কৰে। মুকলি সভাত সভাপতিত্ব কৰে ঐক্যমঞ্চৰ কেন্দ্ৰীয় সমিতিৰ নৱনিৰ্বাচিত সভাপতি চেনিৰাম চুতীয়াই নিৰ্দিষ্ট বক্তাৰূপে মৰাণৰ ডঃ স্বপন কুমাৰ চুতীয়া আৰু বিশিষ্ট শিক্ষাবিদ স্বপন বেজবৰুৱাই 'ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু ব্যক্তিগত বিদ্যালয়ত ইয়াৰ প্ৰভাৱ' শীৰ্ষক বিষয়ৰ ওপৰত গভীৰ তথা গুৰুত্বপূৰ্ণ বক্তব্য দাঙি ধৰে। ইয়াৰ উপৰি সভাত উপস্থিত থাকে কাকজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপিকা তথা লাহদৈগড় একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সঞ্চালিকা ৰাজু বৰুৱা বাইদেউ, অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষা বিষয়া ৰমেন ফুকন দেৱ, কৌপাতি জাতীয় বিদ্যালয়ৰ সঞ্চালক ডঃ লুটন সৰকাৰে প্ৰমুখ্যে বিভিন্ন ব্যক্তিগত বিদ্যালয়ৰ বিদ্যালয় প্ৰধানসকল, শিক্ষক-কৰ্মচাৰীসকল আৰু ঐক্যমঞ্চৰ কেন্দ্ৰীয় আৰু জিলা সমিতিৰ বিভিন্ন বিষয়ববীয়া তথা সদস্য-সদস্যাসকল। ইয়াৰ উপৰি সভাখনত বিভিন্ন ব্যক্তিগত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উমৈহতীয়া অংশগ্ৰহণেৰে এক মনোমোহা সাংস্কৃতিক অনুষ্ঠান উদ্‌যাপন কৰা হয়।

# জোনবেলি কৃষক উৎপাদক গোষ্ঠীৰ শস্য ব্যৱস্থাপনাৰ প্ৰশিক্ষণ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩ আগষ্ট ঃ** নলবাৰী জিলাৰ বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত মাজুশিৱাল অঞ্চলত অৱস্থিত 'জোনবেলি কৃষক উৎপাদক গোষ্ঠীৰ কৃষকসকলৰ বাবে এপাৰ্ট আঁচনিৰ জৰিয়তে উদ্যান শস্য চপোৱাৰ পাছৰ ব্যৱস্থাপনাৰ' ওপৰত এদিনীয়া প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত উদ্যান শস্যৰ 'পোষ্ট হাৰভেষ্ট টেকন'লজী'ৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ লগতে শস্য চপোৱাৰ পাছৰ সংৰক্ষণৰ উন্নত প্ৰণালী, পেকেজিং আদি বিষয়তো আলোচনা কৰে। লগতে কৃষি বিভাগত চলি থকা বিভিন্ন আঁচনি যেনে চৰকাৰী মূল্যত ধান ক্ৰয় আঁচনি, ফচল বীমা যোজনা, কৃষক সন্মান নিধি আঁচনি ইত্যাদিৰ বিষয়ে কৃষকসকলৰ স'তে বিশদভাৱে আলোচনা কৰে। অনুষ্ঠানত জিলাখনৰ বৰশিৱাল চক্ৰৰ অধীনৰ কৃষি সম্প্ৰসাৰণ বিষয়া উৎপল ভাগৱতী, আত্মা আঁচনিৰ সহকাৰী প্ৰযুক্তি পৰিচালক (কৃষি) আব্দুল আজিজ, এপাৰ্ট প্ৰকল্পৰ জিলা উদ্যান শস্য সমন্বয়ক নয়নজ্যোতি কলিতা, জিলা কৃষি বিপণন সমন্বয়ক সত্যেন তালুকদাৰ প্ৰমুখ্যে এফপিচিৰ ব'ৰ্ড অৱ ডাইৰেক্টৰ আৰু ৬৫ জন এফপিচিৰ অংশীদাৰিত্ব কৃষক উপস্থিত থাকে।

**পোষ্ট হাৰভেষ্ট টেকন'লজীৰ ওপৰত গুৰুত্ব**

# স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপন উপলক্ষে সজাগতা সভা চিথিলাত

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ৩ আগষ্ট ঃ** স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপনৰ বাবে ভাৰত চৰকাৰে ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাৰ বাবে এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে। ইতিমধ্যে জাতীয় পতাকাৰ বাবে বিভিন্ন অঞ্চলত পতাকা বিপণী কেন্দ্ৰ স্থাপন কৰা হৈছে। অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টত ঘৰে ঘৰে ত্ৰিৰংগা পতাকা। এই উদ্দেশ্যেৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা চিথিলা আৰু বিন্যাছাৰা ভিচিডিচিৰ উদ্যোগত ঘৰে ঘৰে ত্ৰিৰংগা কাৰ্যসূচী সন্দৰ্ভত চিথিলা সমূহীয়া ভৱনত এক সজাগতা সভা অনুষ্ঠিত কৰে। সজাগতা সভাত চিথিলা ভিচিডিচিৰ চেয়াৰমেন কনকেশ্বৰ ৰায়, বিন্যাছাৰা ডিচিডিচিৰ চেয়াৰমেন অৰবিন্দ দাস, লগতে কনিষ্ঠ অভিযন্তা আব্দুল লতিফ চৌধুৰীৰ উপৰি আত্মসহায়ক গোচৰ চিআৰপি সকলো উপস্থিত থাকে।

# ডিব্ৰুগড় চহৰৰ পাঁচআলিত চোৰাং কাঠসহ গাড়ী জব্দ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৩ আগষ্ট ঃ** ডিব্ৰুগড় চহৰতেই এতিয়া চলিছে চোৰাং কুণ্ডাৰ বেহা। ক্ৰমে একাংশ অসাধু চক্ৰই মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত গঢ়ি তুলিছে চোৰাং কাঠৰ ৰমৰমীয়া বেহা। ডিব্ৰুগড়ত নিতৌ বৃদ্ধি পাইছে মহাবাহু ব্ৰহ্মপুত্ৰ পাৰত এনে অবৈধ আৰু চোৰাং কাঠৰ বেহা। কালি ডিব্ৰুগড় বন বিভাগৰ বনাঞ্চলিক বিষয়া পংকজ বৰা আৰু ডিব্ৰুগড় সদৰ থানাৰ নগৰ আৰক্ষী পৰিদৰ্শক নিলম সঞ্জীৱ নাথৰ নেতৃত্বত যোৱা এটা অভিযানকাৰী আৰক্ষীৰ দলে বিশেষ সূত্ৰৰ জৰিয়তে চহৰখনৰ পাঁচআলিৰ ব্ৰহ্মপুত্ৰৰ পাৰত অভিযান চলাই জব্দ কৰে বৃহৎ চোৰাং কাঠসহ চোৰাং কাঠ সৰবৰাহৰ লগত জড়িত থকা এখন টাটা ডিআই বাহন। আৰক্ষীয়ে জব্দ কৰা এই চোৰাং কুণ্ডা ডিব্ৰুগড় বন বিভাগক চমজাই দিয়ে। অভিযোগ মতে কিছু বিশেষ ব্যক্তিৰ হস্তক্ষেপত এইদৰেই ডিব্ৰুগড় চহৰৰ ভিন্ন স্থানত চলি আহিছে চোৰাং কাঠৰ ৰমৰমীয়া বেহা।

# মানাহৰ মুখ্য মাউত দণ্ডেশ্বৰ বড়োলৈ ভাৰত চৰকাৰৰ 'গজ গৌৰৱ' সন্মান

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ আগষ্ট ঃ**

বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মুখ্য মাউত দণ্ডেশ্বৰ বড়োলৈ ভাৰত চৰকাৰৰ 'গজ গৌৰৱ' সন্মান। ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ হস্তী পৰিযোজনা বিভাগে দণ্ডেশ্বৰ বড়োৱে এই সন্মানৰ বাবে নিৰ্বাচিত হোৱা বুলি উল্লেখ কৰা এক পত্ৰ অনুসৰি, পাঞ্জাবাৰীস্থিত প্ৰধান মুখ্য বন সংৰক্ষকৰ 'বন্যপ্ৰাণী' কাৰ্যালয়ৰ পৰা উপবন সংৰক্ষক এ গানিয়ে এক জাননীযোগে সদৰী কৰিছে এই কথা । উল্লেখ্য যে পোহনীয়া হাতীৰ পৰিচৰ্যা-প্ৰতিপালন-পৰিচালনৰ লগতে হাতী সংৰক্ষণৰ লগত জড়িত হৈ বিশেষ ফলাফল দেখুওৱা ব্যক্তিক আগবঢ়াই অহা হৈছে এই গজ গৌৰৱ বঁটা। দণ্ডেশ্বৰ বড়োলৈ এই বঁটা ঘোষণাৰ পাছতে উৎফুল্লিত হৈ পৰিছে তেওঁৰ লগতে মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু ইয়াৰ স্থানীয় ৰাইজ। মানাহৰ মুখ্য মাউত দণ্ডেশ্বৰ বড়োৱে জনায় যে তেওঁৰ দেউতাক চৌৰাং বড়োৱেও মানাহত ১৯৯৪ৰ পৰা মুখ্য মাউতৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯৭ত চাকৰিকালতে বনৰীয়া ম'হৰ আক্ৰমণত তেওঁৰ মৃত্যু হৈছিল। পিতৃৰ চাকৰি সূত্ৰে সৰুৰে পৰাই হাতীৰ লগত জড়িত দণ্ডেশ্বৰ বড়োৱে ১৯৮৭ত মানাহত কেজুৱেল কৰ্মী হিচাপে যোগদান কৰিছিল । পানবাৰী ৰেঞ্জত কাৰ্যকালৰ পাতনি মেলি ১৯৯৪ত তেওঁৰ চাকৰি নিয়মীয়া হয় আৰু পৰৱৰ্তী সময়ত মানাহৰ বাঁহবাৰী ৰেঞ্জত আহি এতিয়াও বাঁহবাৰীৰ মহল কেম্পতে নিয়োজিত হৈ আছে। আনহাতে, দণ্ডেশ্বৰ বড়োৱে প্ৰথমে জড়িত হৈ পৰা হাতীটোৰ নাম আছিল 'জয়বাহাদুৰ' । উল্লেখ্য যে মানাহত বৰ্তমান ৫৭ টা বিভাগীয় হাতী আছে, আৰু এই হাতী বিলাকৰ পৰিচৰ্যা-প্ৰতিপালনতে নিতৌ ব্যস্ত হৈ থাকে দণ্ডেশ্বৰ বড়োৰ লগতে আন মাউত-ঘাঁচী সকলো। এই বঁটা লাভৰ কথা জানিব পাৰি তেওঁ আনন্দিত হোৱা বুলি জনোৱাৰ লগতে তেওঁৰ বাকী থকা ন বছৰীয়া চাকৰিকালৰ বাবেও এয়া এক উৎসাহ বুলি জনায় । অহা ১২ আগষ্টত বিশ্ব হস্তী দিৱসৰ দিনাই কেৰালাৰ পেৰিয়াৰ এলিফেণ্ট ৰিজাৰ্ভত তেওঁক 'গজ গৌৰৱ' বঁটা প্ৰদান কৰা হ'ব।



# বিজনীত অবৈধ বালি কঢ়িয়াই অনা দুখন ট্ৰেক্টৰসহ পাঁচজনক আটক

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৩ আগষ্ট ঃ** চিৰাঙৰ বিজনীৰ উত্তৰাঞ্চলত অব্যাহত শিল-বালিৰ অবৈধ সৰবৰাহ। বন বিভাগৰ চকুত ধূলি দি একাংশ অসাধু চক্ৰই দীৰ্ঘদিনৰ পৰা ডাম্পাৰ আৰু ট্ৰেক্টৰেৰে অবৈধ বালি, শিলৰ সৰবৰাহ কৰি আছিল যদিও কালি এছএছবিৰ অভিযানত জালত পৰে অবৈধ বালি ভৰ্তি দুখন ট্ৰেক্টৰ। এছএছবিৰ ১৫ নম্বৰ বেটেলিয়নৰ কুমাৰশালী শিবিৰৰ এলফা কোম্পানীৰ পৰিদৰ্শক উমেশ কুমাৰৰ নেতৃত্বত এটা এছএছবিৰ দলে দুটা পৃথক স্থানত অবৈধ বালিভৰ্তি দুখন ট্ৰেক্টৰসহ পাঁচজন লোকক আটক কৰে। প্ৰথমে মানাস ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৱৰ্তী দমৰঙৰ পৰা নম্বৰপ্লেট বিহীন এখন বালিভৰ্তি ট্ৰেক্টৰসহ এক নম্বৰ মালিপাৰা নিৱাসী বিনয় ব্ৰহ্মৰ, ছানছুমা বড়ো আৰু সঞ্জীৱ ব্ৰহ্মক আটক কৰাৰ কিছুসময় পাছত পুনৰ বাতাবাৰীত আন এখন নম্বৰপ্লেট বিহীন অবৈধ বালিভৰ্তি ট্ৰেক্টৰসহ ভৱানীপুৰ নিৱাসী ছাহজাহান আলী আৰু মাঝাৰ আলী নামৰ দুজনক আটক কৰে। জব্দকৃত দুয়োখন ট্ৰেক্টৰৰে নাছিল কোনো নথিপত্ৰ অথবা বালিৰ চালান। পাছত এছএছবিৰ দলটোৱে জব্দ পাঁচখন বালি ভৰ্তি ট্ৰেক্টৰসহ আটক পাঁচজন লোকক বিজনী বন বিভাগৰ ডিপট কাৰ্যালয়ত চমজাই দিয়ে। জিলাখনৰ সকলো প্ৰান্ততে এই দৰেই শিল-বালিৰ অবৈধ কাৰবাৰ চলিছে যাৰ বাবে নিতৌ কোটি টকাৰ ৰাজহ ফাকি দিয়া পৰিলক্ষিত হৈছে।

## ■ এনএফ ৰেলৱে মজদুৰ ইউনিয়নৰ শিমলুগুৰি শাখাৰ অধিবেশন সম্পন্ন

# ৰেল শিল্পটোক ৰক্ষা কৰিবলৈ বৃহৎ আন্দোলনৰ গত্যন্তৰ নাই

**অগ্ৰদূত বাৰ্তা**

**শিমলুগুৰি, ৩ আগষ্ট ঃ** 'দেশৰ সভ্যতা সংস্কৃতি আৰু অৰ্থনীতিৰ ৰূপৰেখা স্বৰূপ ৰেল শিল্পটোক ৰক্ষা কৰিবলৈ হ'লে বৃহৎ আন্দোলনৰ অবিহনে আৰু কোনো গত্যন্তৰ নাই। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে দেশৰ বুনিয়াদ গঢ়া শিল্প আৰু সম্পদসমূহ এফালৰ পৰা এপদ এপদকৈ ব্যক্তিগত খণ্ডৰ হাতত গতাবলৈ ধৰা ফলতে আন্দোলনৰ পথ ল'বলৈ বাধ্য হৈছে ৰেল শ্ৰমিক আৰু জনসাধাৰণে।' নাজিৰাৰ শিমলুগুৰিত এনএফ ৰেলৱে মজদুৰ ইউনিয়নৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা অল ইণ্ডিয়া ৰেলৱেমেনছ ফেডাৰেছনৰ সহকাৰী সাধাৰণ সম্পাদক আশিস বিশ্বাসে এইদৰে কয়। এনএফ ৰেলৱে মজদুৰ ইউনিয়নৰ শিমলুগুৰি শাখাৰ নৱম বাৰ্ষিক অধিবেশনৰ বিশিষ্ট অতিথিৰূপে যোগদান কৰি তেওঁ কয় যে ১৯৭৪ৰ দৰে ঐতিহাসিক আন্দোলন আকৌ হ'বলৈ গৈ আছে আৰু তাৰ কাৰণে সকলোৱে টঙালি বান্ধি সাজু হৈ থাকক। ৰেল শ্ৰমিক সংগঠনটোৰ শিমলুগুৰি শাখাৰ এই অধিবেশন উপলক্ষে পুৱা শাখা উপ-সভাপতি পৰাণজ্যোতি সেনাপতিয়ে পতাকা উত্তোলন কৰে আৰু সহকাৰী সম্পাদক পুলকেশ ৰাজখোৱাই ছহিদ তৰ্পণ কৰাৰ পাছতে প্ৰতিনিধি আৰু মুকলি সভা অনুষ্ঠিত হয়। পৰাণজ্যোতি সেনাপতিয়ে সভাপতিত্ব কৰা সভাত এনএফ ৰেলৱে মজদুৰ ইউনিয়নৰ নৱ নিৰ্বাচিত কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক পুলক গগৈ আৰু উপ-সভাপতি দিবাকৰ বৰুৱাৰ লগতে মহিলা কোষৰ নেত্ৰী ৰিমা মহন্ত তথা মৰিয়নি আৰু ডিব্ৰুগড় ৰ্বৰ্কশ্বপ শাখাৰ সভাপতি-সম্পাদক আদিৰ উপৰি আমগুৰি, শিৱসাগৰ, মৰাণ, লাকুৱা, চক্ৰাই, ভজোৰ পৰা অহা শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। মুকলি সভাত ৰেল শ্ৰমিক নেতা পুলক গগৈ, দিবাকৰ বৰুৱা, ৰিমা মহন্তই ভাষণ প্ৰদান কৰি ৰেল শ্ৰমিকসকলে ন্যায্য প্ৰাপ্য আদায়ৰ সংগ্ৰামত সকলোকে ঐক্যবদ্ধ হ'বলৈ আহ্বান জনায়। মুকলি সভাতেই পুৰণি সমিতিখন ভংগ কৰি চাহাবুদ্দিন আহমেদক সভাপতি, পুষ্পধৰ ভূঞাক সাধাৰণ সম্পাদক, পুলকেশ ৰাজখোৱাক যুটীয়া সম্পাদক আৰু বাপন ধৰক কোষাধ্যক্ষ ৰূপে লৈ নজনীয়া নতুন সমিতিখন গঠন কৰা হয়। ইয়াৰ সমান্তৰালকৈ জয়প্ৰকাশ পালক সভাপতি, অংকুৰ দত্ত গুপ্তাক সম্পাদক হিচাপে লৈ যুৱকোষ আৰু চৈয়দা চালিমা বেগমক সভানেত্ৰী, গীতাশ্ৰী গগৈক সম্পাদিকাৰূপে লৈ মহিলা কোষৰ নতুন সমিতিও গঠন কৰা হয়।

# ৰাজগড় চাৰেং পথাৰত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ৩ আগষ্ট ঃ** টিংখাং সমষ্টিৰ ৰাজগড় আৰক্ষী চকীৰ অন্তৰ্গত চাৰেং পথাৰ গাঁৱত কালি এক অঘটন সংঘটিত হয়। সন্ধিয়া বিদ্যুৎস্পৃষ্ট হৈ কৰুণভাৱে অকাল মৃত্যুক সাবটি লয় এজন যুৱকে। ৰাজগড় আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই সদৰী কৰা মতে গাঁওখনৰ নিবাসী লখাই দেউঘৰীয়া আৰু ফুলেশ্বৰী দেউঘৰীয়া ১৮ বছৰীয়া পুত্ৰ দিবাকৰ দেউঘৰীয়া নামৰ যুৱকজনে ধান খুন্দিবলৈ বুলি বৰদেউতাকৰ ঘৰলৈ গৈ বিদ্যুৎস্পৃষ্ট হয়। তাৎক্ষণিকভাৱে সংকটনজক অৱস্থাত যুৱকজনক লেঙেৰী মডেল চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে।

# সুদক্ষ ভলীবল খেলুৱৈ, অৱসৰী শিক্ষক বাসৱ চহৰীয়াৰ মৃত্যু ঃ মঙলদৈত শোক

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৩ আগষ্ট ঃ** এগৰাকী সুদক্ষ ভলীবল খেলুৱৈ, শিক্ষক, সমাজকৰ্মী বাসৱ চহৰীয়াৰ যোৱা এক আগষ্টৰ নিশা ন বজাত মঙলদৈ অসামৰিক চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। বিগত কিছুদিনৰ পৰা প্ৰয়াত চহৰীয়া বাৰ্ধক্যজনিত কাৰণত মঙলদৈৰ ভেবাৰঘাটস্থিত নিজা বাসভৱনত চিকিৎসাধীন হৈ আছিল যদিও কালি হঠাৎ স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোকে চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। ১৯৪২ ৰ ১০ অক্টোবৰত জন্মলাভ কৰা চহৰীয়াই মঙলদৈৰ ভেবাৰঘাট প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰি লেঙেৰীপাৰা প্ৰাথমিক বিদ্যালয়, বানেশ্বৰ ডেকা প্ৰাথমিক বিদ্যালয়ৰ উপৰি কে'বাখনো বিদ্যালয়ত সুখ্যাতিৰে শিক্ষকতা কৰি ২০০২ত মঙলদৈ নগৰ বালিকা প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাৰ লগতে তেওঁ মঙলদৈৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। মঙলদৈ ক্ৰীড়া সন্থাৰ ভলীবল সম্পাদক আৰু উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তাৰ উপৰি মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক, সদৌ মঙলদৈ ৰঙালী বিহুৰ সভাপতি, ভেবাৰঘাট দুৰ্গা মন্দিৰৰ কে'বা বছৰো সম্পাদক আৰু সভাপতি আৰু মঙলদৈত ১৯৭৪ত হোৱা অসম সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ সদস্য হিচাপেও তেওঁ জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ, বোৱাৰী, নাতি, এজনী ভগ্নী, দুজন ভ্ৰাতৃ, ভতিজা আৰু বহু আত্মীয় আৰু গুণমুগ্ধক এৰি যায়। তেওঁৰ মৃত্যুত প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক হীৰেন দাস আৰু গুৰুজ্যোতি দাস, প্ৰাক্তন পৌৰপতি তথা ভ্ৰাতৃ ৰাতুল চহৰীয়া, প্ৰতাপ বৰদলৈ আৰু পৰাণ দাস, মঙলদৈ মিডিয়া চাৰ্কোল, মঙলদৈ টাউন ক্লাব, মঙলদৈ ক্ৰীড়া সন্থা, ভেবাৰঘাট দুৰ্গা মন্দিৰ পৰিচালনা সমিতি, ভেবাৰঘাট প্ৰাথমিক বিদ্যালয়, প্ৰাক্তন শিক্ষা বিষয়া ফুলেন্দ্ৰ নাথ চহৰীয়া, প্ৰাক্তন ছাত্ৰ নেতা দিগন্ত মণি বড়া, দৰং জিলা সাহিত্য সভা আৰু বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে।

# গৌৰীসাগৰত ৪৮ ড্ৰাম চোৰাং খাৰুৱা তেল জব্দ আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ৩ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষীয়ে কালি এখন ট্ৰাকত কঢ়িয়াই অনা ৪৮ ড্ৰাম চোৰাং খাৰুৱা তেল জব্দ কৰে। আৰক্ষীৰ তালাচীত খাৰুৱা তেল কঢ়িয়াই অনা এখন ছয়চকীয়া ট্ৰাক আৰক্ষীয়ে জব্দ কৰাৰ উপৰি ট্ৰাকখনৰ চালক-হেণ্ডিমেন দুয়োজনকে আটক কৰিছে। গৌৰীসাগৰ আৰক্ষীৰ সূত্ৰে জানিব পৰা মতে আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সত্যজিৎ বৰঠাকুৰৰ নেতৃত্বত এটা আৰক্ষীৰ দলে নিশা গৌৰীসাগৰ তিনিআলিত নাকা তালাচী চলাই আছিল। সেই সময়তে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত শিৱসাগৰৰ পৰা যোৰহাট অভিমুখে গৈ থকা ইউ পি ৩২ কিউ এন-৭২১৭ নম্বৰৰ এখন ট্ৰাক দেখা পাই ৰখাবলৈ ইংগিত দিয়ে। ট্ৰাকখন ৰখোৱাত আৰক্ষীয়ে তালাচী চলাই খাৰুৱা তেলৰ ড্ৰামবোৰ দেখা পোৱাত চালক হেণ্ডিমেনক সোধ-পোছ কৰে। কিন্তু কোনো বৈধ নথি-পত্ৰ দেখুৱাব নোৱাৰাত আৰক্ষীয়ে খাৰুৱা তেলখিনিৰ লগতে ট্ৰাকখন

## ■ ট্ৰাকসহ চালক-হেণ্ডিমেনক আটক



জব্দ কৰি চালক উত্তৰ প্ৰদেশৰ অমৰজিৎৰ লগতে হেণ্ডিমেন হৰ্ষ পালক আটক কৰি থানালৈ আনে। বৰ্তমান আৰক্ষীয়ে অধিক তথ্যৰ বাবে চালক-হেণ্ডিমেন দুয়োজনৰ ওপৰত জেৰা অব্যাহত ৰাখিছে। স্মৰ্তব্য যে বিগত বহু বছৰ ধৰি উজনি অসমৰ বিভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰ জিলাত চোৰাং খাৰুৱা তেলৰ ব্যৱসায় চলি আহিছে। শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰত অ' এন জি চিৰ খাৰুৱা তেল পৰিবাহী পাইপ ফুটাই দুষ্ট চক্ৰই চোৰাংকৈ খাৰুৱা তেলৰ ৰমৰমীয়া বেহা চলাই আহিছে। আৰক্ষীয়ে বিভিন্ন সময়ত এই চোৰাং খাৰুৱা তেলৰ লগত জড়িত দুষ্ট চক্ৰক উৎখাত কৰি আহিছে। কিন্তু গৌৰীসাগৰ আৰক্ষীয়ে কালি পুনৰ চোৰাং খাৰুৱা তেলখিনি জব্দ কৰাক লৈ বৰ্তমানেও যে উজনি অসমত অইল, অ' এন জি চিৰ চোৰাং খাৰুৱা তেল চুৰি চক্ৰ যে সক্ৰিয় হৈ আছে সেই কথাকে প্ৰমাণ কৰিছে। আনহাতে, গৌৰীসাগৰ আৰক্ষী তালাচীত প্ৰায় তিনি মাহৰ পূৰ্বেও ধৰা পৰিছিল কে'বাশ লিটাৰ চোৰাং খাৰুৱা তেল। যদি আৰক্ষীয়ে উচিত তালাচীৰ ব্যৱস্থা গঢ়ি তোলে তেতিয়া নিশ্চিতভাৱে চোৰাং খাৰুৱা তেলৰ লগত জড়িত চক্ৰক উৎখাত কৰিবলৈ সক্ষম হ'ব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে।

# বেঁকাজানত বিনামূলীয়া চকু পৰীক্ষা-চশমা প্ৰদান শিবিৰ

## ২০৫ গৰাকী লোকৰ চকু পৰীক্ষা



**বিশেষ সংবাদদাতা**

**নগাবাট, ৩ আগষ্ট ঃ** তিতাবৰ মহকুমাৰ বেঁকাজানত কালি অনুষ্ঠিত হয় এক চকু পৰীক্ষা আৰু চশমা প্ৰদান শিবিৰ। ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নগাবাট সমষ্টিৰ সদস্য বিপুল কছাৰীৰ আহ্বানত ভাৰত বিকাশ পৰিষদ আৰু স্নেহপদৰ উদ্যোগত বেঁকাজান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত অনুষ্ঠিত শিবিৰটোত অঞ্চলটোৰ ২০৫গৰাকী লোকৰ চকু পৰীক্ষা কৰি চশমা প্ৰদান কৰে। সেয়ে পুৱা শিবিৰটোৰ ফিটা কাটি উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ গগৈয়ে। বৰহোলা সাংবাদিক সন্থাৰ সম্পাদক অজয় শইকীয়াই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ দিহিঙীয়া সমষ্টিৰ সদস্য আচিন্ত শইকীয়া, সমাজকৰ্মী অনুপ টাইড, সংবাদকৰ্মী অচ্যুত বৰুৱা, শিক্ষক ক্ৰমে প্ৰণৱজ্যোতি গগৈ, যোগেন গগৈ, ৰামেশ্বৰ যাদৱ, বকুল কছাৰী, ভুৱন বৰুৱা আদিয়ে অংশগ্ৰহণ কৰে। বেঁকাজান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী উপস্থিত থাকি দিনজোৰা কাৰ্যসূচীটো সুচাৰুৰূপে পৰিচালনা কৰাত সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে ২০৫গৰাকী লোকৰ চকু পৰীক্ষা আৰু চশমা প্ৰদানৰ সম্পূৰ্ণ খৰচ বহন কৰে কছাৰীয়ে। আৰ্থিক নাটনিৰ বাবে চকু পৰীক্ষাৰ পৰা বঞ্চিত হোৱা অঞ্চলটোৰ বহুসংখ্যক লোক এই শিবিৰটো জৰিয়তে বিনামূলীয়াকৈ চশমা লাভ কৰাত যথেষ্ট উপকৃত হয়।

# ঘগ্ৰাপাৰ-বিলপাৰত ক'ভিড-১৯ মেগা প্ৰতিষেধক



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩ আগষ্ট ঃ** ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ বিশেষ তৎপৰতাত কৰ'না মহামাৰী প্ৰতিৰোধৰ বাবে ক'ভিড প্ৰতিষেধক শিবিৰ চলি থকাৰ সময়তে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত বিলপাৰ উপ-স্বাস্থ্যত ৰাষ্ট্ৰীয় স্বাস্থ্য স্বয়ং সেৱক অভিযানৰ উদ্যোগত কালি ক'ভিড-১৯ মেগা প্ৰতিষেধক শিবিৰ অনুষ্ঠিত কৰা হয়। শিবিৰটো উদ্বোধন কৰে বিজেপিৰ নলবাৰী জিলা সমিতিৰ সভাপতি ড° মৃগাংক তালুকদাৰে। শিবিৰটো মুকলি কৰি তেওঁ ক'ভিড-১৯ প্ৰতিষেধকৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তব্য আগবঢ়ায়। আশা ছুপাৰভাইজাৰ ধৰিত্ৰী ডেকাই আঁত ধৰা অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা শিবিৰত বিলপাৰ ৰাইজে ক'ভিড-১৯ (বুষ্টাৰ ড'জ) গ্ৰহণ কৰাত ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ৰাজ্য-কেন্দ্ৰ চৰকাৰে দিয়া আঁচনিসমূহৰ বিষয়েও সদৰী কৰে। লগতে নেতাগৰাকীয়ে সকলো শ্ৰেণীৰ ৰাইজকে 'হৰ ঘৰ ত্ৰিৰংগ' কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে আহ্বান জনায়। অনুষ্ঠানত ঘগ্ৰাপাৰ স্বাস্থ্য কেন্দ্ৰৰ নাৰ্ছ-কৰ্মচাৰীসহ এএনএম আৰ্ফুজা বেগম, চিএইছঅ' হিমানী কলিতা, স্বাস্থ্যকৰ্মী প্ৰমোদ লহকৰ, চন্দ্ৰধৰ লহকৰ, গাঁও প্ৰধান গুণেশ্বৰ চৌধুৰী, অংগনৱাড়ী কৰ্মী-সহায়িকা, আশাকৰ্মীয়ে অংশগ্ৰহণ কৰা শিবিৰটো প্ৰায় শতাধিক ৰাইজে প্ৰতিষেধক গ্ৰহণ কৰে।

# দুৰাৰোগ্য ৰোগত আক্ৰান্ত ১৭ বছৰীয়া বিশ্বজিৎ ৰাভাক সহায় কৰিবলৈ পৰিয়ালৰ কাতৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**টংলা, ৩ আগষ্ট ঃ** ওদালগুৰি জিলাৰ পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বানসেৰীয়া গাঁৱৰ নিবাসী সমৰজিৎ ৰাভা আৰু বুদ্ধেশ্বৰী ৰাভাৰ সন্তান বিশ্বজিৎ ৰাভাই বিগত ২০১৫ৰ পৰা ভুগিছে কঠিন ৰোগত। ২০১৫ত ওদালগুৰি অসামৰিক চিকিৎসালয়ত দেখুৱাওতে নাৰ্ভৰ বেমাৰ বুলি চিকিৎসকে পৰামৰ্শ আগবঢ়াই চিকিৎসা সেৱা কৰিছিল। আৰ্থিকভাৱে অনুন্নত হোৱা বাবে উন্নতমানৰ চিকিৎসা কৰিব নোৱাৰা বাবে সম্প্ৰতি ক্ৰমান্বয়ে শুকাই-ক্ষীণাই গৈছে। জীয়াই থকাৰ অফুৰন্ত হেঁপাহ পুহি ৰখা ১৭ বছৰীয়া বিশ্বজিৎ ৰাভাই নিয়তিৰ পৰিহাসৰ চিকাৰ হৈ নতুন নতুন জীৱনৰ সপোন দেখা বয়সতে বিছনাখনকেই একমাত্ৰ সংগী কৰি ল'বলগীয়া হৈছে। বিশ্বজিৎ ৰাভাৰ মাতৃ বোধেশ্বৰী ৰাভায়ো নানান ৰোগত আক্ৰান্ত। স্মৃতিশক্তিও কমিছে। বহু কথাই মনত নাথাকে। চমুকৈ ক'বলৈ গ'লে পৰিয়ালটো কোনোমতে খাই-বৈ জীয়াই আছে নিয়তিক ধিয়াই। অসহায় পৰিয়ালটোয়ে বিশ্বজিতক সুস্থ-সৱল কৰি তুলিবলৈ যিয়ে যি পৰামৰ্শ কৰিছে সেই মতেই কাম কৰিছে দিনে-নিশাই। চৰকাৰী পক্ষৰ পৰা ২০১৬ৰ পৰা ৩০০০ টকা আৰু বৰ্তমান ২০২১ ৰ পৰা ১০০০ টকাকৈ লাভ কৰিছে নগদ ধন। কি কাৰণত ২০০০ টকা নিদিয়া হ'ল এই কথা বিশ্বজিৎ ৰাভাৰ পৰিয়ালে নাজানে। পৰিয়ালটোৰ এনে দুৰ্দশাৰ দিনত কোনোবা মানৱদৰদী ব্যক্তিয়ে আহি কাষত থিয় হ'ব নে? আৰ্ত দুৰ্গতসকলৰ সহায় হওঁ HelpingHandৰ সঞ্চালক মানৱদৰদী যতীন্দ্ৰ নাথ কৃষ্ণদাসে সম্প্ৰতি এই কথা পোহৰলৈ আনিছে। নিজৰ ফালৰ পৰা যিমানখিনি পাৰিছে সহায়-সহযোগ আগবঢ়াইছে লগতে মানৱদৰদী ব্যক্তিৰ সমূহলৈ অনুৰোধ জনাইছে যেন অসহায় পৰিয়ালটোৰ সহায় সাৰথি হৈ কাষত থিয় হয়। ইচ্ছুক সহৃদয় লোকে সহায় কৰিবলৈ তলৰ বেংক একাউণ্ট নম্বৰ - ৩৫১৮৯১৭০৭৫ চিবিআই, টংলা শাখাত প্ৰেৰণ কৰিবলৈ দুখীয়া কোনোমতে পেটে-ভাতে খাই থকা বিশ্বজিতৰ পিতৃয়ে অনুৰোধ জনাইছে।

# গকুল গগৈক চৰাইদেউ জিলা যুৱ কংগ্ৰেছৰ সভাপতি নিযুক্তি

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩ আগষ্ট ঃ** ৰাজ্যখনৰ প্ৰধান বিৰোধী ৰাজনৈতিক অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ অন্যতম ভ্ৰাতৃ যুৱ সংগঠন অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ চৰাইদেউ জিলা সমিতিৰ সভাপতিৰূপে দায়িত্ব লাভ কৰিছে যুৱ সংগঠক গকুল গগৈয়ে । অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভানেত্ৰী ড° অংকিতা দত্তৰ নিৰ্দেশ অনুসৰি যুৱ কংগ্ৰেছৰ ৰাজ্যিক সাধাৰণ সম্পাদক অংকুৰ দাসে সাংগঠনিক এক পত্ৰৰ জৰিয়তে গকুল গগৈক জিলা যুৱ কংগ্ৰেছৰ সভাপতিৰূপে নিযুক্তি প্ৰদান কৰিছে। জিলাখনৰ মাহমৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত বতামৰা নিৱাসী গকুল গগৈয়ে ছাত্ৰাৱস্থাতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ লগত জড়িত হৈ পৰৱৰ্তী সময়ত কংগ্ৰেছৰ ছাত্ৰ সংগঠন এন এছ ইউ আইত যোগদান কৰি পাছত মাহমৰা সমষ্টি যুৱ কংগ্ৰেছৰ সভাপতি পদত অধিষ্ঠিত হৈছিল। দলীয় সাংগঠনিক ভেটি শক্তিশালী কৰা এজন অন্যতম সংগঠক হিচাপে পৰিচিত গকুল গগৈক জিলা যুৱ কংগ্ৰেছৰ সভাপতিৰূপে নিযুক্তি প্ৰদান কৰাত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক সুৰুষ দিহিঙীয়া, সম্পাদক উৎপল গগৈ, চৰাইদেউ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি অনুজ বৰকটকী, মাহমৰা ব্লক কংগ্ৰেছৰ সভাপতি কেশৱ গগৈৰ লগতে বিভিন্নজন দলীয় সতীৰ্থই শুভেচ্ছা জ্ঞাপন কৰিছে ।

## ■ জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ পদক্ষেপ

# যজ্ঞভূমিত তিনি বিশিষ্ট ব্যক্তিক ৰাজহুৱা সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩ আগষ্ট ঃ** নলবাৰী জিলাৰ য:ভূমিত যোৱা এক আগষ্টত অঞ্চলটোৰ তিনিজন কৃতী শিক্ষক, সমাজ কৰ্মীক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। যজ্ঞভূমি জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ উদ্যোগত আয়োজিত অনুষ্ঠানত সন্মিলনীৰ সভাপতি, নাট্যশিল্পী যাদৱ চন্দ্ৰ ডেকাৰ সভাপতিত্বত এখন সভা হয়। সম্পাদক দেৱেশ্বৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত কৃতী শিক্ষক বীৰেন্দ্ৰ শৰ্মা, লোহিত ডেকা আৰু সমাজকৰ্মী ফৰমান আলীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট নাগৰিক ৰবীন মিশ্ৰই কয় যে বীৰেণ শৰ্মা এগৰাকী আদৰ্শ শিক্ষক নহয় তেওঁ সমাজৰ হকে দ্বায়বদ্ধতাৰে কাম কৰা এজন সমাজমুখী লোক। লোহিত ডেকা বৃহত্তৰ যজ্ঞভূমিৰ অঞ্চলটোৰ এগৰাকী সমাজৰ পথ প্ৰদৰ্শক ব্যক্তি হোৱাৰ লগতে ফৰমান আলী চাহাবে ধৰ্মপ্ৰাণ ব্যক্তি যদিও সমাজক সমন্বয়, ভ্ৰাতৃত্ববোধে পৰামৰ্শ দিয়া ব্যক্তি। জ্যেষ্ঠ নাগৰিক সন্মিলনে এনে ধৰণৰ বিশিষ্ট লোকক সম্বৰ্ধনা দি সমাজলৈ বিশেষ বাৰ্তা দিয়া বুলিও ব্যক্ত কৰে। অনুষ্ঠানত কনক প্ৰাণ বাচ্যস ভাষণত চৰকাৰে জ্যেষ্ঠ নাগৰিক সকলক প্ৰকৃতাৰ্থত সুবিধা দিবলৈ সক্ষম নোহোৱা বুলি ক্ষোভ ব্যক্ত কৰে। অনুষ্ঠানত মধুসুধন গোস্বামী, ভগৱান ডেকা, হেম বৈশ্য, প্ৰণীতা দেৱী, নুৰবস্ক আলী, কুমুদ শৰ্মাসহ কে'বাজনেও জ্যেষ্ঠ নাগৰিকৰ সমাজৰ প্ৰতি দ্বায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত বক্তব্য ৰখা অনুষ্ঠানত সমাজকৰ্মী তৰণী শৰ্মা, ভৰেন শৰ্মা, অনিল ডেকা, ডাঃ তৰুণ শৰ্মা, খগেন শৰ্মা, ধৰম আলী, প্ৰমোদ চক্ৰৱৰ্তী, কুমুদ শৰ্মা, প্ৰদীপ চন্দ্ৰ শৰ্মা, ৰোহিনী শৰ্মা,ত্ৰৈলোক্য নাথ শৰ্মা, জিতেন্দ্ৰ নাথ শৰ্মা, ৰমেশ চন্দ্ৰ শৰ্মা, দিলীপ চন্দ্ৰ বৈশ্য, বিপিন ৰাজবংশী, সুৰেন্দ্ৰ বৰ্মন, খনীন চক্ৰৱৰ্তী, অৱনী কান্ত শৰ্মা, ৰাজেশ্বৰ মহন্ত, দেৱানন্দ ডেকা, কমলাকান্ত ভট্ট, ৰীণা দেৱী,উমেশ চন্দ্ৰ ডেকা, জনাৰ্দন তালুকদাৰ, প্ৰদীপ শৰ্মা, মীনা দেৱী সহ বহুসংখ্যকে উপস্থিত থাকে।

# শিৱসাগৰত বিজেপিৰ প্ৰস্তুতি সভা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৩ আগষ্ট ঃ** দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ টা বছৰ অতিক্ৰম কৰা উপলক্ষে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা কৰা 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে আজি বিজেপিৰ শিৱসাগৰ জিলা মুখ্য কাৰ্যালয়ত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। শিৱসাগৰ বিধানসভা সমষ্টি ভিত্তিত অনুষ্ঠিত হোৱা সভাখনত উপস্থিত থাকি বিজেপি অসম প্ৰদেশৰ উপ-সভাপতি জয়ন্ত দাসে হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। শিৱসাগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত জিলা বিষয়ববীয়া, জিলা মৰ্চাসমূহৰ বিষয়ববীয়া, মণ্ডল সমিতিৰ বিষয়ববীয়া, মণ্ডল মৰ্চাসমূহৰ বিষয়ববীয়া, শক্তিকেন্দ্ৰৰ তত্ত্বাৱধায়কসকল, বুথৰ সভাপতিসকল, পঞ্চায়তৰ প্ৰতিনিধিসকল উপস্থিত থকা এই প্ৰস্তুতি সভাত বিজেপিৰ শিৱসাগৰ জিলা ময়ূৰ বৰগোহাঁই, সাধাৰণ সম্পাদক প্ৰণৱ চেতিয়া, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্যা সুৰভী ৰাজকুঁৱৰী, সদস্য মানসজ্যোতি সন্দিকৈকে ধৰি বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে।



*বিষ্ণু-জ্যোতি নাট্যগোষ্ঠীৰ নাট্যাৰম্ভ কাৰ্যসূচীত অংশগ্ৰহণকাৰী, বুধবাৰে।*

# ধিঙত ধিং প্ৰেছ ক্লাবৰ সৌজন্যত ৰক্তদান শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**ধিং, ৩ আগষ্ট ঃ** নগাঁও জিলাৰ ধিঙত কালি দিনজোৰা কাৰ্যসূচীৰে ধিং প্ৰেছ ক্লাবৰ সৌজন্যত এটি ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ধিং বজাৰৰ মাজমজিয়াত টিম হিউমিনিটিৰ উদ্যোগত আৰু ধিং প্ৰেছ ক্লাবৰ সৌজন্যত আয়োজন কৰা এই ৰক্তদান শিবিৰত প্ৰায় ৩০জনতকৈও অধিক ব্যক্তিয়ে স্বেচ্ছামূলকভাৱে ৰক্তদান কৰে। কালিৰ এই ৰক্তদান শিবিৰত অতিকৈ দুৰূহ এ নিগেটিভ, বি নিগেটিভ আৰু এবি নিগেটিভ গ্ৰুপৰ বহু কেইবাগৰাকী ব্যক্তিয়ে ৰক্তদান কৰে। নগাঁও অসামৰিক চিকিৎসালয়ৰ ৰক্ত ভড়ালৰ বিষয়ববীয়া আহি এই ৰক্তদান কাৰ্যসূচীত ৰক্তদান কৰা ব্যক্তিসকলৰ পৰা তেজ সংগ্ৰহ কৰে। কালিৰ এই শিবিৰত তেজদান কৰা সকলোলৈকে টিম হিউমিনিটি আৰু ধিং প্ৰেছ ক্লাবৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হয়। ধিং প্ৰেছ ক্লাবে আয়োজন কৰা এই ৰক্তদান শিবিৰৰ বাবে অঞ্চলটোৰ ৰাইজে অনুষ্ঠানক একমুখে প্ৰশংসা কৰিছে।

# টিহুৰ মথুৰাপুৰত 'হৰ ঘৰ ত্ৰিৰংগ' সম্পৰ্কে গাঁওসভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৩ আগষ্ট ঃ** টিহু উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪৩ নম্বৰ মথুৰাপুৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়ত কালি আজাদী কা অমৃত মহোৎসৱ'ৰ ৭৫ সংখ্যক আগন্তুক স্বাধীনতা দিৱস উপলক্ষে 'হৰ ঘৰ ত্ৰিকংগ' উদ্‌যাপন সম্পৰ্কীয় এখন বিশেষ গাঁওসভা অনুষ্ঠিত হয়। এই উপলক্ষে মথুৰাপুৰ গাঁও পঞ্চায়তৰ সভাপতি কমলাকান্ত হালৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত পঞ্চায়তৰ প্ৰতিঘৰ মানুহে যাতে ত্ৰিৰংগ পতাকা উত্তোলন কৰে সেই সম্পৰ্কে আলোচনা কৰা হয়। পঞ্চায়ত সচিব ইউনিচ আলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত শতাধিক ৰাইজৰ লগতে পঞ্চায়ত কৰ্মীসকল উপস্থিত থাকে।

# কৃতীমান খেলুৱৈসকলক বিজেপিৰ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ৩ আগষ্ট ঃ** বিজেপি বোকাখাত আৰু মহুৰা মণ্ডলৰ উদ্যোগত যোৱা এক আগষ্টত বোকাখাতৰ পুৰতি সাহিত্য সভাৰ ভৱনত অসম যুৱ অলিম্পিক, খেলো ইণ্ডিয়া আৰু অভয়াপুৰীত অনুষ্ঠিত ৩৭ সংখ্যক অসম টাইকানডো প্ৰতিযোগিতাত পদক লাভ কৰা খেলুৱৈসকলক অভিনন্দন জনোৱা হয়। মানপত্ৰ, গামোচা আদিৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিজেপিৰ গোলাঘাট জিলাৰ সভাপতি দেবপ্ৰদীপ বৰা, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা নৱনিযুক্ত অসম ক্ৰীড়া ব'ৰ্ডৰ উপাধ্যক্ষ আকাশ ফুকন, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য অনিমেষ শইকীয়া, বোকাখাত পৌৰসভাৰ উপ-পৌৰপতি ৰাণা দেৱনাথ, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, দলৰ বোকাখাত মণ্ডল সভাপতি জীবেশ্বৰ হাজৰিকা, অৱসৰপ্ৰাপ্ত অধ্যাপক সুবোধ বৰা, জ্যেষ্ঠ সাংবাদিক ভবানন্দ কলিতা, লেখিকা নিজৰা বৰঠাকুৰ, ক্ৰীড়াবিদ ৰজনী শৰ্মা, প্ৰবীণ বিজেপি কৰ্মী ৰাজু মৌৰ, মণ্ডলৰ বিষয়ববীয়া, সাংবাদিকসকল উপস্থিত আছিল।

# শিশু-মাতৃ, অংগনৱাড়ী কৰ্মীৰ সজাগতামূলক বৰ্ণিল শোভাযাত্ৰা দৃষ্টি আকৰ্ষণ কৰে অঞ্চলবাসীৰ




**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩ আগষ্ট ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে মৰিগাঁও জিলাৰ কপিলী সংহত শিশু উন্নয়ন প্ৰকল্পয়ো সপ্তাহজোৰা ভিন্নমুখী কাৰ্যসূচীৰে উদ্‌যাপন কৰিছে বিশ্ব স্তনপান সপ্তাহ। এটি শিশুক জন্মৰ দিনটোৰ পৰা ছয় মাহলৈ কেৱল মাতৃদুগ্ধপান কৰোৱাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ উদ্দেশ্যৰে পহিলা আগষ্টৰ পৰা সাত আগষ্টলৈ উদ্‌যাপন কৰা বিশ্ব স্তনপান দিৱসৰ লগত সংগতি ৰাখি আজি মৰিগাঁও জিলাৰ চৰাইবাহীত কপিলী সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত উলিওৱা সজাগতা সভা আৰু সজাগতামূলক সাংস্কৃতিক শোভাযাত্ৰাৰ মুকলি কৰে মৰিগাঁও জিলাৰ কপিলী সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া মল্লিকা চমুৱা আৰু চৰাইবাহী ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক মাহমুদুল হাছান চৌধুৰীয়ে।

## ■ চৰাইবাহীত কপিলী সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিশ্ব স্তনপান সপ্তাহ উদ্‌যাপন

আনহাতে, বৃহত্তৰ চৰাইবাহী অঞ্চলত মাতৃদুগ্ধসেৱনৰ সজাগতাৰ বাবে চৰাইবাহী চক্ৰৰ অধীনৰ অংগনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মী - সহায়িকা,আশাকৰ্মী, আত্মসহায়ক গোটৰ সদস্যাৰ উপৰি স্থানীয় মাতৃসকলৰ অংশগ্ৰহণৰে উলিওৱা সজাগতামূলক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই অঞ্চলবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। চৰাইবাহী অঞ্চলৰ ভালেসংখ্যক মহিলা মাতৃ,অংগনৱাড়ী কৰ্মী, আশা কৰ্মী, আত্মসহায়ক গোটৰ সদস্যা আদিয়ে অংশগ্ৰহণ কৰা বিশ্ব স্তনপান সপ্তাহৰ লগত সংগতি ৰাখি অনুষ্ঠিত সজাগতা সভাত মাতৃদুগ্ধৰ উপকাৰিতা সন্দৰ্ভত বিভিন্নজনে পৰামৰ্শমূলক বক্তব্য প্ৰদান কৰাৰ লগতে সৰ্বাত্মক সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কপিলী সংহত শিশু উন্নয়ন প্ৰকল্পৰ চৰাইবাহী চক্ৰৰ মুখ্যসেৱিকা বুলু বৰাই আঁত ধৰি বিশ্ব স্তনপান সপ্তাহৰ অনুষ্ঠানত কপিলী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া মল্লিকা চমুৱা, খণ্ড সমন্বয়ক পিংকী মহন্ত, সহকাৰী খণ্ড সমন্বয়ক শ্ৰদ্ধানয়না বৰকটকী, চৰাইবাহী ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক মাহমুদুল হাছান চৌধুৰী, চিকিৎসালয়ৰ গাণনিক জ্যোতি প্ৰসাদ কাকতি, মুখ্যসেৱিকা ক্ৰমে চুফিয়া লস্কৰ মজুমদাৰ, পাৰবীন চুলতানা, বৰ্ণালী দেৱীৰ উপৰি বহু সংখ্যক চৰাইবাহী চিকিৎসালয়ৰ চিকিৎসা কৰ্মী, নাৰ্ছ, অংগনৱাড়ী কৰ্মী- সহায়িকা, আশাকৰ্মীকে ধৰি বহু সংখ্যক লোক উপস্থিত থাকে ।

# মাজুলীত 'অসম আদৰ্শ গ্ৰাম যোজনা'ৰ বৃহৎ গাঁওসভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৩ আগষ্ট ঃ** অসম চৰকাৰৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত চলিত বৰ্ষৰ পৰা অসমৰ ১২৬ টা বিধানসভা সমষ্টিত, প্ৰতিটো সমষ্টিত দুখনকৈ গাঁও আদৰ্শ গাঁও হিচাপে গঢ়ি তোলাৰ অভিলাষী পৰিকল্পনা হাতত লোৱা হৈছে। মাজুলী বিধানসভা সমষ্টিত উজনি মাজুলী উন্নয়ন খণ্ডৰ অধীনত শ্ৰীৰাম গাঁও পঞ্চায়ত 'দেউৰী গাঁৱক' আৰু দুই নম্বৰ বৰগঞা গাঁৱক আদৰ্শ গাঁও হিচাপে নিৰ্বাচিত কৰিছে। মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত এই উপলক্ষে শ্ৰীশ্ৰী এলেঙি নৰসিংহ সত্ৰৰ সামূহিক প্ৰেক্ষাগৃহত এখন 'বৃহৎ গাঁও সভা' অনুষ্ঠিত হয়। শ্ৰীৰাম গাঁও পঞ্চায়তৰ সভাপতি ৰমেশ বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত অসম আদৰ্শ গ্ৰাম যোজনাৰ উক্ত গাঁও সভাৰ আঁত ধৰে শ্ৰীৰাম গাঁও পঞ্চায়তৰ ৱাৰ্ড মেম্বাৰ অজয় দাসে। কে'বা শতাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত গাঁও সভাত আদৰণি ভাষণ প্ৰদান কৰি মাজুলী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া গৌৰাংগ দত্তই 'অসম আদৰ্শ গ্ৰাম যোজনা'ৰ সবিশেষ তথ্য দাঙি ধৰে। খণ্ড উন্নয়ন বিষয়াজনে এখন আদৰ্শ গাঁৱত সকলো চৰকাৰী বিভাগে সকলো উন্নয়ন আঁচনি এক সংহতি ৰূপত ৰূপায়ণ কৰি গাঁওখনত উন্নয়নৰ জোৱাৰ আনিব বুলি কয়। প্ৰথম পৰ্যায়ত ৫০ লাখ টকাৰে উক্ত আদৰ্শ গাঁৱৰ আঁচনি ৰূপায়ণ কৰাৰ লক্ষ্য ৰখা হৈছে বুলি কৈ তিনি বছৰত গাঁওখনৰ সকলো আৰ্থসামাজিক উন্নয়ন সাধন কৰিব বুলি কৈ আদৰ্শ গাঁৱৰ যুৱক-যুৱতীক স্ব-নিয়োজনৰ পথো প্ৰদান কৰিব পাৰি বুলি কয়। মাজুলীৰ জিলা প্ৰশাসনে সকলো সময়তে নিয়ন্ত্ৰণ কৰিব লগা আদৰ্শ গাঁৱৰ গ্ৰাম্য পৰ্যায়ৰ সমিতিৰ বিষয়ববীয়াসকল কিদৰে নিযুক্ত হয়, সেই বিষয়ে খণ্ড উন্নয়ন বিষয়াজনে ৰাইজক বুজাই কয়। সভাত আদৰ্শ দেউৰী গাঁৱৰ অন্তৰ্গত একমাত্ৰ ঐতিহাসিক সত্ৰ নৰসিংহ সত্ৰৰ তৰফৰ পৰা বিভিন্ন অভাৱ আৰু সমস্যাৰ সন্দৰ্ভত এখন স্মাৰকপত্ৰ প্ৰদান কৰে সমাজ কল্যাণ বিভাগৰ যুটীয়া সঞ্চালক গৌতম মজুমদাৰ আৰু দেউৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য মাধৱ দেউৰীৰ হাতত অৰ্পণ কৰে।

# 'হৰ ঘৰ ত্ৰিৰংগা' শ্ল'গানেৰে মুখৰিত সীমান্তঞ্চল

## ■ তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ কাউলীত এছএছবিৰ উদ্যোগত চাইকেল সমদল

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩ আগষ্ট ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ কাউলীত আজি দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী উপলক্ষে সীমান্তঞ্চলত সজাগতা সৃষ্টিৰ বাবে এছএছবিৰ ২৪ বাহিনীৰ 'এ' কোম্পানীৰ উদ্যোগত আৰু কাউলী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীৰ সহযোগত এক বৃহৎ চাইকেল সমদল উলিওৱা হয়। কাউলীৰ বিহংগপুৰ স্থিত এছএছবিৰ শিবিৰত আজি পুৱা ১০.৩০ বজাত চাইকেল সমদলটো মুকলি কৰে এছএছবিৰ ২৪ বাহিনীৰ 'এ' কোম্পানীৰ কোম্পানী কামাণ্ডাৰ এছ কে ঠাংগে। চাইকেল সমদলটো মুকলি কৰি এছ কে ঠাংগে কয় যে দেশ স্বাধীন হোৱাৰ ৭৫ বছৰ উপলক্ষে কেন্দ্ৰ চৰকাৰে ঘৰে ঘৰে পতাকা উত্তোলন কৰি এইবাৰৰ স্বাধীনতা দিৱসটি উদ্‌যাপন কৰাৰ বাবে আহ্বান জনাইছে। সেয়েহে সীমান্ত অঞ্চলৰ লোকসকলৰ মাজত জাতীয় পতাকা উত্তোলন কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাৰ বাবেই স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ সহযোগত আজি এই চাইকেল সমদল উলিওৱা হৈছে। এই সমদলযোগে নিশ্চয় সীমান্তৰ ৰাইজৰ মাজত আমি জাতীয় পতাকা উত্তোলন সম্পৰ্কে সজাগ কৰিব পাৰিম। চাইকেল শোভাযাত্ৰাত অংশগ্ৰহণকাৰীসকলে 'হৰ ঘৰ ত্ৰিৰংগা, ভাৰত মাতা কি জয়, বন্দে মাতৰম' আদি শ্ল'গান দি ভূটান সীমান্তৰ বিহংগপুৰ, চন্দনপুৰ, কাঞ্চীবজাৰ, হৰিনচাৰা, নাৰায়ণপুৰ কাউলী বজাৰ হৈ প্ৰায় ১০ কিলোমিটাৰ পথ পৰিভ্ৰমণ কৰি কাউলী উচ্চ মাধ্যমিক বিদ্যালয়ত সমদলটোৰ সামৰণি মাৰে। আজিৰ সমদলত এছএছবিৰ ২৪ বাহিনীৰ 'এ' কোম্পানীৰ উপ-পৰিদৰ্শক চেইনগাম কিপগেন, এএছআই টেগবাহাদুৰ ছেত্ৰী, এএছআই পংকজ সোণোৱাল, হাবিলদাৰ জনক দেউৰী, ৰাজকুমাৰ গৌতম, জ্যোতি ফুকনৰ লগতে কাউলী হাইস্কুলৰ প্ৰধান শিক্ষক নাৰদ ভট্টৰাই, সহকাৰী শিক্ষক নবীন ৰাভা, বিষ্ণু দাসৰ লগতে এছএছবিৰ জোৱানৰ লগতে দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।



# ভৱানীপুৰত কম্পিউটাৰ শিক্ষাৰ ২৫ টা বৰ্ষ পূৰ্ণ

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ৩ আগষ্ট ঃ** ভৱানীপুৰৰ অন্যতম কম্পিউটাৰ শিক্ষাৰ প্ৰতিষ্ঠান ‘মাইক্ৰ’ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ’ৰ জৰিয়তে বৃহত্তৰ ভৱানীপুৰ বিধানসভা সমষ্টিত কম্পিউটাৰ শিক্ষাৰ আৰম্ভণিৰ ২৫ টা বৰ্ষ পূৰ্ণতা উপলক্ষে কালি ২৫ সংখ্যক বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। উল্লেখ্য যে মাইক্ৰ’ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত কেন্দ্ৰটোৰ ভৱানীপুৰত উদ্‌যাপন হয় ভৱানীপুৰ বিধানসভা সমষ্টিত কম্পিউটাৰ শিক্ষাৰ ২৫ টা বৰ্ষ পূৰ্ণতাৰ প্ৰতিষ্ঠা দিৱস উৎসৱ। এই উদ্দেশ্যে মাইক্ৰ’ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ ভৱানীপুৰস্থিত মুখ্য কাৰ্যালয়ত আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিটিআৰৰ শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মছাহাৰীয়ে। তদুপৰি ২৫ গছি বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পাছতে ২৫ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ কেক কাটে ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অঞ্জন কুমাৰ মিশ্ৰই। আজি ভৱানীপুৰ সাহিত্য সভা ভৱনত সাহিত্যিক-সাংবাদিক গণেশ ১৩ পৃষ্ঠাত চাওক

## মাইক্ৰ’ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত মনোজ্ঞ আলোচনাচক্ৰ

ছাদৰ পৰা বৰষুণৰ পানী পৰাত ব্যৱসায়ীসকলে ভুগিছে দুৰ্ভোগ

# এবছৰ নৌহওঁতেই ঢেকিয়াজুলিৰ কে’বাকোটিটকীয়া বজাৰগৃহত ফাট



অগ্ৰদূত বাৰ্তা

**ঢেকিয়াজুলি, ৩ আগষ্ট ঃ** ঢেকিয়াজুলি পৌৰসভাত বিভিন্ন আঁচনি ৰূপায়ণৰ নামত বৃহৎ দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে। ঢেকিয়াজুলি দৈনিক বজাৰত পৌৰভাই পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰ কে’বা কোটি টকাৰ ব্যয়েৰে নিৰ্মাণ কৰা বজাৰগৃহ নিৰ্মাণৰ ক্ষেত্ৰত ব্যাপক অনিয়ম সংঘটিত হোৱা বুলি স্থানীয় ব্যৱসায়ীসকলে অভিযোগ উত্থাপন কৰে। উল্লেখ্য যে দৈনিক বজাৰত ঢেকিয়াজুলি পৌৰসভাই নিৰ্মাণ কৰা আৰচিচি বজাৰগৃহ নিৰ্মাণৰ এবছৰ নৌহওঁতেই আৰ চি চি বজাৰগৃহটোৰ ছাদত কে’বা ঠাইতো বৃহৎ ফাট মেলিছে। নিৰ্মাণৰ সময়ত ঠিকাদাৰে অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ বাবেই আৰ চি চি বজাৰগৃহ ছাদত ১৩ পৃষ্ঠাত চাওক

# দেৰগাঁৱত শিক্ষয়িত্ৰী অৱণী বৰঠাকুৰৰ ‘নাম-নিজৰা’ উন্মোচন

**নৱপ্ৰজন্মক আধ্যাত্মিক জ্ঞানেৰে উদ্বুদ্ধ কৰিবলৈ আহ্বান**

**দেৰগাঁও, ৩ আগষ্ট ঃ** দেৰগাঁও সাহিত্য সভাৰ চন্দ্ৰনাথ খাউণ্ড ভৱনত যোৱা ৩১ জুলাইত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা লেখিকা অবণী বৰঠাকুৰৰ ‘নাম নিজৰা’ নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়।এই উপলক্ষে দেৰগাঁও সাহিত্য সভাৰ সভাপতি প্ৰভাত চন্দ্ৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ অনাদি বৰঠাকুৰে পৰিৱেশন কৰা এটি বৰগীতেৰে আৰম্ভ কৰা হয়। সাহিত্য সভাৰ সম্পাদক অজিত চন্দ্ৰ দত্তই আঁত ধৰা সভাত গ্ৰন্থখন উন্মোচন কৰে ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত অৱসৰপ্ৰাপ্ত শিক্ষক তথা সংস্কৃত পণ্ডিত ৰোহিনী বল্লভ গোস্বামী শাস্ত্ৰীয়ে। ক্ৰমশঃ হেৰাই যাব ধৰা গোঁসানী নাম, উপনয়নৰ নাম আদি সংগৃহীত ৰূপত ছপা আকাৰে প্ৰকাশ কৰা গ্ৰন্থখন উন্মোচন কৰি আচাৰ্য গোস্বামীয়ে বেদ বেদান্তৰ পটভূমিৰে হিন্দুৰ বিভিন্ন দেৱ-দেৱীৰ উপাসনাৰ্থে প্ৰাচীন কালৰ পৰা প্ৰচলিত হৈ অহা উপাসনা গীত তথা নামসমূহ লেখিকাই গ্ৰন্থ আকাৰে প্ৰকাশ কৰাত সন্তোষ্টি প্ৰকাশ কৰে। ধৰ্ম শাস্ত্ৰৰ উদ্ধৃতিৰে দিয়া সাৰগৰ্ভ ভাষণত তেওঁ উঠি অহা নৱপ্ৰজন্মক আধ্যাত্মিক জ্ঞানেৰে উদ্বুদ্ধ কৰি তুলিবলৈ ৰাইজক আহবান জনায়। প্ৰসংগক্ৰমে তেওঁ সাম্প্ৰতিক কালত ‘গীতাৰ প্ৰাসংগিকতা’ শীৰ্ষক বিষয়ৰ দৰে আলোচনা চক্ৰ, বক্তৃতানুষ্ঠান আদি অনুষ্ঠিত কৰাৰো পোষকতা কৰে। অৰিয়ন বৰঠাকুৰে এটি কবিতা আবৃত্তি কৰা সভাত, ১৩ পৃষ্ঠাত চাওক

দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ৰ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

# অনলাইন শিক্ষাই মুখামুখি শিক্ষাৰ স্থান গ্ৰহণ কৰিব নোৱাৰে

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ৩ আগষ্ট ঃ** ‘ইতিমধ্যে নাৰী সৱলীকৰণ হৈছে। গতিকে নাৰীসকলে এতিয়া আগবাঢ়ি যাবলৈ প্ৰচেষ্টা চলাব লাগে।’ কালি উজনি অসমৰ প্ৰথমখন নাৰীৰ উচ্চ শিক্ষানুষ্ঠান দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ৰ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱসত অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোহাঁই ৰাজখোৱাই এই কথা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত তেওঁ নতুন শিক্ষা নীতি-২০২০ সন্দৰ্ভত আলোকপাত কৰি এই শিক্ষা নীতিত মিশ্ৰিত পদ্ধতি আৰু হাইব্ৰীড পদ্ধতিৰ লগতে ফ্লিপ ক্লাছ ৰূমৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ বিষয়ে উল্লেখ কৰে। পৰিৱৰ্তিত পৰিস্থিতিত আনলাইন শিক্ষা পদ্ধতিৰ গুৰুত্ব বৃদ্ধি পোৱা সত্ত্বেও উপাচাৰ্যগৰাকীয়ে কয় যে অনলাইন শিক্ষাই মুখামুখি শিক্ষাৰ স্থান গ্ৰহণ কৰিব নোৱাৰে। ইফালে, দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয় আৰু অসম মহিলা বিশ্ববিদ্যালয়ে যুটীয়াভাৱে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ তেওঁ আগ্ৰহ প্ৰকাশ কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° জিনামণি ভূঞাই আদৰণি ভাষণত কয় যে যোৰহাটত উজনি অসমৰ প্ৰথমখন তথা ৰাজ্যৰ দ্বিতীয়খন নাৰী উচ্চ শিক্ষানুষ্ঠান স্থাপন হোৱাৰ দিনটো কেৱল মহাবিদ্যালয়খনৰ বাবেই নহয়, সমগ্ৰ যোৰহাটৰ বাবেই এটা উল্লেখযোগ্য দিন। অধ্যক্ষাগৰাকীয়ে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ স’তে জড়িত শিক্ষানুৰাগী ব্যক্তিসকলৰ ত্যাগ আৰু প্ৰচেষ্টাক শ্ৰদ্ধাৰে স্মৰণ কৰে। অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী, অৱসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰণিতা বৰুৱাই কয় যে দেৱীচৰণ বৰুৱাই ১৯১৬ত দুবিঘা মাটি আৰু কিছু আৰ্থিক বৰঙণি প্ৰদান কৰি তৰাজান প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। ১৩ পৃষ্ঠাত চাওক

## ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ স্মাৰকপত্ৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৩ আগষ্ট ঃ** ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ অসম ৰাজ্য পৰিষদৰ আহ্বান মৰ্মে আজি ৰাজ্যজুৰি জিলা উপায়ুক্তৰ যোগেদি প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়। পাৰ্টিৰ শিৱসাগৰ জিলা পৰিষদৰ এটা সঁজাতী দলে জিলা উপায়ুক্তৰ জৰিয়তে এই স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত প্ৰধানতঃ দাইল, চাউল, আটা, ঔষধকে ধৰি অতি প্ৰয়োজনীয় সামগ্ৰীসমূহৰ ওপৰত আৰোপ কৰা জিএছটি তৎকালেই প্ৰত্যাহাৰ কৰিবলৈ দাবী জনোৱা হয়। সঁজাতী দলৰ নেতৃত্ব দিয়ে পাৰ্টিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য তথা জিলা সম্পাদক কনক গগৈয়ে। ১৩ পৃষ্ঠাত চাওক

# শিক্ষানুষ্ঠানত অৰাজকতা ঃ চকু মুদা কুলিৰ ভাৰত বিদ্যালয় পৰিদৰ্শক

**তিতাবৰ, ৩ আগষ্ট ঃ** যোৰহাট সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকগৰাকীৰ প্ৰশাসনিক দুৰ্বলতা আৰু অকৰ্মণ্যতাৰ অচিলা লৈ বহু বিদ্যালয়ত এতিয়া চৰম বিশৃংখলা আৰু অৰাজকতাই গা কৰি উঠিছে। কোনো কোনো বিদ্যালয়ত যদি অধ্যক্ষ অথবা প্ৰধান শিক্ষকৰ চকীখনৰ বাবে সন্দেহজনক নথিপত্ৰই জোকাৰিছে, ক’ৰবাত আকৌ প্ৰধান শিক্ষকৰ বিত্তীয় অনিয়ম, মইমতালি আৰু অহমিকাই ক্ষুব্ধ কৰি তুলিছে বিদ্যালয় পৰিচালনা সমিতি আৰু স্থানীয় শিক্ষাসদী লোকসকলক। শেহতীয়াকৈ তিতাবৰ মাধৱদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দ্বীপেন বৰুৱাক কেন্দ্ৰ কৰি বিদ্যালয়খনৰ ভিতৰচ’ৰাত চৰম অৰাজকতাই মুৰ দাঙি উঠিছে বুলি অভিযোগ কৰিছে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলে। শিক্ষানুষ্ঠানখনলৈ চৰকাৰীভাৱে আৱণ্টিত আন্তঃগাঁথনি উন্নয়নৰ

**■ এলেঙী মাধৱদেৱ চেমিনাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিত্তীয় অনিয়মক লৈ ক্ষুব্ধ পৰিচালনা সমিতি**

ধনৰ পৰা মধ্যাহ্ন ভোজন আৰু ছাত্ৰ-ছাত্ৰীৰ ইউনিফৰ্মৰ নামত আৱণ্টিত ধনৰাশি ব্যয়ৰ ক্ষেত্ৰত বিদ্যালয় প্ৰধানজনে পৰিচালনা সমিতিক ভূ-ভাৰস্ত একো জানিবলৈ নিদিয়াকৈ পৰিচালনা সমিতিক চৰম অৱমাননা কৰাৰ লগতে কটু বাক্যৰে অপমানিত কৰিবলৈও শংকাবোধ নকৰা হৈছে বুলি আপত্তি দৰ্শাইছে। প্ৰাপ্ত তথ্য অনুসৰি, বিদ্যালয় পৰিচালনা সমিতিৰ পূৰ্বৰ সভাপতি অৰুণ চন্দ্ৰ শইকীয়াই বিগত ২০২১ৰ ১৫ আগষ্টত পৰিচালনা সমিতিৰ সভাপতি পদৰ পৰা পদত্যাগ কৰাৰ পাছত উপ-সভাপতি মহেন্দ্ৰ শইকীয়াই ভাৰপ্ৰাপ্ত সভাপতিৰূপে দায়িত্বভাৰ গ্ৰহণ কৰে। পৰিতাপৰ কথাটো হ’ল মহেন্দ্ৰ শইকীয়াক কেৱল কাগজে-কলমেহে ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব প্ৰদান কৰা হ’ল, কিন্তু বিদ্যালয়ৰ আনুষংগিক কোনো কথাতে সভাপতিজনৰ অনুমোদন অথবা পৰামৰ্শ আজিলৈকে গ্ৰহণ কৰা নহ’ল। চৰকাৰী নিয়মানুসৰি এখন বিদ্যালয়লৈ ১৩ পৃষ্ঠাত চাওক

# সত্ৰাধিকাৰ ভকত শিৰোমণি হৰেকৃষ্ণ মহন্তৰ প্ৰথম মৃত্যুবাৰ্ষিকী উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**টংলা, ৩ আগষ্ট ঃ** অসমৰ শংকৰী সংস্কৃতিৰ অন্যতম সাধক, বৰঙাজুলি সত্ৰৰ বৈকুণ্ঠগামী সত্ৰাধিকাৰ ভকত শিৰোমণি হৰেকৃষ্ণ মহন্তৰ প্ৰথম মৃত্যুতিথি সাত আগষ্টত দিনজোৰা কাৰ্যসূচীৰে সত্ৰাধিকাৰজনে নিজহাতে প্ৰতিষ্ঠা কৰা বৰঙাজুলি সত্ৰত উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। ইতিমধ্যে প্ৰয়াত সত্ৰাধিকাৰজনৰ মৃত্যুতিথি জাকজমকতাৰে আয়োজনৰ প্ৰস্তুতি চলাইছে সত্ৰ পৰিচালনা সমিতিয়ে। বৰঙাজুলি সত্ৰ পৰিচালনা সমিতিৰ সভাপতি লোকৰঞ্জন ৰাভা আৰু সম্পাদক সন্তোষ বড়োৱে জানিবলৈ দিয়া মতে, সাত আগষ্টৰ পুৱা জাগৰণৰে কাৰ্যসূচীৰ মুকলি কৰিব খৈৰাবাৰী সত্ৰৰ উদ্ধৱ ওজাই। ইয়াৰ পাছতে সত্ৰৰ আই মাতৃ আৰু ভকত বৈষ্ণৱৰ দ্বাৰা সমূহীয়া নাম প্ৰসংগ অনুষ্ঠিত হ’ব। বৈকুণ্ঠগামী সত্ৰাধিকাৰ ১৩ পৃষ্ঠাত চাওক

# অসমীয়া ভাষা মৃত্যুৰ গৰাহলৈ ঠেলি দিয়া কাৰ্য মানি লোৱা নহ’ব ঃ বৃহত্তৰ অসমীয়া যুৱ মঞ্চ

অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা

**ডিমৌ/ডিব্ৰুগড়, ৩ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি-মিত্ৰজোঁটৰ চৰকাৰখনে অসমীয়া ভাষাক মৃত্যুৰ গৰাহলৈ ঠেলি দি ৰাজ্যখনৰ প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত পাঠদান কৰা হ’ব বুলি কেবিনেট সিদ্ধান্ত লোৱাৰ পাছত ৰাজ্যৰ বৌদ্ধিক জগতৰ লগতে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে, ৰাজ্যৰ অন্যতম জাতীয় সংগঠন বৃহত্তৰ অসমীয়া যুৱ মঞ্চই চৰকাৰৰ এনে সিদ্ধান্তক তীব্ৰ ভাষাৰে গৰিহণা দি শীঘ্ৰে চৰকাৰক এনে হঠকাৰী সিদ্ধান্ত সলনি কৰিবলৈ দাবী জনাইছে। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি যাদৱ গগৈয়ে সংবাদ মাধ্যমৰ আগত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে শাসনাধিষ্ঠিত বিজেপি চৰকাৰখনে অসমীয়া ভাষাটো মৃত্যুৰ শৰাধ পাতিছে। চৰকাৰখনে ৰাজ্যৰ বিৰোধী দল, বুদ্ধিজীৱী, শিক্ষাবিদ, দল-সংগঠনৰ কোনো প্ৰতিনিধিৰ লগত আলোচনা নকৰি একপক্ষীয়ভাৱে ইংৰাজী ভাষা প্ৰৱৰ্তন কৰে। চৰকাৰৰ এনে সিদ্ধান্তই অসমীয়া জাতিটোক ক্ষতিগ্ৰস্ত কৰিব। নেতাগৰাকীয়ে পুনৰ কয়, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাজ্যৰ শিক্ষা জগতত যি নতুনত্ব অনাৰ পৰিকল্পনাৰে হঠাতে তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমৰ ১৩ পৃষ্ঠাত চাওক



*গোৱালপাৰাত ধপাত বিৰোধী সজাগতা সভাৰ দৃশ্য, বুধবাৰে।*

## সাধাৰণ জাতি বিকাশ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সভা সম্পন্ন

বিশেষ সংবাদদাতা

**নলবাৰী, ৩ আগষ্ট ঃ** সাধাৰণ জাতি বিকাশ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সভা যোৱা ৩১ জুলাইত দিনজোৰা কাৰ্যসূচীৰে নলবাৰীৰ দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্ৰীগুৰু ভৱনত অনুষ্ঠিত হয়। প্ৰতিকূল বতৰকো নেওচি সাধাৰণ জাতিৰ কে’বাশ প্ৰতিনিধি উপস্থিত থকা সভা পুৱা পতাকা উত্তোলন কৰে সাধাৰণ জাতি বিকাশ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ শৰ্মাই তাৰ পাছত স্মৃতি তৰ্পণ কৰে দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৩ পৃষ্ঠাত চাওক

# কল্যাণী শিশু কল্যাণ কেন্দ্ৰৰ প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ৩ আগষ্ট ঃ** উত্তৰ যোৰহাটৰ কল্যাণী শিশু কল্যাণ কেন্দ্ৰৰ হীৰক জয়ন্তী বৰ্ষ উপলক্ষে যোৰহাট জিলা ভিত্তিত ১৪ আগষ্টৰ পুৱা ১০ বজাৰ পৰা চিত্ৰাংকন আৰু ১২ বজাৰ পৰা সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পঞ্চমৰ পৰা সপ্তম শ্ৰেণীলৈ ক শাখা আৰু অষ্টমৰ পৰা দ্বাদশ শ্ৰেণীলৈ খ শাখাৰূপে লৈ হ’বলগীয়া প্ৰতিযোগিতাত যোগদানৰ বাবে যোৰহাটৰ জেবি ৰোডৰ গ্ৰন্থ মন্দিৰ বা কল্যাণী হাইস্কুলৰ সমীপৰ মানস ফাৰ্মাচীৰ পৰা প্ৰমাণপত্ৰ সংগ্ৰহ কৰি ১০ আগষ্টৰ ভিতৰত জমা দিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে। সবিশেষ জানিবৰ বাবে ৯৪৩৫০৯৫০৮৩, ৬০০০৭৮৮০২৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# ডিব্ৰুগড়ত ১৫ দিনীয়া বিয়ানামৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৩ আগষ্ট ঃ** অসমীয়া লোকসংস্কৃতিৰ অমূল্য সম্পদ আৰু অসমীয়া জাতীয় জীৱনৰ সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বিয়ানাম বৰ্তমান আধুনিকতাৰ ধামখুমিয়াত আমাৰ মাজৰ পৰা হেৰাই যোৱাৰ উপক্ৰম ঘটিছে আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত নৱপ্ৰজন্মৰ বাবে ইয়াৰ সংৰক্ষণৰ মহান উদ্দেশ্য আগত ৰাখি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনত আৰু ডিব্ৰুগড় সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত তথা ডিব্ৰুগড় পূৰবানীপুৰ স্থিত উপাসনা কলা কেন্দ্ৰৰ সহযোগত এক যুটীয়া প্ৰচেষ্টাৰে ইয়াক পুনৰুজ্জীৱিত কৰাৰ মানসেৰে এই বিয়ানামৰ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত সম্পূৰ্ণ বিয়াৰ ৰীতি-নীতিসমূহৰ লগতে আৰম্ভণিৰ পৰা শেষলৈকে কেনেকৈ পৰ্যায়ক্ৰমে বিভিন্ন সময়ত উপস্থাপন কৰা হয় তাৰ এক পূৰ্ণাংগ প্ৰতিচ্ছবি তথ্যচিত্ৰৰ ৰূপত প্ৰস্তুত কৰি তুলি ধৰাৰ প্ৰয়াস কৰা হয়। ১৩ পৃষ্ঠাত চাওক

# গোৱালপাৰাৰ চাৰি কৰ্মচাৰীলৈ লোকসেৱা পুৰস্কাৰ ঃ মিশ্ৰিত প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ চাৰিগৰাকী কৰ্মচাৰীক লোকসেৱা পুৰস্কাৰ ২০২২ৰ বাবে নিৰ্বাচিত কৰা হৈছে। পুৰস্কৃত হ’বলগীয়া কৰ্মচাৰীসকল হ’ল ক্ৰমে গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ উচ্চবৰ্গৰ সহায়কদ্বয় নগৰ মোহন ৰাভা আৰু ধীৰেন কাকতি, জিলা কৃষি বিভাগৰ কৃষি সম্প্ৰসাৰণ সহায়ক আতোৱাৰ ৰহমান আৰু গোৱালপাৰা ডিআৰডিএৰ কনিষ্ঠ সহায়ক জীৱন দাস। কৰ্ম মূল্যবোধ, নিয়মানুৱৰ্তিতা আৰু নিজ কৰ্মৰ প্ৰতি থকা সংহতিৰ বাবেই মূলতঃ জিলা পৰ্যায়ৰ ৮৯জন অৰাজপত্ৰিত কৰ্মচাৰী আৰু ১০জন ৰাজ্যিক পৰ্যায়ৰ অৰাজপত্ৰিত কৰ্মচাৰীক লোকসেৱা পুৰস্কাৰ ২০২২ৰ বাবে নিৰ্বাচিত হৈছে। উল্লেখ্য যে অহা পাঁচ আগষ্টত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু বাৰ্ষিকী লোককল্যাণ দিৱসৰূপে উদ্‌যাপিত হ’ব। উক্ত দিনাই বাছনিকৃত কৰ্মচাৰীসকলক পুৰস্কৃত কৰা হ’ব। প্ৰতিজন কৰ্মচাৰীক নগদ ২৫ হেজাৰ টকা আৰু মানপত্ৰ আগবঢ়োৱাৰ উপৰি তেওঁলোকৰ চাকৰিৰ কাৰ্যকাল এবছৰলৈ বৃদ্ধি কৰা ১৩ পৃষ্ঠাত চাওক

## তিনিচুকীয়াত ‘উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত’ শীৰ্ষক ৰাজহুৱা সভা

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৩ আগষ্ট ঃ** ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বৰ্ষৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ভাৰতৰ কেন্দ্ৰীয় শক্তি মন্ত্ৰণালয় আৰু অসম চৰকাৰৰ যৌথ উদ্যোগত বিজুলী মহোৎসৱ উপলক্ষে ‘উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত’ শীৰ্ষক এক অনুষ্ঠান তিনিচুকীয়া চৈখোৱা ৰাজহ চক্ৰৰ মেগেলা গাঁও পঞ্চায়তৰ অন্তৰ্গত শংকৰ চাহ বাগিচাৰ ৰাজহুৱা খেলপথাৰত ১৩ পৃষ্ঠাত চাওক

# একাংকিকা নাটৰ পাণ্ডুলিপি প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**টংলা, ৩ আগষ্ট ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অন্তৰ্গত ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সাহিত্য বিভাগে ৰাজ্যিক ভিত্তিত এখনি একাংকিকা নাটৰ পাণ্ডুপিলি প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পাণ্ডুলিপিৰ বিষয়বস্তু নাৰী নিৰ্যাতন, অন্ধবিশ্বাস আৰু সমাজৰ কু-সংস্কাৰ বিষয়ক হ’ব লাগিব। পাণ্ডুলিপিসমূহ অভিজ্ঞ বিচাৰকৰ দ্বাৰা বিচাৰ কৰি প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ী প্ৰতিযোগিতাক ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সভাত পুৰস্কাৰসমূহ বিতৰণ কৰা হ’ব। কেৱল মহিলাসকলৰ মাজত অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ নগদ ধন পাঁচহেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ নগদ চাৰিহেজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ নগদ তিনিহেজাৰ টকা প্ৰদান কৰিব বুলি জানিব দিছে জিলা সমিতিয়ে। পাণ্ডুলিপিসমূহ ডিটিপি কৰি দুটাকৈ কপি তলৰ ঠিকনাত অহা ৩০ ছেপ্টেম্বৰৰ ভিতৰত পোৱাকৈ পঠিয়াবলৈ ৰীতা ১৩ পৃষ্ঠাত চাওক

# পশুধন বেংক, অসমীয়া হাট আৰু ছ’চিয়েল ডেভলপমেণ্ট সংস্থাৰ সম্বৰ্ধনা সভা

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৩ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ চাৰিং হাফলুটিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক শ্ৰীমন্ত দত্তলৈ পশুধন বেংক, অসমীয়া হাট আৰু ছ’চিয়েল ডেভেলপমেণ্টে আগবঢ়াইছে প্ৰাইড অৱ আসাম বঁটা। সমাজ সেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে দত্তলৈ ২০২২ৰ প্ৰাইড অব অসম বঁটা প্ৰদান কৰাৰ উপৰি এই বঁটাৰে চাৰিঙৰ অৱসৰপ্ৰাপ্ত সহঃ শিক্ষক ৰণয় কুমাৰ গগৈ, বিপিন ভৰালীকো সন্মানিত কৰে ৩১ জুলাইত চাৰিং দুই নম্বৰ বাৰুৱতীৰ ভৰালী ৰংগমঞ্চত অনুষ্ঠিত হোৱা এক বৰ্ণাঢ্য কাৰ্যসূচীত এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে ফুলাম গামোচা, মেডেল, ট্ৰফী আৰু মানপত্ৰ। উল্লেখ্য যে বঁটা প্ৰাপক অৱসৰপ্ৰাপ্ত শিক্ষক ৰণয় কুমাৰ গগৈ আৰু বিপিন ভৰালীয়ে সামাজিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ স্বীকৃতিৰ উপৰি শ্ৰীমন্ত দত্তক এজন ১৩ পৃষ্ঠাত চাওক

**চাৰিঙত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৭০ গৰাকী ব্যক্তিক প্ৰাইড অৱ আসাম বঁটা প্ৰদান**

■ ২০ আগষ্টৰ ভিতৰত লেখা জমা দিবলৈ আহ্বান

# বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তী

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৩ আগষ্ট ঃ** বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী উপলক্ষে অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ নিৰ্দেশনা অনুসৰি তিনিচুকীয়া জিলা প্ৰশাসনে বীৰগৰাকীৰ জীৱন আৰু বীৰত্বৰ স’তে জড়িত বিষয়ৰ ওপৰত এটি লেখা জিলাখনৰ নাগৰিক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আহ্বান কৰিছে। এই লেখাসমূহ ১০০ৰ পৰা ১০০০ শব্দৰ ভিতৰত হ’ব লাগিব। স্পষ্ট হাতৰ আখৰেৰে অথবা টাইপ কৰি লেখা জমা দিব লাগিব। ১০০টা উন্নত মানৰ লেখা নিৰ্বাচিত কৰি জিলা প্ৰশাসনৰ চৰকাৰী ৱেবচাইট আৰু ফেচবুক পেজত আপলোড কৰা হ’ব। তদুপৰি জিলা প্ৰশাসনৰ তৰফৰ পৰা উৎকৃষ্ট পাঁচটা লেখা বাছনি কৰি সাধাৰণ প্ৰশাসন বিভাগলৈ প্ৰেৰণ কৰা হ’ব। সদৌ অসম ভিত্তিত উৎকৃষ্ট মানৰ লেখাৰ বাবে লেখকগৰাকীক বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম-জয়ন্তীৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ’ব। লেখাসমূহ ২০ আগষ্টৰ ভিতৰত জমা দিব লাগিব। ২০ আগষ্টৰ বিয়লি পাঁচ বজাৰ পাছত কোনোধৰণৰ লেখা গ্ৰহণ কৰা নহ’ব। চৰকাৰী-বেচৰকাৰী বিদ্যালয়ত তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে লেখাসমূহ নিজ নিজ বিদ্যালয়-মহাবিদ্যালয়ৰ প্ৰধান-শিক্ষক তথা অধ্যক্ষৰ ১৩ পৃষ্ঠাত চাওক

# তেজপুৰৰ বাণ থিয়েটাৰত গজপুৰীয়া নাটকেৰে আৰম্ভ নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহ



ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ৩ আগষ্ট ঃ** নাট্যকাৰ, পৰিচালক তথা সাংবাদিক প্ৰয়াত দীপক মহন্তৰ বহু চৰ্চিত জনপ্ৰিয় নাটক ‘গজপুৰীয়া’ যোৱা এক আগষ্টৰ নিশা বলিষ্ঠ মঞ্চায়ন কৰা হয় তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত। নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহ উপলক্ষে প্ৰথম নিশাৰ নিবেদনৰূপে বিশেষ নাটকখনৰে জড়িত সকলো কলাকুশলীৰ অভিনয়ৰে দেখুৱালে নিজা পাৰদৰ্শিতা। উল্লেখ্য যে নটসূৰ্য ফণী শৰ্মাৰ ৫২ সংখ্যক স্মৃতিদিৱসৰ স’তে সংগতি ৰাখি তেজপুৰত বাণ থিয়েটাৰে বিগত বছৰৰ দৰে আয়োজন কৰা নাট সমাৰোহৰ বাণ থিয়েটাৰ প্ৰযোজিত আৰু এগৰাকী দক্ষ নাট্যশিল্পী তথা বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰী পৰিচালিত তথা মনোৰঞ্জন মহন্তৰ সহ পৰিচালনাত নাটখন মঞ্চস্থ কৰাৰ পূৰ্বেই বাণ থিয়েটাৰৰ সেউজ কক্ষত বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাই সকলো কলাকুশলীকে মন্ত্ৰোচ্চাৰণেৰে আশীৰ্বাদ প্ৰদান কৰি নাটকখনৰ সফলতা কামনা কৰে। ইয়াৰ পাছতেই বাণ থিয়েটাৰৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ নাথ কেওঁটে আনুষ্ঠানিকভাৱে ১৩ পৃষ্ঠাত চাওক

# গোৱালপাৰা জিলা কংগ্ৰেছ কমিটীত জব্বৰ আলীক নিযুক্তি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩ আগষ্ট ঃ** কংগ্ৰেছ কমিটীৰ সামাজিক মাধ্যম আৰু তথ্য আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ গোৱালপাৰা জিলা অধ্যক্ষ হিচাপে জব্বৰ আলীক নিযুক্তি প্ৰদান কৰা হৈছে। কংগ্ৰেছৰ সামাজিক মাধ্যম বিভাগৰ প্ৰদেশ অধ্যক্ষ ৰাতুল কলিতাই প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতিৰ অনুমোদন মৰ্মে যোৱা এক আগষ্টত গুৱাহাটীৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এক সভাত আলীক গোৱালপাৰা জিলা কংগ্ৰেছ কমিটীৰ সামাজিক মাধ্যম আৰু তথ্য আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। আলীক গোৱালপাৰা জিলা কংগ্ৰেছ কমিটীৰ সামাজিক মাধ্যম আৰু তথ্য আৰু প্ৰযুক্তি বিদ্যা বিভাগৰ অধ্যক্ষ হিচাপে প্ৰদান কৰাত দলীয় নেতা-কৰ্মীসকলে উৎফুল্লিত হৈ পৰিছে।

# হাজোৰ কলিতাকুছি গাঁও পঞ্চায়তত এখন বিশেষ গাঁওসভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ৩ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কলিতাকুছি গাঁও পঞ্চায়তৰ কাৰ্যালয়ত কালি এখন বিশেষ গাঁওসভা সম্পন্ন কৰা হয়। সভাত আগন্তুক স্বাধীনতা দিৱসৰ লগতে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ‘হৰ ঘৰ তিৰংগা’ এক বিশেষ জাতীয় স্বাভিমানমূলক বিষয়ৰ ওপৰত আলোকপাত কৰাৰ লগতে পঞ্চায়তখনৰ উন্নয়নমূলক দিশৰ ওপৰতো পৰ্যালোচনা কৰা হয়। কলিতাকুছি পঞ্চায়তৰ সভানেত্ৰী জুনু বেগমৰ সভাপতিত্বত অনুষ্ঠিত গাঁওসভাত দেশৰ স্বাধীনতা দিৱসত তিনিদিনীয়াকৈ ঘৰে ঘৰে ত্ৰিৰংগা উত্তোলনৰ সংকল্পৰে কলিতাকুছি পঞ্চায়তৰ অন্তৰ্গত প্ৰতিটো পৰিয়াল, শিক্ষানুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী অনুষ্ঠান সকলোতে জাতীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনায় পঞ্চায়ত সচিব ইমতিয়াজুল ইছলামে। তদুপৰি আজিৰ বিশেষ গাঁওসভাখনত উপস্থিত থাকে অভিযন্তা প্ৰশান্ত বৈশ্য, গোবিন্দ দাস, বিশিষ্ট সমাজকৰ্মী মনচুৱ আলী, ৰাতুল আলী, জি.পি.চি. ৰাহুল আলী, বিশ্বজিৎ পাটোৱাৰী প্ৰমুখ্যে অঞ্চলটোৰ প্ৰায়সংখ্যক ৰাইজ তথা বিশিষ্ট লোক।



## অসমীয়া ভাষা মৃত্যুৰ গৰাহলৈ ঠেলি

*১২ পৃষ্ঠাৰ পৰা* ব্যৱস্থা কৰিছে ইয়ে অসমীয়া ভাষা-সাহিত্য, কাকত-আলোচনীৰ বিপদ মাতিব। অসমীয়া ভাষা মৃত্যুৰ গৰাহলৈ ঠেলি দিয়া কাৰ্য কোনো কাৰণতে মানি লোৱা নহ'ব বুলিও নেতাগৰাকীয়ে কয়। নেতাগৰাকীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক চৰকাৰৰ হঠকাৰী সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে।

আনহাতে, অসম কেবিনেটে শেহতীয়াকৈ ৰাজ্যখনৰ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ত (তৃতীয় শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ) বিজ্ঞান আৰু গণিত বিষয় দুটি ইংৰাজী মাধ্যমেৰে পাঠদান কৰাৰ বাবে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ বিৰোধিতা কৰিছে অসম জাতীয় পৰিষদে। ডিব্ৰুগড়টো আজি অসম জাতীয় পৰিষদে চহৰৰ চৌকিডিঙী চাৰিআলিত অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰি চৰকাৰৰ মাতৃভাষা বিৰোধী এনে সিদ্ধান্তক কঠোৰ ভাষাৰে সমালোচনা কৰে। প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণে সবাতোকৈ বিজ্ঞানসন্মত আৰু বিশ্বজুৰি সমাদৃত হোৱাৰ লগতে বিশ্বৰ বহুতো বৰেণ্য ব্যক্তি নিজৰ মাতৃভাষাতে অধ্যয়ন কৰি যোৱা বুলি কৈ চৰকাৰৰ এনে সিদ্ধান্ত শীঘ্ৰে বাতিল কৰিবলৈ দাবী জনায়। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰাথমিক পৰ্যায়ৰ পৰাই বিদেশী ভাষা এটা বাধ্যতামূলকভাৱে জাপি দি তেওঁলোকক শৈক্ষিক জটিলতাৰ মাজলৈ আৰু অসমীয়া ভাষাটোৰ ভৱিষ্যৎ অন্ধকাৰলৈ ঠেলি দিয়া বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে অসম জাতীয় পৰিষদে। অসমীয়া ভাষাৰ ভৱিষ্যৎ সুৰক্ষা আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জটিলতা নাইকিয়া কৰাৰ স্বাৰ্থত এই সিদ্ধান্ত বাতিল কৰিবলৈ দাবী জনাই চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দিয়ে প্ৰতিবাদস্থলিত।

## ছাদৰ পৰা বৰষুণৰ পানী পৰাত বজাৰ

*১২ পৃষ্ঠাৰ পৰা* কে'বাঠাইতো বৃহৎ ফাঁট মেলিছে বুলি স্থানীয় ব্যৱসায়ীসকলে অভিযোগ উত্থাপন কৰে। শেহতীয়াকৈ এই বজাৰগৃহৰ ছাদত কে'বাঠাইতো বৃহৎ ফাঁট মেলিছে বুলি স্থানীয় ব্যৱসায়ীসকলে অভিযোগ উত্থাপন কৰে। শেহতীয়াকৈ এই বজাৰগৃহৰ ছাদত কে'বাঠাইতো বৃহৎ ফাঁট মেলাত ইয়াৰ ব্যৱসায়ীসকল অধিক চিন্তিত হৈ পৰিছে। যিকোনো মুহূৰ্তত বজাৰগৃহটো ধ্বংসস্তূপত পৰিণত হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। ইপিনে, এজাক বৰষুণ দিলেই এই বজাৰ গৃহটোৰ মাজৰ ছাদৰ পৰা পানী পৰি গোটেই বদাৰ গৃহৰ মজিয়া পানী ভৰি পৰে। এজাক বৰষুণতে দৈনিক বজাৰৰ ব্যৱসায়ী প্ৰতিষ্ঠান তথা দোকানসমূহ বন্ধ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হয়। ছাদৰ পৰা পৰি থকা পানীয়ে বজাৰগৃহটোৰ মজিয়া বুৰাই পেলায়। এই পানীয়ে ব্যৱসায় প্ৰতিষ্ঠানৰ সামগ্ৰীসমূহ বিনষ্ট কৰে বুলি ব্যৱসায়ীসকলে অভিযোগ কৰে। নতুনকৈ নিৰ্মাণ কৰা বজাৰগৃহত ব্যৱসায়ীসকলে বহু আশাৰে দোকান দিছিল যদিও বজাৰগৃহত ফাট মেলাত আহুকালৰ সৃষ্টি হোৱাত ইয়ালৈ এতিয়া গ্ৰাহকৰ সংখ্যা হ্ৰাস পাইছে।

মন কৰিবলগীয়া বিষয় যে ৰাজ্যৰ শাসনাধিষ্ঠি বিজেপি মিত্ৰজোঁটৰ চৰকাৰে দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰা বুলি চৰকাৰখনৰ মন্ত্ৰী-বিধায়কসকলে ৰাজহুৱাভাৱে প্ৰকাশ কৰি অহাৰ সময়তে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহলে প্ৰতিনিধিত্ব কৰা ঢেকিয়াজুলি সমষ্টিৰ ঢেকিয়াজুলি নগৰত বজাৰগৃহ নিৰ্মাণত সংঘটিত দুৰ্নীতি-অনিয়মক লৈ ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঢেকিয়াজুলি দৈনিক বজাৰত পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে নিৰ্মাণ কৰা আৰ চি চি গৃহৰ নিৰ্মাণত সংঘটিত দুৰ্নীতি-অনিয়মবোৰ তদন্ত কৰি দুৰ্নীতি-অনিয়মত জড়িতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

## শিক্ষানুষ্ঠানত অৰাজকতা ঃ চকু মুদা

*১২ পৃষ্ঠাৰ পৰা* চৰকাৰীভাৱে আৱণ্টিত পুঁজিৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদকৰ যুটীয়া স্বাক্ষৰত বেংকৰ লগত লেনদেন হ'ব লাগে। তাৎপৰ্যপূৰ্ণভাৱে বিদ্যালয় প্ৰধান দ্বীপেন বৰুৱাই সভাপতিজনৰ অজ্ঞাতে ছাত্ৰ-ছাত্ৰীৰ ইউনিফৰ্মৰ নামত অনুমোদিত ধন বেংকৰ পৰা উলিয়াই অনা সমগ্ৰ ঘটনা পোহৰলৈ অহাৰ পাছতেই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে প্ৰধানজনৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা লোৱাৰ দাবীও উত্থাপন হৈছে। বিদ্যালয় প্ৰধানজনৰ ছত্ৰছায়াত বিদ্যালয়খনৰ অভ্যন্তৰত বিৰাজমান হৈ থকা ব্যাপক বিশৃংখলাৰ বিৰুদ্ধে তিতাবৰ মহকুমা সুৰক্ষা পৰিষদ নামৰ এটা সংগঠনৰ 'তথ্য জনাৰ অধিকাৰ ২০০৫'ৰ জৰিয়তে লাভ কৰা তথ্যৰ আধাৰত তদানীন্তন ভাৰপ্ৰাপ্ত সভাপতি মহেন্দ্ৰ শইকীয়াক অৱগত নকৰাকৈ বিদ্যালয় আন্তঃগাঁথনিৰ বাবদ ২০২১ৰ পহিলা চেপ্তেম্বৰত ২৪৫০০ টকা, ছাত্ৰ-ছাত্ৰীৰ ইউনিফৰ্মৰ বাবদ আৱণ্টিত ২০২১ৰ অক্টোবৰৰ ১১ তাৰিখত ষ্টুডেণ্ট গেলাৰীৰ নামত এক লাখ ছয় হেজাৰ চাৰিশ টকা, একেই শিতানত মোদী এণ্টাৰপ্ৰাইজৰ নামত চলিত বৰ্ষৰ মাৰ্চৰ তিনি তাৰিখত এক লাখ তিনি হেজাৰ দুশ টকা আৰু চলিত বৰ্ষৰে মাৰ্চৰ ২০ তাৰিখে দুই হেজাৰ চাৰিশ ৭০ টকা বেংকৰ পৰা উলিয়াই আনে। হাস্যকৰ বিষয়টো হ'ল পৰিচালনা সমিতিৰ অজ্ঞাতে ইমান বৃহৎ পৰিমাণৰ ধনৰাশি উলিয়াই নিয়াৰ পাছতো কিন্তু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ইউনিফৰ্ম লাভ নকৰিলে বুলি অভিযোগ কৰিছে পৰিচালনা সমিতিয়ে। তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল চৰকাৰী কঠোৰ নীতি-নিয়ম থকাৰ পাছতো কেৱল প্ৰধান শিক্ষকজনক ৰাজহুৱা ধন ব্যয়ৰ বিত্তীয় ক্ষমতা কোনে প্ৰদান কৰিলে তাক লৈও গভীৰ প্ৰশ্নবোধক চিহ্নৰ উদয় হৈছে। এই ক্ষেত্ৰত সকলোৱে যোৰহাট জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° শুভলক্ষী ৰাজকুমাৰীৰ প্ৰতি সন্দেহৰ আঙুলি তুলিছে। ইউনিফৰ্ম প্ৰদান নকৰি আৱণ্টিত সকলো ধন পৰিচালনা সমিতিৰ অজ্ঞাতে উলিয়াই নিয়াৰ পাছতো পৰিদৰ্শকজনে নথিপত্ৰ পৰীক্ষা কৰোতে কি ভূমিকা পালন কৰিছিল তাক লৈও সন্দেহৰ আঙুলি উঠিছে। অন্য এক গুৰুতৰ অভিযোগ অনুসৰি, পৰিচালনা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতিজনক কোনো বিত্তীয় ক্ষমতা অৰ্পণ নকৰাকৈ তেওঁৰ ভুৱা চহীৰে অসম গ্ৰামীণ বিকাশ বেংকত থকা বিদ্যালয়ৰ একাউণ্টৰ পৰা ধন উলিয়াইছে বুলি ভয়ানক অভিযোগ কৰিছে খোদ তদানীন্তন ভাৰপ্ৰাপ্ত সভাপতি মহেন্দ্ৰ শইকীয়াই। ১৯৬১তে তিতাবৰৰ এলেঙীৰ দৰে ভিতৰুৱা অঞ্চলত স্থানীয় শিক্ষাসদী লোকৰ প্ৰচেষ্টাত গঢ় লৈ উঠা বিদ্যালয়খনত শেহতীয়াকৈ উন্মোচিত হোৱা চৰম বিত্তীয় অনিয়ম আৰু অৰাজকতাই স্তম্ভিত কৰি তুলিছে স্থানীয় সচেতন অভিভাৱক তথা শৈক্ষিক সমাজক। ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাক দেশৰ ভিতৰতে জাকতজিলিকা কৰিবলৈ বৰ্তমানৰ চৰকাৰখনে অহোপুৰুষাৰ্থ কৰি থকাৰ সময়তে শিক্ষকতা বৃত্তিটোৰ লগত জড়িত একাংশ ব্যক্তিৰ মানসিকতাই চৰকাৰী ঘোষণাসমূহকে অংগুষ্ঠ প্ৰদৰ্শন কৰিছে। তাৰ উপৰি মাধৱদেৱ চেমিনাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত উদ্ভৱ হোৱা চৰকাৰী ধনৰ হৰলুকি, লোকৰ হস্তাক্ষৰ জাল কৰাৰ দৰে গুৰুতৰ অপৰাধত লিপ্ত হোৱা সকলোকে চিনাক্ত কৰি পুলিয়ে পোখাই উৎখাত কৰিবলৈ জিলাখনৰ উৰ্ধ্বতন কৰ্তৃপক্ষক আহ্বান জনাইছে পৰিচালনা সমিতিৰ লগতে স্থানীয় সচেতন শৈক্ষিক সমাজে। অন্যথা সমগ্ৰ বিষয়টো মুখ্যমন্ত্ৰীৰ তদাৰকী কোষত অভিযোগ দাখিল কৰিব বুলি স্পষ্টভাৱে অৱগত কৰিছে।

## তেজপুৰৰ বাণ থিয়েটাৰত গজপুৰীয়া

*১২ পৃষ্ঠাৰ পৰা* নাটকখন উদ্বোধন কৰি নাটকখনৰ বিষয়বস্তু আৰু প্ৰয়াত দীপক মহন্তৰ নাটকশৈলীৰ ওপৰত আলোকপাত কৰি মহন্তলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই শ্বেক্সপীয়েৰৰ 'ফলষ্টাফ' চৰিত্ৰৰ আৰ্হিৰে 'চক্ৰধ্বজ সিংহ' নাটকৰ 'গজপুৰীয়া' নামৰ বিশেষ চৰিত্ৰৰ আলম লৈ সম্পূৰ্ণ হাস্য ব্যংগাত্মক শৈলীৰে, থলুৱা লোকগীত, লোকবাদ্যৰ সমাহাৰ ঘটাই চৰিত্ৰসমূহৰ মুখৰ গীতেৰেই আৰম্ভ কৰা নাটকখনত ব্যৱহাৰ কৰা সেই গীতসমূহে প্ৰথম অৱস্থাতেই দৰ্শকৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হয়। সমসাময়িক সামাজিক- ৰাজনৈতিক ঘটনা প্ৰবাহক তীৰ্যক ব্যংগ আৰু হাস্য ৰসেৰে সজাই বিশেষ বাৰ্তা দিবলৈ সক্ষম হোৱা বিগত সময়ৰ অতি জনপ্ৰিয় নাটকখনৰ এইবাৰৰ পৰিচালক জিতুমণি দেৱচৌধুৰীয়ে নিজেই গীতাংশৰ নেতৃত্ব বহন কৰি আগুৱাই নিয়াৰ লগতে বিজয় শংকৰ শইকীয়াৰ মনোগ্ৰাহী আলোক সম্পাত, উদীয়মান সংগীত শিল্পী অমিত বড়ো আৰু গীতাৰ্থ হৰি কাশ্যপৰ লোকবাদ্যৰ সুন্দৰ প্ৰয়োগৰ উপৰি দিব্যজ্যোতি নাথৰ ৰূপসজ্জা, ৰঞ্জন সৰকাৰৰ শব্দ নিয়ন্ত্ৰণ আৰু অভিজ্ঞ কলা নিৰ্দেশক কুলেন বৰাৰ দৃশ্য সজ্জাই সামগ্ৰিক সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হয়। নাটকখনৰ মুখ্য চৰিত্ৰ গজপুৰীয়াৰ চৰিত্ৰত তিলক নাথ আৰু গজপুৰীয়ানীৰ চৰিত্ৰত মুন ডেকাই হৃদয়স্পৰ্শী অভিনয় কৰি দৰ্শকক আপ্লুত কৰে। আনহাতে, আলোক নিয়ন্ত্ৰণত উজ্জ্বল শইকীয়া, দৃশ্য সজ্জাত গৌতম কোচ আৰু চৈয়দ হাৰুণ ৰছিদৰ লগতে জয়ন্ত শৰ্মাৰ সহযোগত সফল মঞ্চায়ন হোৱা বহু চৰ্চিত নাটকখনৰ টোকোৰাৰ চৰিত্ৰত জ্যেষ্ঠ নাট্যশিল্পী মৃগেন চন্দ্ৰ বড়া, হৰ নাথ ডাৰোগাৰ চৰিত্ৰত সাংবাদিক-নাট্যশিল্পী অশ্বিনী বৰা, নবীনৰ চৰিত্ৰত দক্ষ অভিনেতা অচ্যুত শৰ্মা, বৰফুকনৰ চৰিত্ৰত বাণ থিয়েটাৰৰ মঞ্চাধ্যক্ষ ৰাজীৱ মহন্ত, টকৌৰ চৰিত্ৰত প্ৰহ্লাদ তালুকদাৰ, জপৰা, জাফৰৰ চৰিত্ৰত শশাংক বৰা, সিদ্ধিৰামৰ চৰিত্ৰত নিতুমণি কলিতা, প্ৰিয়ৰামৰ চৰিত্ৰত উজ্জ্বল শইকীয়া, বায়নৰ চৰিত্ৰত খনিন্দ্ৰ কুমাৰ ডেকা আৰু আন এটি বিশেষ নাৰী চৰিত্ৰ কিতিৰ চৰিত্ৰত উদীয়মান তথা প্ৰতিভাশালী অভিনেত্ৰী কৃশাংগী শইকীয়াই মনপৰশা অভিনয়েৰে দৰ্শকক প্ৰায় ডেৰ ঘণ্টা সময় মুগ্ধ কৰি ৰাখে। নাটকখনৰ কোৰাছত অংশগ্ৰহণ কৰিছিল কিশোৰ শৰ্মা আৰু গুণেশ্বৰ বড়োৱে। নাটকখনত বাণ থিয়েটাৰ প্ৰেক্ষাগৃহ দৰ্শকেৰে সম্পূৰ্ণ সময় ভৰি থকাৰ পৰাই নাটকখনৰ সফলতাৰ প্ৰমাণ দিয়ে। উল্লেখ্য যে প্ৰয়াত নাট্যকাৰ পৰিচালক মহন্তই তেজপুৰত নটৰাজন কলা মন্দিৰৰ উদ্যোগত প্ৰথমে তেওঁৰ নাট্য দক্ষতাৰ পৰিচয় দিয়াৰ পাছতে একাধিক নাট্য অনুষ্ঠানৰ জৰিয়তে নাট্যক্ষেত্ৰত এক বিশেষ স্থান অৰ্জন কৰাৰ লগতে বাণ থিয়েটাৰৰ মঞ্চত তথা ৰাজ্যৰ বিভিন্ন মঞ্চত ব্যংগ আৰু সামাজিক বাৰ্তাবাহী নাটক মঞ্চায়ন কৰি অপেছাদাৰী নাট্যক্ষেত্ৰখনত এক সুকীয়া স্মৃতি ৰাখি থৈ গৈছে।

## ডিব্ৰুগড়ত ১৫ দিনীয়া বিয়ানামৰ

*১২ পৃষ্ঠাৰ পৰা* এই তথ্য চিত্ৰখনৰ সম্পূৰ্ণ পৰিচালনাৰ দায়িত্ব উপাসনা কলা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক ঝৰ্ণা শইকীয়াই নিজস্ব পৰিকল্পনাৰে মঞ্চস্থ কৰিবলৈ প্ৰয়াস কৰে।

যোৱা ১৬ জুলাইৰ পৰা আৰম্ভ হোৱা এই বিয়ানামৰ কৰ্মশালাত ডিব্ৰুগড়ৰ এক অগ্ৰণী মহিলা দল স্থানীয় মহিলা চ'ৰা প্ৰমুখ্যে বৃহত্তৰ ডিব্ৰুগড়ৰ অন্যান্য স্থানীয় মহিলাসকলেও অংশগ্ৰহণ কৰে। উল্লেখনীয় বিষয় হ'ল এখন বিয়াৰ মাংগলিক কাৰ্যত ব্যৱহাৰ হোৱা প্ৰত্যেকটো সামগ্ৰী আৰু বিয়াৰ প্ৰতিটো অনুক্ৰমত দৰা ঘৰ আৰু কইনা ঘৰত গোৱা বিয়ানামসমূহ আৰু লগতে যোৱা নামসমূহ আৰু এই তথ্যচিত্ৰৰ বাবে প্ৰদৰ্শন কৰা হয়। এই সামৰণি অনুষ্ঠানত বিশিষ্ট কবি, সাহিত্যিক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপিকা ড° কৰবী ডেকা হাজৰিকা সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। শিল্পী চুমী ফুকনৰ মংগলাচৰণৰ লগে লগে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপিকা ড° কৰবী ডেকা হাজৰিকাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান আৰম্ভ কৰে। সভাৰ আৰম্ভণিতে উপাসনা কলা কেন্দ্ৰৰ অধ্যক্ষ তৰুণ চন্দ্ৰ গগৈয়ে উপাসনা কলা কেন্দ্ৰৰ এক চমু ইতিবৃত্ত দাঙি ধৰে। সভাপতি দীপক কুমাৰ দত্তই আদৰণি ভাষণ প্ৰদান কৰে। চুমী ফুকন, ৰশ্মিৰেখা গোস্বামী, নমিতা বৰুৱা প্ৰমুখ্যে কে'বাগৰাকী স্থনীয় মহিলাৰ মধুৰ কণ্ঠত পৰিৱেশিত বিয়ানামে সমূহ দৰ্শকবৃন্দক মোহাচ্ছন্ন কৰি তোলাৰ লগতে সমান্তৰালভাৱে পৰিৱেশিত বিয়াৰ দৃশ্যায়নে দৰ্শকৰ হৃদয় চুই যায়। উপাসনা কলা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক ঝৰ্ণা শইকীয়াৰ পৰিচালনাত পৰিৱেশন কৰা এই বিয়ানামসমূহ আৰু লগতে বিবাহ কাৰ্যৰ নীতি-নিয়মসমূহ তথা চিত্ৰৰ দ্বাৰা পৰিৱেশন কৰাৰ প্ৰচেষ্টাক সকলোৱে ভূয়সী প্ৰশংসা কৰে আৰু মহিলাসকলৰ উৎসাহমূলক অংশগ্ৰহণে অনুষ্ঠানত অধিক মোহনীয় কৰি তোলে।

এই অনুষ্ঠানটোৰ শেষত কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে তেওঁলোকৰ অভিমত দাঙি ধৰে। বিশেষভাৱে ড° কৰবী ডেকা হাজৰিকাই তেওঁৰ মন্তব্যত কয় যে গীত-মাত আৰু অভিনয় সকলো দিশৰ পৰাই অনুষ্ঠানৰ সফল ৰূপায়ণে তেওঁক অভিভূত কৰি তুলিলে আৰু সকলোৱে অন্তৰ চুই যোৱা পৰিৱেশন বুলি মন্তব্য আগবঢ়ায়। বিশিষ্ট শিক্ষাবিদ তথা সাংস্কৃতিক কৰ্মী ড° গোপাল চন্দ্ৰ হাজৰিকাই কয় যে অসমীয়া চহকী সংস্কৃতিৰ অন্যতম উপাদান বিয়ানামবোৰ আমাৰ মাজৰ পৰা যাতে হেৰাই নাযায় তাৰ বাবে অভিভাৱকসকলেও সমানে সচেতন হ'বলৈ আহ্বান জনায় আৰু এনে কৰ্মশালাৰ দ্বাৰাহে নৱপ্ৰজন্মক অসমীয়াৰ অনুপম সৃষ্টি ৰাজিৰ বিষয়ে উৎসাহিত কৰিব লাগে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ উন্নয়ন আয়ুক্ত সঞ্জয় দত্ত, ডিব্ৰুগড় সাংস্কৃতিক বিভাগৰ সাংস্কৃতিক উন্নয়ন বিষয়া ভনীতা হীৰা দাস, ডিব্ৰুগড় বিদ্যালয় পৰিদৰ্শন বিষয়া দীপিকা চৌধুৰী, জেষ্ঠ সাংবাদিক ইকবাল আহমেদ, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি ইন্দ্ৰ গগৈ প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## একাংকিকা নাটৰ পাণ্ডুলিপি

*১২ পৃষ্ঠাৰ পৰা* দেৱী, সম্পাদিকা, সাহিত্য বিভাগ, ওদালগুৰি জিলা লেখিকা সমাৰোহ, গাঁও-খৰামখা, ডাকঘৰ আৰু থানা- মাজবাট, জিলা- ওদালগুৰি জিলা লেখিকা সমাৰোহ কলাইগাঁও দুই নম্বৰ কলাইগাঁও। থানা- কলাইগাঁও, জিলা- ওদালগুৰি, পিন- ৭৮৪৫২৫, ফোন নম্বৰ- ৯৮৫৪৯০৪৪৩০ অনুৰোধ জনাইছে।

## তিনিচুকীয়াত 'উজ্জ্বল ভাৰত

*১২ পৃষ্ঠাৰ পৰা* অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকে লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলিন চেতিয়া। সাংসদ বৰুৱাই বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় উত্তৰ-পূব বৈদ্যুতিক শক্তি নিগমৰ সাধাৰণ প্ৰবন্ধক তথা 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত'ৰ তিনিচুকীয়া জিলাৰ নডেল বিষয়া ভৰত চন্দ্ৰ ডেকাই। সভাত বিদ্যুৎ উপভোক্তাসকলৰ মাজত বিদ্যুতৰ অপচয় আৰু বিদ্যুতৰ ব্যৱহাৰৰ ক্ষেত্ৰত সাৱধানতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে দুখনকৈ সজাগতামূলক চুটি নাটক মঞ্চস্থ কৰাৰ লগতে সমগ্ৰ দেশতে বিদ্যুৎ বিভাগৰ উত্তৰণ সন্দৰ্ভত সাতখনকৈ তথ্য চিত্ৰ প্ৰদৰ্শন কৰা হয়। আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ সৌভাগ্য আঁচনি তথা দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ ছগৰাকী হিতাধিকাৰীক সভাত সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে মানপত্ৰ প্ৰদান কৰা হয়। শদিয়া সমষ্টিৰ বিধায়ক বলিন চেতিয়াই কেন্দ্ৰীয় চৰকাৰৰ সৌভাগ্য আঁচনি তথা দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি আঁচনিৰ জৰিয়তে দেশ তথা ৰাজ্যৰ প্ৰতিখন গাঁৱৰ চুকে-কোণে থকা প্ৰতি ঘৰে ঘৰে বিজুলী সংযোগ পাবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰে। বিধায়কজনে বিদ্যুতৰ উপভোক্তাসকলক বিজুলী মাচুল নিয়মিত পৰিশোধ কৰিবলৈ আৰু বিদ্যুতৰ চুৰি বন্ধ কৰিবলৈ আহ্বান জনায়।

## দেৰগাঁৱত শিক্ষয়িত্ৰী অৰণী

*১২ পৃষ্ঠাৰ পৰা* বিশিষ্ট সাহিত্যিক নুৰুল চুলতান গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি পবিত্ৰ বৰবৰা, সম্পাদক বন্তি বৰা, উপ-সভাপতি তফজুল হক বৰবৰা,সমাজপ্ৰাণ অতুল গোস্বামী,জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ভোলা হাজৰিকা, সম্পাদক উমা শংকৰ চাহু, সমাজপ্ৰাণ অতুল গোস্বামী, প্ৰবীণ সাংবাদিক মহেন্দ্ৰ নাথ হাজৰিকা, অধ্যাপক ড° ৰমানন্দ দাস, সাহিত্য সভাৰ প্ৰাক্তন জিলা সম্পাদক তুলুমণি দেৱী প্ৰমুখ্যে কে'বাগৰাকীয়ো বিশিষ্ট ব্যক্তিয়ে আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে। বৃহত্তৰ দেৰগাঁৱৰ শতাধিক সাহিত্যনুৰাগী আৰু বিভিন্ন দল সংগঠনৰ প্ৰতিনিযধিয়ে ভাগ লোৱা সভাখনত লেখিকা তথা সাহিত্য সভাৰ আজীৱন সভ্য অৰনী বৰঠাকুৰেও গ্ৰন্থখনৰ সম্পৰ্কত বক্তব্য ৰাখে। শেষত শলাগৰ শৰাই আগবঢ়াই লেখিকাৰ ভ্ৰাতৃ দ্বিপেন বৰঠাকুৰে।

## অনলাইন শিক্ষাই মুখামুখি

*১২ পৃষ্ঠাৰ পৰা* পৰৱৰ্তী সময়ত তেওঁৰ সুযোগ্য পুত্ৰসকলে যোৰহাটত নাৰীৰ উচ্চ শিক্ষানুষ্ঠান গঢ় দিয়াত আগভাগ লয়। আনহাতে, মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা কবিতা ৰাজগুৰুৱে মহাবিদ্যালয়খন প্ৰতিষ্ঠাত আগভাগ লোৱা উমাচৰণ বৰুৱাৰ বদান্যতা আৰু কাৰ্যাৱলী সম্পৰ্কে আলোকপাত কৰি কয় যে তেওঁৰ প্ৰচেষ্টাৰ বাবেই কম দিনৰ ভিতৰতে মহাবিদ্যালয়খন ঘাটি মঞ্জুৰি লাভ কৰিছিল। অধ্যাপিকা দৰথী মমীনে আঁত ধৰা অনুষ্ঠানত শলাগ জ্ঞাপন কৰে বিজয় কৃষ্ণ বৰাই। মহাবিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত অধ্যাপিকা ড° অঞ্জলি চুতীয়া শইকীয়াই লোকগীত পৰিৱেশন কৰে। প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা পতাকা উত্তোলন কৰে অধ্যক্ষা ড° জিনামণি ভূঞাই।

## পশুধন বেংক, অসমীয়া হাট

*১২ পৃষ্ঠাৰ পৰা* কৰ্কট ৰোগী হৈও আৰোগ্য লাভৰ পাছত কৰ্কট ৰোগৰ বিৰুদ্ধে চলাই থকা এক কঠোৰ সংগ্ৰামৰ স্বীকৃতি স্বৰূপে এই সন্মান প্ৰদান কৰে । লগতে দত্তই এই সংগ্ৰামৰ সমান্তৰালভাৱে সমাজৰ আৰ্তজনৰ কাষত থিয় হৈ মানসিক, আৰ্থিকভাৱে সহযোগিতা আগবঢ়াই আহিছে। বিভিন্ন সময়ত বিভিন্ন শিক্ষানুষ্ঠান, চিকিৎসালয়, সভা সমিতি আদিত দত্তই কৰ্কট ৰোগৰ সজাগতাৰ সৃষ্টি কৰি আহিছে। ফেচবুকৰ সাহিত্য চৰ্চাৰ গ্ৰুপ 'অনুশীলন' জৰিয়তে হেজাৰ হেজাৰ সদস্য-সদস্যাই সাহিত্য চৰ্চা কৰাৰ উপৰি বিভিন্নজনে আগবঢ়োৱা অনুদানৰ যোগেদি কৰ্কট, বৃক্ক , জটিল ৰোগত আক্ৰান্ত ব্যক্তিক সাহায্য আগবঢ়াই চিকিৎসাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াই আহিছে। অনুশীলনৰ যোগেদি আৰ্থিকভাৱে পিছ পৰা বহুজন ছাত্ৰ-ছাত্ৰীক জলপানি প্ৰদান কৰা, ৰক্ত দান কৰা, যুৱক- যুৱতীক স্বাৱলম্বী কৰা আদি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ উপৰি দত্তই যাত্ৰা নামৰ ৱাটছএপ গ্ৰুপ এটি সৃষ্টি কৰি সদস্য-সদস্যাসকলে আগবঢ়োৱা অনুদানৰ যোগেদি পাঁচ লাখতকৈও অধিক অনুদান ইতিমধ্যে আৰ্তজনলৈ আগবঢ়াইছে। স্মৰ্তব্য যে কালি একেখন মঞ্চতে বোলছবি জগতৰ অভিনেতা নয়ন নিৰ্বাণ বৰুৱা, শ্যামন্তিকা শৰ্মা, নৃত্য শিল্পী উদয় শংকৰ , কণ্ঠশিল্পী ৰাজ কাশ্যপ, নৱনীতা শৰ্মা, মন্মিতা ভৰদ্বাজ, ৰূপম বড়া, বিশিষ্ট অভিনেতা উৎপল দত্তকে ধৰি অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী বন্তি খণ্ডীযা আৰু সাংস্কৃতিক জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰাজ্যৰ প্ৰায় ৭০ গৰাকী সাংস্কৃতিক কৰ্মী তথা শিল্পীক প্ৰাইড অৱ আসাম বঁটা প্ৰদান কৰা হয়।

## সত্ৰাধিকাৰ ভকত শিৰোমণি

*১২ পৃষ্ঠাৰ পৰা* হৰেকৃষ্ণ মহন্তৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰিব বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ নিৰঞ্জন বড়োৱে। ইয়াৰ পাছতে অনুষ্ঠিত হ'ব স্মৃতিচাৰণ সভা। সত্ৰীয়া সংস্কৃতিৰ অনুগামী তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত সচিব থানেশ্বৰ মালাকাৰৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া স্মৃতিচাৰণ সভাত প্ৰয়াত সত্ৰাধিকাৰ মহন্তৰ বৰ্ণিল জীৱন পৰিক্ৰমাৰ আধাৰত প্ৰস্তুত কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'বৈকুণ্ঠ দুতয়' উন্মোচন কৰিব অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। সভাত লখিমপুৰৰ চাংগিনী সত্ৰৰ সত্ৰাধিকাৰ মতিলাল পেগু, নাৰায়ণপুৰ সত্ৰৰ সত্ৰাধিকাৰ লক্ষী নাৰায়ণ অধিকাৰী, পাণবজাৰ সত্ৰৰ শৰণাচাৰ্য্য বীৰেণ পাঠক, নভাঙা সত্ৰৰ শৰণাচাৰ্য্য ৰামচন্দ্ৰ ৰাভা আৰু বেঙাবড়া সত্ৰৰ শৰণাচাৰ্য্য বাবুল ডেকাই মুখ্য অতিথি, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, সাংসদ দিলীপ শইকীয়া, ওদালগুৰিৰ বিধায়ক গোবিন্দ বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য দাওবাইচা বড়ো, জ্যেষ্ঠ প্ৰশাসনীয় বিষয়া মিনাক্ষী সুন্দৰম, দিঠকানন্দ হাজৰিকা, নগাঁৱৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, ওদালগুৰিৰ উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণে সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰাৰ বিপৰীতে বিশিষ্ট সমাজকৰ্মী অজয় ডেকা, গোপাল হৰেণ ৰাভা, উদ্ধৱ দাস, লক্ষণ ওজা, পৰীক্ষিত দাস প্ৰমুখ্যে বহু সংখ্যক বিশিষ্ট লোকে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ৰাইজৰ সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে সত্ৰ পৰিচালনা সমিতি আৰু বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ নিৰঞ্জন বড়োৱে।

## ভৱানীপুৰত কম্পিউটাৰ শিক্ষাৰ

*১২ পৃষ্ঠাৰ পৰা* চন্দ্ৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত 'কম্পিউটাৰ শিক্ষা আৰু সমাজত ইয়াৰ প্ৰভাৱ' শীৰ্ষক মনোজ্ঞ আলোচনাচক্ৰত নিৰ্দিষ্ট বিষয়ৰ ওপৰত ভাষণ দি সৰুপেটাৰ বিএইচবি মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মোফাজ্জল হুছেইনে কয় যে বৰ্তমানৰ সমাজ ব্যৱস্থা, সামাজিক সভ্যতা আগুৱাই নিয়াৰ মূল আহিলা কম্পিউটাৰ। কম্পিউটাৰে ভিন্ন ক্ষেত্ৰলৈ শৃংখলাবদ্ধ ব্যৱস্থা আনি দিছে। এচাম যুৱ প্ৰজন্মই কম্পিউটাৰৰ জৰিয়তে উশৃংখলতাৰো সৃষ্টি কৰিছে। কিন্তু কম্পিউটাৰ ব্যৱস্থা সামাজিক সভ্যতাক আগুৱাই নিয়াৰ বাবেহে।' আলোচনাচক্ৰত আন এজন বক্তা বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী জয়া সাউদে কয় যে মানুহৰ সমাজ জীৱনত উন্নত জীৱন যাত্ৰাৰ বাবেহে কম্পিউটাৰ শিক্ষাৰ প্ৰয়োজন। বিশৃংখলতা সৃষ্টিৰ বাবে কম্পিউটাৰ শিক্ষা নহয়। আলোচনাচক্ৰৰ আৰম্ভণিতে ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অঞ্জন কুমাৰ মিশ্ৰই উদ্বোধন কৰি কয় যে কম্পিউটাৰ শিক্ষা হৈছে সমাজ জীৱনৰ তথা বিপ্লৱ আৰু বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ সফল বিপ্লৱ। আলোচনাচক্ৰত আদৰণি ভাষণ দিয়ে মাইক্ৰ' কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ মুখ্য উপদেষ্টা দিপুল তালুকদাৰে আৰু সামৰণি ভাষণ দিয়ে মাইক্ৰ' কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ পৰিচালন সঞ্চালক ৰুবুল তালুকদাৰে। আদৰণি ভাষণত দিপুল তালুকদাৰে বৃহত্তৰ ভৱানীপুৰ বিধানসভা সমষ্টিৰ ভৱানীপুৰত মাইক্ৰ' কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনেৰে ১৯৯৭ৰ দুই আগষ্টত সৰ্ব প্ৰথমে কম্পিউটাৰ শিক্ষাৰ আৰম্ভণি কৰাৰ পাছত বৰ্তমানলৈকে বৃহত্তৰ ভৱানীপুৰ সমষ্টিত কম্পিউটাৰ শিক্ষাৰ যাত্ৰা অব্যাহত ৰাখিছে আৰু ইয়াৰ প্ৰসাৰতা বৃদ্ধি পাইছে বুলি কয়। মাইক্ৰ' কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ অধীনত ভিন্ন স্থানত শাখা কেন্দ্ৰ স্থাপন কৰি যুৱ প্ৰজন্মক কম্পিউটাৰ শিক্ষাৰে আগুৱাই নিয়া বুলিও দিপুল তালুকদাৰে তেওঁৰ ভাষণত উল্লেখ কৰে। আলোচনাচক্ৰৰ আঁত ধৰে সাংবাদিক ৰাজীৱ তালুকদাৰে।

# শিক্ষকৰ অভাৱত হাবু-ডুবু খাইছে বিদ্যালয় কৰ্তৃপক্ষ

## চাৰিগৰাকী শিক্ষকেৰে চলিছে পশ্চিম বড়িগোগ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৩ আগষ্ট ঃ** চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন অনাৰ লক্ষ্য স্থিৰ কৰা বুলি ঢাক-ঢোল বজালেও বাস্তৱত সেয়া যে ভুৱা তাক একাংশ শিক্ষানুষ্ঠানৰ আভ্যন্তৰীণ পৰিৱেশ স্পষ্ট ৰূপত প্ৰকাশ পাইছে। ইয়াৰ ভিতৰত কামৰূপ জিলাৰ হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম বড়িগোগ আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ কথাটো বিশেষভাৱে উল্লেখ কৰিব পাৰি। এসময়ত মৌজাখনৰ একাংশ সমাজহিতৈষী ব্যক্তিৰ আপ্ৰাণ চেষ্টাত ঠন ধৰি উঠিছিল উক্ত শিক্ষানুষ্ঠানখন। কামৰূপ আৰু নলবাৰী জিলাৰ একাংশ অৰ্থনৈতিক অনগ্ৰসৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নয়নৰ মণি আছিল উক্ত শিক্ষানুষ্ঠান। ইতিমধ্যে বছৰে বছৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত যথেষ্ট সন্তোষজনক ফলে ৰাইজক আশ্বস্ত কৰিব পাৰিছে। ফলাফললৈ উৎসাহিত হৈ দূৰদূৰণিৰ পৰাও শিক্ষাৰ্থী আহিছিল বিদ্যালয়খনত অধ্যয়ন কৰিবলৈ। কিন্তু দুৰ্ভাগ্যজনক কথা যে বৰ্তমান শিক্ষানুষ্ঠানখন মাত্ৰ চাৰিগৰাকী শিক্ষকেৰে চলাবলগীয়া অৱস্থা হৈছে। উল্লেখ্য যে বিদ্যালয়খনৰ ইংৰাজী বিষয়ৰ শিক্ষকগৰাকী বিগত ২০১৪ৰ জানুৱাৰীতে অৱসৰ লৈছিল যদিও আজি পৰ্যন্ত সেই পদত কোনো নিযুক্তি হোৱা নাই। আনহাতে, বিদ্যালয়ৰ অধ্যক্ষগৰাকী ২০১৫ৰ মাৰ্চত অসমীয়া বিষয়ৰ শিক্ষক এগৰাকী ২০২০ৰ ফেব্ৰুৱাৰীত এগৰাকী একে চনৰে নৱেম্বৰত, অৰ্থনীতি বিজ্ঞানৰ বিষয় শিক্ষকগৰাকী ২০২১ৰ ফেব্ৰুৱাৰীত, শিক্ষা বিষয়ৰ বিষয় শিক্ষকগৰাকী ২০২১ৰ অক্টোবৰ আৰু ৰাজনীতি বিজ্ঞানৰ শিক্ষকগৰাকী ২০২২ৰ মে'ত অৱসৰ গ্ৰহণ কৰিছে। ইয়াৰ উপৰি পুথিভঁৰাল সহায়কগৰাকী বিগত ২০১৫ৰ জানুৱাৰীত, উচ্চবৰ্গৰ সহায়কগৰাকী ২০১৭ৰ এপ্ৰিল আৰু এগৰাকী চতুৰ্থবৰ্গৰ কৰ্মচাৰী অৱসৰ লৈছিল। এই আটাইকেইটা পদতে কোনো নিযুক্তি বৰ্তমানলৈ হোৱা নাই। ইয়াৰ ভিতৰত কে'বাজনো বিষয়ৰ শিক্ষক অবিহনে চলি আছে শিক্ষানুষ্ঠানখন। দুখৰ বিষয় যে প্ৰয়োজনীয় শিক্ষকৰ অভাৱৰ বাবে এইবেলি বিদ্যালয়খনত নামভৰ্তিৰ সংখ্যা পূৰ্বৰ তুলনাত কমিছে। এই ক্ষেত্ৰত অসম চৰকাৰৰ শিক্ষা বিভাগে ইতিবাচক দিশৰ ফালে চাই শিক্ষানুষ্ঠানখনৰ সকলো প্ৰয়োজনীয় শিক্ষক-কৰ্মচাৰীৰ নিযুক্তি দিয়াৰ বাবে সচেতন অভিভাৱক তথা ৰাইজে চৰকাৰ তথা জনপ্ৰতিনিধিক দাবী জনাইছে।

## নাভূত-নাশ্ৰুত কাণ্ডক তীব্ৰ গৰিহণা ওদালগুৰি জিলা বিহু সুৰক্ষা সমিতিৰ

### দিল্লীত বিহু বিকৃত ৰূপত পৰিৱেশন

অগ্ৰদূত বাৰ্তা

**টংলা, ৩ আগষ্ট ঃ** মালদ্বীপৰ ৰাষ্টপতিৰ ভাৰত আগমন উপলক্ষে দিল্লীৰ পালাম বিমানকোঠত অনুষ্ঠি চৰকাৰী অনুষ্ঠানত অসমৰ বিহুৰ নামত যি নাচ পৰিবেশন কৰা হ'ল, সেয়া দেখি অসমৰ ৰাইজৰ চকু কপালত উঠিছে। অসমৰ বাপতি সাহোন, অসমীয়া জাতিৰ স্বাভিমান, অসমৰ জাতীয় উৎসৱ বিহুক অদ্ভুত সাজ সজ্জা, অদ্ভুত নৃত্য ভংগী, বিহুঢোলৰ নামত এটা বেলেগ বাদ্যৰে সম্পূৰ্ণ বিকৃত কৰি বিহু নাচক এইদৰে পৰিৱেশন কৰাৰ অধিকাৰ এই চৰকাৰী অনুষ্ঠানক কোনো দিলে বুলি ইয়াৰ আগতেও দিল্লীৰ কে'বাটাও চৰকাৰী অনুষ্ঠানত অসমৰ বিহুটিক বিকৃতৰূপত উপস্থাপন কৰা হৈছিল। এনেধৰণৰ এটা জাতিৰ জাতীয় উৎসৱৰ স'তে সংপৃক্ত এটা নাচক ইচ্ছাকৃতভাৱে বিকৃত কৰি উপস্থাপন কৰা কাৰ্যক গৰিহণা দি বিহু সুৰক্ষা সমিতি ওদালগুৰি জিলাই তীব্ৰ প্ৰতিবাদ কৰিছে। লগতে ইয়াৰ স'তে জড়িত সংশ্লিষ্ট কৰ্তৃপক্ষক জবাবদিহি কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসম চৰকাৰক ওদালগুৰি জিলা বিহু সুৰক্ষা সমিতিৰ সভাপতি নৰজিৎ দাস আৰু সম্পাদক অপূৰ্ব ডেকাই টানি অনুৰোধ জনায়।

## চুতীয়া জনগোষ্ঠীৰ সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৩ আগষ্ট ঃ** সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত তিনিচুকীয়া জিলাৰ চুতীয়া জনগোষ্ঠীৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক যোৱা ৩১ জুলাইত মাকুম বনৰক্ষী বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত সভাত অভিনন্দন জনোৱা হয়। জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি ৰহিম শইকীয়াই সভাপতিত্ব কৰা সভাত জিলা সমিতিৰ মুখ্য উপদেষ্টা ৰতন বৰাই সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ক্ষীৰোদ শইকীয়া ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ আৰম্ভ আৰু জীৱন দৰ্শনৰ প্ৰসংগত উল্লেখ কৰে। সভাত উপস্থিত থাকে মাকুম মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰৱক্তা বিশ্বজ্যোতি বৰুৱা, তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সূৰ্য চুতীয়া, সমাজসেৱক কৰুণা গগৈ, চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতি প্ৰসাদ চুতীয়া, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি সমীৰণ বৰা, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক ব্ৰজেন ভূঞা, সদৌ তিনিচুকীয়া জিলা চুতীয়া জাতি সন্মিলনৰ সভাপতি প্ৰাঞ্জল শইকীয়া, যুৱ লেখক বিপুল গোস্বামী, সম্পাদক প্ৰমোদ শইকীয়া, শদিয়া আঞ্চলিক চুতীয়া জাতি সন্মিলনৰ সভাপতি গুনীন চুতীয়া, সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্খাৰ প্ৰাক্তন সহকাৰী সম্পাদক বিতুপন শইকীয়া, সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি হৰেণ শইকীয়া আদি উপস্থিত থাকে।

## ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ স্মাৰকপত্ৰ

*১২ পৃষ্ঠাৰ পৰা* অসম মহিলা সংঘৰ জিলা সম্পাদিকা অনুৰাধা গোহাঁই গগৈ আৰু নিখিল ভাৰত কৃষক সভাৰ জিলা সম্পাদক যোগেশ বুঢ়াগোহাঁইকে ধৰি ভালেকেইজন সদস্যই অংশ লয়। চৰকাৰক সমালোচনা কৰি কনক গগৈয়ে কয় যে এফালে চৰকাৰে একাংশক সন্তুষ্ট কৰা কাম কৰিছে যদিও বেছিসংখ্যকেই সাধাৰণ জনতাৰ ওপৰত মাধমাৰ সোধোৱা কাম কৰিছে। কেৱল কৰ আৰোপ কৰি সাধাৰণ জনতাৰ পানীত হাঁহ নচৰা অৱস্থা সৃষ্টি কৰি পুঁজিপতি শ্ৰেণীক কৰ ৰেহাই দিছে। সেয়ে তেওঁ চৰকাৰক আনুপাতিক কৰ ব্যৱস্থাৰ পৰিৱৰ্তে ইতিবাচক কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ দাবী জনায়।

## বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক

*১২ পৃষ্ঠাৰ পৰা* হাতত জমা দিব লাগিব। অন্যান্য নাগৰিকে জিলা উপায়ুক্তৰ কাৰ্যালয়ত নিৰ্ধাৰিত সময়ৰ ভিতৰত নিৰ্দিষ্ট কৰি দিয়া স্থানত জমা দিব লাগিব। লেখা জমা দিয়া খামৰ ওপৰত নিজৰ নাম, ঠিকনা, যোগাযোগৰ নম্বৰ আৰু বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম-জয়ন্তীৰ লগত সংগতি ৰাখি 'লেখা' বুলি স্পষ্টকৈ উল্লেখ কৰি জমা দিব লাগিব। আনহাতে, নাগৰিকসকলে নিজৰ লেখাসমূহ ই-মেইল আই. ডি 'lachitb.tsk@gmail.comত অথবা তিনিচুকীয়া জিলা জিলা উপায়ুক্ত কাৰ্যালয়ৰ ঠিকনাত ডাকযোগেও নিৰ্ধাৰিত সময়ৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব পাৰিব। কোনোধৰণৰ অস্পষ্ট লেখা গ্ৰহণ কৰা নহ'ব বুলি জিলা প্ৰশাসনে স্পষ্ট কৰি দিছে।

## গোৱালপাৰাৰ চাৰি কৰ্মচাৰীলৈ লোকসেৱা

*১২ পৃষ্ঠাৰ পৰা* হ'ব। উল্লেখ্য যে কৰ্মক্ষেত্ৰত আগবঢ়োৱা সেৱালৈ লক্ষ্য কৰি নিৰ্দিষ্ট নীতি-নিৰ্দেশনা অনুযায়ী বাছনি কৰিবলগীয়া এই পুৰস্কাৰৰ বাবে প্ৰথম পৰ্যায়ত গোৱালপাৰা জিলাৰ ক্ৰমে ২০২২ত জিলা কৰ্মচাৰী পুৰস্কাৰ পোৱা জিলা উপায়ুক্ত কাৰ্যালয়ৰ উচ্চবৰ্গৰ সহায়ক নগৰ মোহন ৰাভা, জিলা উপায়ুক্ত কাৰ্যালয়ৰ উচ্চবৰ্গৰ সহায়ক ধীৰেন কাকতি, জিলা কৃষি বিভাগৰ কৃষি সম্প্ৰসাৰণ সহায়ক আতোৱাৰ ৰহমান, জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ মুখ্য উচ্চবৰ্গৰ সহায়ক অনিৰুদ্ধ দাস, লোকনিৰ্মাণ বিভাগৰ দুধনৈ আৰু গোৱালপাৰা পূব ক্ষেত্ৰীয় পথ সংমণ্ডলৰ ক্ৰমে চকীদাৰ মহেশ প্ৰসাদ লোহাৰ, চকীদাৰ হিমানী ৰায় মেধি আৰু অফিচ পিয়ন অশোক কলিতা, গোৱালপাৰা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ কনিষ্ঠ সহায়ক অশোক কুমাৰ ৰাভা, গোৱালপাৰা ডিআৰডিএৰ কনিষ্ঠ সহায়ক জীৱন দাস আৰু অসম সৰ্ব শিক্ষা অভিযানৰ গোৱালপাৰা জিলা মিছন সমন্বয়ক ভৱেন চন্দ্ৰ ভৰালীৰ নাম-তালিকাভুক্ত হয়। নিয়মীয়া কৰ্মচাৰীৰ পৰা পুৰস্কৃত কৰা হ'ব বুলি নীতি-নিৰ্দেশনাত উল্লেখ থকাৰ বিষয়ে অৱগত হৈ ঠিকাভিত্তিক (প্ৰায় নিয়মীয়া) হিচাপে কৰ্মৰত জিলা মিছন সমন্বয়ক ভৱেন চন্দ্ৰ ভৰালীয়ে পৰৱৰ্তী সময়ত নিজৰ নাম প্ৰত্যাহাৰ কৰে। ইপিনে, ৰাজ্যিক কমিটীৰ বাছনি তালিকাত অন্তৰ্ভুক্ত হোৱা গোৱালপাৰা জিলাৰ চাৰি কৰ্মচাৰীক লৈ মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নাম প্ৰকাশত অনিচ্ছুক আভ্যন্তৰীণ সূত্ৰ এটিয়ে অভিযোগ উত্থাপন কৰি কয় যে অধিক দক্ষতা থকা কৰ্মচাৰীক বঞ্চিত কৰি তুলনামূলকভাৱে কম দক্ষতা থকা দুই-এক কৰ্মচাৰীৰ নাম-তালিকাত অন্তৰ্ভুক্ত হৈছে। বিশেষকৈ উৎকোচ নাপালে ফাইল লৰচৰ নকৰা তথা উৎকোচৰ বন্দোবস্তিৰ বাবেই দিনত বাৰে বাৰে কাৰ্যালয়ৰ পৰা ৰাস্তা তথা অন্য ঠাইলৈ ওলাই অহা বুলি জনাজাত জিলা উপায়ুক্ত কাৰ্যালয়ৰ এগৰাকী কৰ্মচাৰীৰ নাম পুৰস্কাৰৰ তালিকাত স্থান পোৱাত আভ্যন্তৰীণ নহলতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰকাশ্যে প্ৰতিবাদ নকৰিলেও এইগৰাকী দুৰ্নীতিগ্ৰস্ত কৰ্মচাৰীয়ে পুৰস্কৃত হোৱাটো একাংশ নিষ্ঠাবান কৰ্মচাৰীয়ে সহজভাৱে মানি ল'ব পৰা নাই।

## সাধাৰণ জাতি বিকাশ পৰিষদৰ নলবাৰী

*১২ পৃষ্ঠাৰ পৰা* অধ্যক্ষ অজিত শৰ্মাই। বন্তি প্ৰজ্বলন কৰে ক্ৰমে নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি বিকাশ ভট্টাচাৰ্য আৰু সাধাৰণ জাতি বিকাশ পৰিষদ, অসমৰ সম্পাদক শশীন শৰ্মাই। জিতেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত আৰম্ভ হোৱা প্ৰতিনিধি সভাত প্ৰতিনিধিসকলে পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্য সংক্ৰান্তত বিস্তৃতভাৱে আলোচনা কৰাৰ অন্তত পুৰণা সমিতিয়ে পদত্যাগ কৰে আৰু খগেন্দ্ৰনাথ গোস্বামীক সভাপতি, গদাধৰ বৰ্মন, মুনীনৰ নাথ শৰ্মা আৰু বশিষ্ঠ তালুকদাৰক উপ-সভাপতি, দীপন কলিতাক সাধাৰণ সম্পাদক, দিলজিত বৰ্মন, মনোজ বৰ্মন, ডিম্বেশ্বৰ কলিতা আৰু তপন কলিতাক সম্পাদক আৰু গংগাধৰ বৰ্মনক প্ৰচাৰ সম্পাদক হিচাপে লৈ ৩১ জনীয়া সমিতি এখন গঠন কৰা হয়। আনহাতে, আজিৰ সভাতেই দীপিকা দেৱী দত্তক সভানেত্ৰী আৰু চন্দনা মেধি বৰ্মনক সম্পাদিকা হিচাপে লৈ ১৫ জনীয়া মহিলা সমিতি এখনো গঠন কৰা হয়। দুপৰীয়া মুকলি সভা অনুষ্ঠিত হয়। সম্পাদক ধৰ্মেশ্বৰ পাটোৱাৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্বত কৰে জিতেন্দ্ৰ নাথ শৰ্মাই। সভা উদ্বোধন কৰে সাধাৰণ জাতি বিকাশ পৰিষদ, অসমৰ সভাপতি অজিত বৰ্মনে। উদ্বোধনী ভাষণত তেওঁ কি পৰিস্থিতিত সাধাৰণ জাতি বিকাশ পৰিষদ গঠন কৰা হৈছিল তাক ব্যাখ্যা কাৰৰ লগতে সাধাৰণ জাতিৰ লোকসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ সাধাৰণ জাতিৰ লোকসকলক একত্ৰিত হ'বলৈ আহ্বান জনায়। সভাত ভাষণ ৰাখে নৰ্থ ইষ্ট কেন্সাৰ হাস্পতাল, গুৱাহাটীৰ অধ্যক্ষ গণেশ তামুলীয়ে। তামুলীয়ে সাধাৰণ জাতিৰ লোকসকলে বিভিন্ন ক্ষেত্ৰত কিদৰে আহুকালৰ সন্মুখীন হ'ব লগা হয় তাক উদাহৰণসহ ব্যাখ্য কৰে। নলবাৰী মহাবিদ্যালয়ৰ সেৱা নিবৃত্ত অধ্যাপক ড° দীনমনি ভাগৱতীয়ে নিৰ্দিষ্ট বক্তাৰূপে ভাষণ দিয়াৰ পাছত পৰিষগৰ আইন উপদেষ্টা দেবেন্দ্ৰ শইকীয়া আৰু পৰিষদৰ গুৱাহাটী মহানগৰ সমিতিৰ সভানেত্ৰী মঞ্জুলা কাকতিয়েও বক্তব্য ৰাখে। উপস্থিত সদস্যৰ ফালৰ পৰা দিলজিত বৰ্মন, গংগাধৰ বৰ্মন, ফণীধৰ ডেকা আদিও বক্তব্য ৰাখে। এই সভাতেই সাধাৰণ জাতিৰ ৮০ বছৰ ঊৰ্ধ্বৰ কেইজনমান ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ উপৰি ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত নলবাৰী জিলাৰ পৰা স্থানলাভ কৰা ভূয়সী মেধি, ধৃতিস্মিতা ডেকা আৰু দিব্যজ্যোতি লহকৰক সম্বৰ্ধনা জনোৱা হয়।

# হোজাইত বিলাসী বাহনৰ খুন্দাত বৃদ্ধৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**হোজাই, ৩ আগষ্ট ঃ** হোজাই মোৰাঝাৰত আজি দুপৰীয়া পথ দুৰ্ঘটনাত এজন ৭০ বছৰীয়া বৃদ্ধৰ মৃত্যু হয়। তীব্ৰবেগী এএছ-০২ আৰ-৭১১২ নম্বৰৰ বিলাসী ইন'ভাৰ খুন্দাত মৃত্যু হয় লোকজনৰ। মৃত লোকজন মোৰাঝাৰৰ মাটিখলা গাঁৱৰ ফয়জুৰ ৰহমান ওৰফে গোতাই মিঞা। ঘটনা সংঘটিত কৰি ঘটনাস্থলীৰ পৰা গাড়ীখনৰ চালকে পলায়ন কৰি আন এঘৰৰ বেলেগ এখন বাহনখন লৈ পলায়ন কৰে। খবৰ পোৱা মাত্ৰকেই ঘটনাস্থলীত মোৰাঝাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰি তদন্ত আৰম্ভ কৰিছে।

# টৌভঙাৰ সাপ্তাহিক বজাৰত অজগৰ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ টৌভঙাৰ সাপ্তাহিক বজাৰত আজি পুৱা এডাল প্ৰকাণ্ড অজগৰ উদ্ধাৰ হয়। বজাৰৰ এটা গৃহত এটা মেকুৰী পোৱালি ভক্ষণ কৰি থকা অৱস্থাত ৰাইজে প্ৰত্যক্ষ কৰি স্থানীয় প্ৰকৃতিপ্ৰেমী যুৱক সুনীল মেছ আৰু প্ৰেম তিৱাৰীক অৱগত কৰে। পাছত দুয়োজন যুৱকে অতি কৌশলেৰে সাপডাল উদ্ধাৰ কৰি ডিপলোঙা বন বিভাগক খবৰ দিয়ে। বন বিভাগে প্ৰায় ৫০ কিলোগ্ৰাম ওজনৰ অজগৰডাল উদ্ধাৰ কৰি কাজিৰঙা ষষ্ঠ সংযোজন অঞ্চলত মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰে।

# সৌন্দৰ্য প্ৰতিযোগিতাত একে বছৰতে তিনিটাকৈ খিতাপ অৰ্জন জামুগুৰিহাটৰ পিংকী শইকীয়াৰ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩ আগষ্ট ঃ** চলিত বৰ্ষত তিনিখনকৈ সৌন্দৰ্য প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰি জামুগুৰিহাটলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে অঞ্চলটোৰ বাহবাৰী সত্ৰ গাঁৱৰ বোৱাৰী পিংকী শইকীয়াই। তেজপুৰত যোৱা ৩১ জুলাইত স্পাক প্ৰফে'ছনেল একাডেমীৰ দ্বাৰা আয়োজিত প্ৰতিযোগিতাত 'মেছেচ গ্লেম-২২'ৰ চূড়ান্ত খিতাপ অৰ্জন কৰিবলৈ সক্ষম হোৱা পিংকীয়ে লগতে চলিত বৰ্ষত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত 'মিছেচ বৰলুইত' আৰু ৰঙাপৰাত ফনেক্স নৰ্থ ইষ্ট ফেষ্টিভেলে আয়োজন কৰা সৌন্দৰ্য প্ৰতিযোগিতাতো চূড়ান্ত খিতাপ লাভ কৰিবলৈ সক্ষম হয়। একেটা বৰ্ষতে তিনিখনকৈ সৌন্দৰ্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিযোগীক হৰুৱাই শ্ৰেষ্ঠত্বৰ খিতাপ অৰ্জন কৰা পিংকীক জামুগুৰিহাটৰ বিভিন্ন বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে পিংকীৰ স্বামী নিৰ্মল শইকীয়া ভাৰতীয় সেনা বাহিনীৰ জোৱান। পিংকীৰ সাফল্যত স্বামীও উৎফুল্লিত।

# হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী সফল কৰিবলৈ তিতাবৰত সজাগতা ৰেলী


**তিতাবৰ, ৩ আগষ্ট ঃ** দেশে স্বাধীনতা লাভ কৰা ৭৫ বছৰীয়া বৰ্ষপূৰ্তি উদ্‌যাপনৰ স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি চৰকাৰীভাৱে আহ্বান জনোৱা 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰিবলৈ তিতাবৰত প্ৰচাৰ অভিযান চলিছে। এই উদ্দেশ্যেৰে চৰকাৰী নিৰ্দেশত কালিৰ দিনটোত তিতাবৰৰ ১৬খন পঞ্চায়তত গাঁওসভা আয়োজন কৰি গ্ৰামাঞ্চলৰ প্ৰতিঘৰক অহা ১৩ৰ পৰা ১৫ আগষ্টলৈ সকলোৱে ঘৰৰ চৌহদত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। ঠিক একেদৰে আজি তিতাবৰ পৌৰসভাৰ উদ্যোগত তিতাবৰ পৌৰসভাত হৰ ঘৰ ত্ৰিৰংগ কাৰ্যসূচীৰ হৈ সজাগতা অনাৰ উদ্দেশ্যেৰে পদযাত্ৰা ৰেলী উলিওৱা হ'ব। দিনৰ ১০ বজাত তিতাবৰ পৰিবহণ নিগমৰ বাছ আস্থানৰ পৰা উলিওৱা সমদলটোৱে তিতাবৰ পৌৰসভা অঞ্চলত হৰ ঘৰ ত্ৰিৰংগ' ব্যাপক ৰূপত প্ৰচাৰ অভিযান চলায়। প্ৰায় দ্বিশতাধিক পুৰুষ-মহিলাৰে পৰিবেষ্টিত সমদলটোৱে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ দেশপ্ৰেমমূলক গীতৰ প্ৰচাৰেৰে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে চৰকাৰী কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে আহ্বান জনায়।

# নিশা কলিয়াবৰৰ নহৰুবস্তিত দুৰ্ঘটনাত আহত চাৰি

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৩ আগষ্ট ঃ** কলিয়াবৰৰ নহৰুবস্তি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত সংঘটিত এক পথ দুৰ্ঘটনাত আহত হয় চাৰিজনকৈ লোক। নহৰুবস্তিৰ ঘাইপথত দুৰ্ঘটনাগ্ৰস্ত হয় ৱেগনআৰ বাহনখন। পথৰ মাজত খোজ কাঢ়ি অহা মানসিকভাৱে বিকাৰগ্ৰস্ত এজন লোকক বচাবলৈ গৈ নিয়ন্ত্ৰণ হেৰুৱাই পথৰ পৰা বাগৰি পৰে ৱেগনআৰ বাহনখন। এএছ-০১ এভি-৭৭২১ নম্বৰৰ ৱেগনআৰ বাহনখন যোৰহাট দিশৰ পৰা নগাঁও অভিমুখে নিশা আহি আছিল। ফলত ৱেগনআৰ বাহনখনত থকা চাৰিজন যাত্ৰী গুৰুতৰভাৱে আহত হয়। আহত যাত্ৰীকেইজনক জখলাবন্ধা চিকিৎসালয়লৈ প্ৰেৰণ কৰে আৰক্ষীয়ে।

# বেঁকী নৈৰ খহনীয়াৰ কবলত দক্ষিণ বলাই পথাৰ প্ৰাথমিক বিদ্যালয়



**কলগাছিয়া, ৩ আগষ্ট ঃ** বেঁকী নদীৰ তীব্ৰ খহনীয়াৰ কবলত পৰিছে কলগাছিয়াৰ ৰূপসী শিক্ষাখণ্ডৰ অন্তৰ্গত দক্ষিণ বলাই পথাৰ প্ৰাথমিক বিদ্যালয়খনৰ গৃহৰ চালি, বেৰ, ডেস্ক-বেঞ্চ, আচবাব আদি খুলি স্থানান্তৰ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে প্ৰধান শিক্ষক আৰু স্থানীয় লোকে। স্থানীয় ৰাইজৰ পৰামৰ্শ সাপেক্ষে বিদ্যালয়খন স্থানান্তৰ কৰি পাঠদান চলাই যাব বুলি জানিবলৈ দিয়ে স্থানীয় লোক আৰু শিক্ষকে। বিদ্যালয়ৰ দুৰৱস্থাৰ বিষয় বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰা হৈছে বুলি বিদ্যালয়খনৰ শিক্ষকে জানিবলৈ দিয়ে। দক্ষিণ বলাই পথাৰ প্ৰাথমিক বিদ্যালয়খন বেঁকীৰ নদীৰ খহনীয়াৰ কবলত পৰাৰ ফলত বিদ্যালয়খনত অধ্যয়নৰত ১২৯ গৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ ক্ষেত্ৰত ব্যাঘাত জন্মিছে। যাক লৈ সম্প্ৰতি আহুকালত পৰিছে অভিভাৱক ৰাইজে। সাংসদ, বিধায়কৰ লগতে কোনো এগৰাকী জনপ্ৰতিনিধিয়ে বৰ্তমান পৰ্যন্ত কোনো খবৰ নোলোৱাৰ বাবে দুখ প্ৰকাশ কৰিছে ৰাইজে। শীঘ্ৰেই চৰকাৰক বিহিত ব্যৱস্থা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক পঢ়াৰ সুব্যৱস্থা কৰি দিয়াৰ আহ্বান জনাইছে স্থানীয় ৰাইজে।

# ধেমাজি বাণিজ্য মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উত্তাল প্ৰতিবাদ



**ধেমাজি, ৩ আগষ্ট ঃ** ধেমাজি জিলাৰ আগশাৰীৰ মহাবিদ্যালয়সমূহৰ ভিতৰত অন্যতম ধেমাজি বাণিজ্য মহাবিদ্যালয়। গৌৰৱ উজ্জ্বল মহাবিদ্যালয়ৰ পৰা প্ৰতি বছৰে বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে জিলাখনলৈ পূৰ্বে সুনাম কঢ়িয়াই আনিছে। কিন্তু পৰিতাপৰ বিষয় এই যে মহাবিদ্যালয়নত ২০১৪ৰ পৰা আজি পৰ্যন্ত এজন স্থায়ী অধ্যক্ষ নোহোৱাত বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে ছাত্ৰ-ছাত্ৰীসকলে। ধেমাজি বাণিজ্য মহাবিদ্যালয়খনত ২০১৪ৰ পৰা স্থায়ী অধ্যক্ষ নাছিল যদিও ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে দেৱ কুমাৰ চুতীয়াই মহাবিদ্যালয়খন সুচাৰুৰূপে পৰিচালনা কৰি আহিছিল। কিছুদিনৰ পূৰ্বে তেওঁ অৱসৰ গ্ৰহণ কৰাৰ পাছত পুনৰ এজন জ্যেষ্ঠ প্ৰবক্তাক ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে নিযুক্তি প্ৰদান কৰা হয় যদিও মহাবিদ্যালয়খনৰ ভিতৰচ'ৰাত চলি থকা বিশৃংখলাৰ বাবে নৱনিযুক্ত ভাৰপ্ৰাপ্ত অধ্যক্ষজন বৰ্তমান নাই। মহাবিদ্যালয়খনত স্থায়ী অধ্যক্ষ অবিহনেই বিগত আঠ বছৰে পাঠদান অব্যাহত ৰাখিছে। শেহতীয়াকৈ মহাবিদ্যালয়খনত এজন ভাৰপ্ৰাপ্ত অধ্যক্ষ নোহোৱাত মহাবিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে সমস্যাত পৰিছে, এখন প্ৰমাণপত্ৰ পোৱাৰ সুবিধা নাই মহাবিদ্যালয়খনত। মহাবিদ্যালয়খনত স্থায়ী অধ্যক্ষ নিযুক্তিৰ দাবীত আজি

## স্থায়ী অধ্যক্ষ নিযুক্তিৰ দাবীত ছাত্ৰ-ছাত্ৰীৰ অৱস্থান

মহাবিদ্যালয়খনৰ সন্মুখত ছাত্ৰ একতা সভা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সহযোগত অৱস্থান ধৰ্মঘট প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মহাবিদ্যালয়খনত শৈক্ষিক পৰিৱেশ নোহোৱা হোৱাৰ লগতে বিভিন্ন সমস্যাই দেখা দিছে ধেমাজি বাণিজ্য মহাবিদ্যালয়ত। প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীৰ ভাষ্য অনুসৰি মহাবিদ্যালয়খনত বৰ্তমানে শিক্ষাৰ্থীয়ে লাভ কৰা নাই কোনো ধৰণৰ প্ৰমাণপত্ৰ অথবা মাৰ্কশ্বিট। শিক্ষাৰ্থীসকলৰ জীৱন অন্ধকাৰ নকৰিবলৈ, মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ ঘূৰাই আনিবলৈ আজি এই অৱস্থান ধৰ্মঘট প্ৰতিবাদী কাৰ্যসূচীৰ দ্বাৰা চৰকাৰক স্থায়ী অধ্যক্ষ নিযুক্তি প্ৰদান কৰিবলৈ দাবী জনোৱাৰ লগতে জিলা অতিৰিক্ত উপায়ুক্তৰ জৰিয়তে শিক্ষামন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰন কৰে।

## কলিয়াশাস্ত্ৰ-গজিয়াজানিৰ মাজত দলং নিৰ্মাণৰ দাবী ভুক্তভোগীৰ

# কৃষ্ণাই নৈত নাৱৰে বিপদসংকুল যাত্ৰা ছাত্ৰ-ছাত্ৰীৰ



অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ৩ আগষ্ট ঃ** দেশে স্বাধীনতা লাভৰ ৭৫ বছৰ অতিক্ৰমৰ সময়তো গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভোগ কৰি থাকিবলগীয়া হৈছে। উদাহৰণস্বৰূপে জিলাখনৰ গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ অন্তৰ্গত বোল্লা, কলিয়াশাস্ত্ৰ আজি অঞ্চলৰ কথাকে ক'ব পাৰি। উল্লেখ্য যে কলিয়াশাস্ত্ৰ আৰু গজিয়াজানিৰ মাজেৰে বৈ গৈছে কৃষ্ণই নৈ। এই কৃষ্ণাই নৈ পাৰ হৈয়ে বোল্লা, কলিয়াশাস্ত্ৰ আদি কে'বাখনো গাঁৱৰ কণ কণ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদিনে যাত্ৰা কৰিব লাগে গজিয়াজানিলৈ। গজিয়াজানিত অৱস্থিত দহিকটা ভোজমালা উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ কৃষ্ণাই নৈৰ বুকু ভেদি প্ৰতিদিনে ভয়ংকৰ যাত্ৰা কৰিব লগা হয় ছাত্ৰ-ছাত্ৰীসকলে। কাৰণ কৃষ্ণাই নৈৰ পাৰ হ'লেই গজিয়াজানিস্থ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় বোল্লা, কলিয়াশাস্ত্ৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিচেই কাষৰীয়া। ইয়াৰ বিপৰীতে ধাইগাঁও বা কৃষ্ণাইলৈ বহু কিলোমিটাৰ দূৰত্ব। যাৰ বাবে অধ্যয়নৰ বাবে প্ৰতিটো দিনে মৰণত শৰণ দি ছাত্ৰ-ছাত্ৰীসকলে নাৱৰে নৈ পাৰ হৈ আহে বিদ্যালয়লৈ। ইফালে, আকৌ নৈ পাৰ হোৱাৰ বাবদ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিদিনে ভৰিব লাগে ১০ টকাকৈ। অকল ছাত্ৰ-ছাত্ৰীয়ে নহয়, সাধাৰণ জনতায়ো এইদৰে ভৰিব লাগে ধন। ইফালে নৈৰ সিটো পাৰে থকা খেতিপথাৰলৈ যাবলৈ গজিয়াজানি, দহিকটাৰ কৃষক সকলোৱে এনেদৰে টকাৰ বিনিময়ত নৈ পাৰ হ'ব লাগে। স্থানীয় ৰাইজে সেয়ে এই স্থানত এখন দলং নিৰ্মাণ কৰি দিবলৈ চৰকাৰৰ ওচৰত দাবী জনাই আহিছে। পিছে, বহু আবেদন-নিবেদন কৰিও আজিলৈ কোনো কামত নাহিল। যেন চৰকাৰ-প্ৰশাসন তথা জনপ্ৰতিনিধি কোনোৱেই এইসকল নাগৰিকৰ খবৰ লোৱাৰ আহৰি নাই।

# গুৰুতৰভাৱে অসুস্থ মাজুলী দক্ষিণপাট গৃহস্থাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামী

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩ আগষ্ট ঃ** যোৱা নিশা হঠাতে অসুস্থ হৈ পৰে দক্ষিণপাট গৃহস্থাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীজনাৰ্দন দেৱগোস্বামী।সত্ৰাধিকাৰজনক প্ৰথমে মাজুলীৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী অসামৰিক চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা আৰম্ভ কৰে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে দিয়া পৰামৰ্শ অনুসৰি, ৰাতিয়েই ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয়। বৰ্তমান চিকিৎসাধীন সত্ৰাধিকাৰজনৰ চিকিৎসা চলি আছে যদিও এতিয়াও বিপদমুক্ত হোৱা নাই। কালিতকৈ কিছু সুস্থ হোৱা সত্ৰাধিকাৰজন সুস্থ হৈ উঠিবলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব। অৱশ্যে চিকিৎসকে বিশেষ চিন্তাৰ কাৰণ নাই বুলি প্ৰকাশ কৰিছে। উচ্চ ৰক্তচাপজনিত কাৰণত সত্ৰাধিকাৰজন হঠাতে অসুস্থ হৈ পৰে। মাজুলীৰ বিভিন্ন দল-সংগঠনে সত্ৰাধিকাৰজনৰ আশুআৰোগ্য কামনা কৰিছে।

# নগাঁও কলেজত ঘৰে ঘৰে জাতীয় পতাকা শীৰ্ষক সজাগতা কাৰ্যসূচী



বিশেষ সংবাদদাতা

**নগাঁও, ৩ আগষ্ট ঃ** আজি পুৱা ১১ বজাত নগাঁও কলেজ (অট'নমাছ)ত আভ্যন্তৰীণ মান আশ্বাসন কোষ, এনএছএছ, এনচিচি, ছাত্ৰী একতা সভাৰ উদ্যোগত অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি 'ঘৰে ঘৰে জাতীয় পতাকা' শীৰ্ষক কাৰ্যসূচীৰ সচেতনতা শীৰ্ষক কাৰ্যসূচী সম্পন্ন হয়। কাৰ্যসূচী আৰম্ভ কৰে কলেজৰ অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। কাৰ্যসূচীত অধ্যাপক-অধ্যাপিকা, অনা শিক্ষক কৰ্মচাৰী আৰু দুহেজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সকলোৱে হাতত ৰাষ্ট্ৰীয় পতাকা লৈ ১৩-১৫ আগষ্টলৈকে ঘৰে ঘৰে জাতীয় পতাকা উত্তোলন কৰিব বুলি শপত গ্ৰহণ কৰে।

# উদয়পুৰৰ শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিক নামঘৰত চি আৰ পি এফৰ বৃক্ষৰোপণ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ আগষ্ট ঃ** নলবাৰী চহৰৰ চাপাৰকুছিস্থ ১৩৫ (বি) চি আৰ পি এফ কেম্পৰ উদ্যোগত জিলাখনৰ বিভিন্ন প্ৰান্তত এলানি বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰিছে। জিলাখনৰ ১০ হেজাৰ গছপুলি ৰোপণৰ অংশ হিচাপে আজি পূব নলবাৰীৰ আধ্যাত্মিক আৰু সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিক নামঘৰ, উদয়পুৰত ভালেকেইজোপা মূল্যবান আৰু ঔষধি গছ ৰোপণ কৰে। কেম্পটোৰ কমাণ্ডেন্ট অজিৎ চাংওৱাঙৰ নেতৃত্বত প্ৰায় ২০ জনীয়া দল এটাই আজি ৰাতিপুৱাৰ ভাগত এই কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে নামঘৰ পৰিচালনা সমিতিৰ সভাপতি বিদিত ডেকা, উপ-সভাপতি মনোৰঞ্জন কলিতা, সৰ্বেশ্বৰ কলিতা, প্ৰাক্তন সভাপতি ধৰণীধৰ ডেকা, কাৰ্যনিৰ্বাহক নৃপেন চন্দ্ৰ কলিতা, সাধাৰণ সদস্য মহেশ্বৰ কলিতা, নিপন ডেকা, দীনেশ ডেকা, ভবেন কলিতা, উৎসৱ কলিতা, প্ৰদীপ কলিতা আৰু সম্পাদক কিশোৰ কুমাৰ কলিতা উপস্থিত থকা অনুষ্ঠানত চি আৰ পি এফ জোৱানসকলে আমলখি, শিলিখা আৰু অৰ্জুন গছৰ প্ৰায় ৫০ জোপা পুলি ৰোপণ কৰাৰ উপৰি সুৰক্ষাৰো ব্যৱস্থা কৰে। গছপুলি ৰোপণ কাৰ্যসূচীৰ অন্তত কেম্পটোৰ জোৱানসকলক পৰিচালনা সমিতিৰ তৰফৰ পৰা ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে চি আৰ পি এফ কেম্পটোৰ উদ্যোগত জিলাখনত বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানত গছপুলি ৰোপণ কাৰ্যসূচী অব্যাহত ৰাখিছে।








# জুডোত ভাৰতক তৃতীয়টো পদক দিলে তুলিকাই

## লন বলত অসমৰ নয়নমণি-মৃদুলৰ জয়

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ মহিলা দলে ঐতিহাসিক সোণ লাভ কৰাৰ পাছত এতিয়া ভাৰতীয় লন বলৰ প্ৰতিগৰাকী সদস্যৰ আত্মবিশ্বাস তুংগত। আজি পুৰুষৰ একক শাখাত অংশ লোৱা ভাৰতীয় দলৰ সদস্য অসম সন্তান মৃদুল বৰগোহাঁয়ে গ্ৰুপৰ দুয়োখন মেচতেই জয়লাভ কৰিবলৈ সক্ষম হয়। প্ৰথম মেচত মৃদুল মুখামুখি হয় ফ্লেংকলেণ্ড আইছলেণ্ডৰ ক্ৰিছ ল'কিৰ। মেচখনত মৃদুলে **চৰ-প্ত** ৰ ব্যৱধানত জয়লাভ কৰে। ইফালে, দিনটোৰপুৰুষৰ একক শাখাৰ দ্বিতীয়খন মেচত মৃদুলে **চৰ-ৰজ্ঝ** ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ ইয়ান মেকলানক। ইফালে, এদিন পূৰ্বে ভাৰতীয় মহিলা দলৰ হৈ সোণ লাভ কৰা অসমৰ নয়নমণি শইকীয়াই আজি ডাবলছত গ্ৰুপ মেচ খেলে। লাভলি চৌধুৰী আৰু নয়নমণিয়ে প্ৰথম মেচত নিউক **চৃছ** ৰ ব্যৱধানত পৰাস্ত কৰাৰ পাছত দ্বিতীয় মেচত দক্ষিণ আফ্ৰিকাৰ লগত **ৰছ-ৰছ** ত টাই খেলে।



## কোৱাৰ্টাৰত পৰাস্ত দীপক

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** চলিত **চচ** সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতে জুডোত আজি আৰু এটা পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আজি মহিলাৰ **জ্জ্ৰ** কিলোগ্ৰাম শাখাত খেলা তুলিকা মানে নিউজিলেণ্ডৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰাৰ লগে লগে ভাৰতৰ পদক নিশ্চিত হয়। জুডোত এয়া ভাৰতৰ তৃতীয়টো পদক। উল্লেখ্য যে ইয়াৰপূৰ্বে এটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰি পদক তালিকাত গুৰুত্বপূৰ্ণ অৰিহনা আগবঢ়াইছে ভাৰতীয় জুডুকাই। মহিলাৰ **চ্ছ্ৰজ্জ্ৰ** কিলোগ্ৰাম শাখাত খেলা এল সুশীলা দেৱীয়ে ৰূপ আৰু **ছজ্ঝ** কিলোগ্ৰাম শাখাত খেলা বিজয় কুমাৰে ব্ৰঞ্জৰ পদক লাভ কৰে। ফাইনেলত প্ৰৱেশ কৰা সুশীলাক খিতাপৰ যুঁজত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাৰ মিচেলাই। ইফালে, **ছজ্ঝ** কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ বিজয় কুমাৰে ছেমিফাইনেলত পৰাস্ত হয় যদিও ব্ৰঞ্জৰ পদকৰ মেচত চাইপ্ৰাছৰ খেলুৱৈক পৰাস্ত কৰি দেশক গৌৰৱ দিয়ে। ব্ৰঞ্জ পদকৰ বাবে ভাৰতৰ সুচিকা তাৰিয়ালে **প্তজ্জ**কিলোগ্ৰাম শাখাত আৰু জেছলিন সিং ছাইনিয়ে **ছছ** কিলোগ্ৰাম শাখাত খেলিছিল যদিও পৰাস্ত হয়। উল্লেখ্য যে আজি ভাৰতৰ দীপক দেশৱালেও খেলিছিল যদিও কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ বিদায় লয়।





## লাভপ্ৰীত সিঙৰ ব্ৰঞ্জ লাভ
## ভাৰোত্তোলনত ভাৰতৰ নৱমটো পদক অৰ্জন

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** চলিত **চচ** সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকৰ পদক জয়ৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে। আজি ভাৰোত্তোলনত ভাৰতে আৰু এটা পদক লাভ কৰিবলৈ সক্ষম হয়। পুৰুষৰ **ৰজ্ঝজ্ঝ** কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ লাভপ্ৰীত সিঙে ব্ৰঞ্জ লাভ কৰে। তেওঁ স্নেচত **ৰছ্** কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত **ৰজ্ঝচ** কিলোগ্ৰাম উত্তোলন কৰি মুঠ **প্তপ্ত** কিলোগ্ৰাম উত্তোলনৰে ভাৰতক ভাৰোত্তোলনত অষ্টমটো পদক দিয়ে। উল্লেখ্য যে ভাৰোত্তোলনত ইতিমধ্যে ভাৰতৰ হৈ মীৰাবাঈ চানু, জেৰেমি আৰু অচিন্তই সোণ লাভ কৰাৰ লগতে বিন্দিৰাণী দেৱী, সংকেট সাগৰ আৰু বিকাশ ঠাকুৰে ৰূপৰ পদক জয় কৰিছে। ইফালে, ভাৰতৰ হৰ্জিন্দৰ সিং আৰু গুৰুৰাজা পুজাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়।



### ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে ৩-১ ত পৰাস্ত

## বেডমিণ্টনৰ দলীয়ত ৰূপ পালে ভাৰতে

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** সোণৰ পদক উদ্ধাৰৰ যুঁজত মালয়েছিয়াৰ বিৰুদ্ধে -ৰ ৰ ব্যৱধানত পৰাস্ত হৈ ভাৰতীয় বেডমিণ্টন দলে চলিত কমনৱেলথ গেমছত ৰূপৰ পদকতে সন্তুষ্ট থাকিল। ফাইনেলত পি ভি সিন্ধুৰ বাদে ভাৰতে তিনিখন মেচত পৰাস্ত হয়। চিৰাগ আৰু ৰেংকিৰেড্ডী যুটি **ৰজ্জ্ৰ-চৰ, ৰপ্ত-চৰ** ৰ ব্যৱধানত পৰাস্ত হোৱাৰ পাছত মহিলাৰ একক শাখাৰ মেচত সিন্ধুই **চচ-চজ্ঝ, চৰ-ৰজ্জ্ৰ** ব্যৱধানত জয়ী হৈ **ৰ-ৰ** ত সমতা স্থাপন কৰে। কিন্তু পুৰুষৰ একক শাখাৰ মেচত কিদাম্বি শ্ৰীকান্ত **ৰজ্ঝ-চৰ, চৰ-ছ, ৰছ-চৰ** ৰ ব্যৱধানত তথা মহিলাৰ ডাবলছত গায়ত্ৰী আৰু তৃষা **ৰজ্জ্ৰ-চৰ, ৰজ্জ্ৰৰ** ৰ ব্যৱধানত পৰাস্ত হোৱাত সোণ লাভ কৰে মালয়েছিয়াই। উল্লেখ্য যে বিগত কমনৱেলথ গেমছৰ বেডমিণ্টনৰ দলীয় চেম্পিয়ন ভাৰতে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি এইবাৰো ফাইনেলত প্ৰৱেশ কৰিছিল। ছেমিফাইনেলত ভাৰতে প্ৰথম তিনিখন গেমতে ছিংগাপুৰক -জ্ঝ ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজত প্ৰৱেশ কৰে। ভাৰতৰ পুৰুষ ডাবলছ যুটি চিৰাগ আৰু ছাটৱিকে প্ৰথম মেচত **চৰ-ৰৰ, চৰ-ৰচ** ৰ ব্যৱধানত জয়লাভ কৰাৰ পাছত ছোৱালীৰ একক শাখাত সিন্ধুই **চৰ-ৰৰ, চৰ-ৰচ** ৰ ব্যৱধানত জয়ী হৈ অগ্ৰগতি **চজ্ঝ** কৰে। আনহাতে, তৃতীয় মেচত পৰুষৰ একক শাখাত লক্ষ্য সেনে **চৰ-ৰজ্জ্ৰ, চৰ-ৰপ্ত** ৰ ব্যৱধানত জয়ী হৈ ভাৰতৰ ফাইনেলৰ স্থান নিশ্চিত কৰে। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত ভাৰতে দক্ষিণ আফ্ৰিকাক -জ্ঝ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰিছিল। পি ভি সিন্ধু নেতৃত্বনাধীন ভাৰতীয় মিক্সড বেডমিণ্টন দলে গ্ৰুপৰ অন্তিমখন মেচত **চ্ছ্ৰ-ৰ** ৰ ব্যৱধানত পৰাস্ত কৰিছিল অষ্ট্ৰেলিয়াক। এই মেচখনত ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুই **চৰ-ৰজ্ঝ, চৰ-ৰচ** ৰ ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে কিদাম্বি শ্ৰীকান্তে **চৰ-ৰচ্ছ্ৰ, চৰ-ৰৃ** ৰ ব্যৱধানত জয় সাব্যস্ত কৰে। আনহাতে, ডাবলছ শাখাত চিৰাগ-সমিথ যুটিয়ে **চৰ-ৰছ, চৰ-ৰজ্ঝ** ৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ভাৰতীয় বেডমিণ্টন দলে প্ৰথম মেচত পাকিস্তানক **প্ত-জ্ঝ** ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰাৰ পাছত দ্বিতীয় মেচত **প্ত-জ্ঝ** ৰ ব্যৱধানত পৰাস্ত কৰিছিল শ্ৰীলংকাক। এতিয়া ভাৰতৰ শ্বাটলাৰৰ লক্ষ্য হ'ব একক শাখাত পদক জয় কৰা।



## বক্সিঙত পদক নিশ্চিত কৰিলে নীতু-হুছামুদ্দিনে

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত বক্সিঙতো ভাৰতৰ পদক লাভ কৰাটো নিশ্চিত হৈছে। উল্লেখ্য যে আজি ভাৰতৰ মহিলা বক্সাৰ নীতু আৰু পুৰুষ বক্সাৰ মহম্মদ হুছামুদ্দিনে নিজৰ নিজৰ কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে আৰু পদক জয়ো নিশ্চিত হয়। **চ্ছ্ৰজ্জ্ৰ** কিলোগ্ৰাম শাখাত খেলা নীতুই কোৱাৰ্টাৰ ফাইনেল খেলিয়েই নিজৰ অভিযান আৰম্ভ কৰে আৰু প্ৰথম মেচতে উত্তৰ আয়াৰলেণ্ডৰ নিক'লাক নকআউট কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ইফালে, পুৰুষৰ **প্তজ্জ**কিলোগ্ৰাম শাখা কোৱাৰ্টাৰ ফাইনেলত মহম্মদ হুছামুদ্দিনে **চ্ছ্ৰ-ৰ** ৰ ব্যৱধানত নামিবিয়াৰ এনডেভেলোক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰি পদক জয়ো নিশ্চিত কৰিছে। ইয়াৰপূৰ্বে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত হুছামুদ্দিনে বাংলাদেশৰ মহম্মদ ছেলিম হুছেইনক **প্ত-জ্ঝ** ৰ ব্যৱধানত বিধ্বস্ত কৰিছিল। আনহাতে, ভাৰতীয় বক্সাৰজনে প্ৰথম মেচত **প্ত-জ্ঝ** ৰ ব্যৱধানত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাৰ আমজ'লেলাক। ইফালে, ভাৰতৰ ৰোহিত টাকাছে পুৰুষৰ **ছজ্জ** কিলোগ্ৰাম শাখাত নিজৰ অভিযান **প্ত-জ্ঝ** ৰ জয়ৰে আৰম্ভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তদুপৰি **জ্জ্ৰজ্ঝ** কিলোগ্ৰাম শাখাৰ খেলত অমিত কুমাৰে হেলাৰঙে প্ৰথম ৰাউণ্ডৰ মেচত **প্ত-জ্ঝ** ৰ ব্যৱধানত জয়লাভ কৰি অন্তিম আঠত স্থান নিশ্চিত কৰাৰ লগতে **জ্ঝচ** কিলোগ্ৰাম উৰ্দ্ধৰ শাখাত খেলা ভাৰতীয় হেভীৱেইট বক্সাৰ সাগৰেও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতৰ অমিত পাংগলে পুৰুষৰ **প্তৰ** কিলোগ্ৰাম শাখাৰ খেলত হেলাৰঙে ভানুটুৰ নামৰি বেৰিক **প্ত-জ্ঝ** ৰ ব্যৱধানত পৰাস্ত কৰি প্ৰত্যাশিতৰূপত চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰে আৰু কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।





## উৰ্বশী ব্ৰহ্ম উচ্চতৰ মাধ্যমিক দল চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, কাজলগাওঁ, ৩ আগষ্ট ঃ** চিৰাং জিলা ক্ৰীড়া বিভাগৰ উদ্যোগত অনুষ্ঠিত **ৰচ্ছ্ৰ** বছৰ অনুৰ্ধৰ আন্ত বিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন উৰ্বশী ব্ৰহ্ম মেমোৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বৰলাউগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয় মাজত অনুষ্ঠিত কৰা হয়। খেলখনত উৰ্বশীয়ে -ৰ গলত জয় হৈ খিতাপ অৰ্জন কৰে। উৰ্বশীৰ হৈ ফৈলাউ বসুমতাৰীয়ে হেট্ৰিক অৰ্জন কৰে। বৰলাউগাওঁৰ হৈ গ'ল কৰে মিথিছাৰ ব্ৰহ্মই। মিথিচাৰ ব্ৰহ্মই চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। দলটোৱে এতিয়া সাত আগষ্টৰ পৰা গুৱাহাটীত অনুষ্ঠিত হবলগা আন্ত: জিলা পিলিক চৌধুৰী ট্ৰফীত অংশগ্ৰহণ কৰিব। খেলখন পৰিচালোনা কৰে ৰেফাৰী সৌমখৌৰ দোইমাৰী, সৌমদন বসুমতাৰী, যোচেপ মাৰ্ডী আৰু প্ৰাণজিৎ নাৰ্জাৰীয়ে।



## ছুপাৰ ষ্ট্ৰাইকাৰ্ছ-জে বি ক্লাবৰ খেল ড্ৰ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৩ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজি অনুষ্ঠিত নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰ্ছ বনাম জে বি ক্লাবৰ মাজৰ গুৰুত্বপূৰ্ণ খেলখন -- গ'লত ড্ৰ' হয়। খেলখনত নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰ্ছৰ হৈ পৰাগ পাটৰ, বিদ্যুৎ বৰদলৈ আৰু অপু হাঞ্চে বিপৰীতে জে বি ক্লাবৰহৈ বিৰাজ বৰদলৈয়ে দুটা আৰু ডেভিদ বড়োয়ে এটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী শৈলেন ভূঞাক সহায় কৰে কৃষ্ণকান্ত দাস, ৰয়েল ইছলাম আৰু অহিদুজ জামানে।

## মৰিয়নি ফুটবল লীগত উদয়নৰ জয়

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৩ আগষ্ট ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত নাগাজাংকাৰ উদয়ন সংঘই আজিৰ খেলত জয়ী হৈ লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । দলে হোনোৱাল ফুটবল ক্লাৱক চ-ৰ গ'লৰ ব্যৱধানত পৰাজিত কৰে। হোনোৱালৰ গোপী ৰাৱে গ'ল কৰাৰ পিছত উদয়নৰ বুধিন গগৈয়ে সমতা স্থাপন কৰে। পাছত উদয়নৰ অমল ডিম্বই গ'ল দি দলক বিজয়ী কৰায় । আজিৰ জয়ৰ সূত্ৰে উদয়নৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা সজীৱ হয়। খেলখন পৰিচালনা কৰে ৰাজীৱ কৰ্মকাৰ, দিব্যজ্যোতি শইকীয়া, দেবু গোৱালা আৰু প্ৰদীপ মাঝিয়ে।

## অসমৰ পৰীক্ষিতৰ প্ৰথমটো আই টি এফ ডাবলছ খিতাপ



**গুৱাহাটী, ৩ আগষ্ট ঃ** অসমৰ টেনিছ তাৰকা পৰীক্ষিত সোমানিয়ে কেৰিয়াৰৰ প্ৰথমটো আই টি এফ ডাবলছ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে কলম্বোত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক প্ৰতিযোগিতাখনত অসমৰ পৰীক্ষিতে মনীষ সুৰেশ কুমাৰৰ লগত যুটী বান্ধি ল'ৰাৰ ডাবলছ শাখাৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই এই কথা অৱগত কৰিছে। উল্লেখ্য যে **ৰপ্ত** হেজাৰ ডলাৰ প্ৰাইজমানিৰ প্ৰতিযোগিতাখনৰ ডাবলছ শাখাৰ ফাইনেলত ভাৰতৰপৰীক্ষিত আৰু মনীষ যুটিয়ে **জ্জছ, জ্জপ্ত** ৰ ব্যৱধানত পৰাস্ত কৰে উইক্ৰেইনৰ এৰিক ভানগুলবিম আৰু ফ্ৰান্সৰ কুইনটিন ফ'লিটক। পৰীক্ষিতৰ এই সফলতাৰ বাবে অসম টেনিছ সন্থাই খেলুৱৈগৰাকীক অভিনন্দন জনাইছে।

### কানাডাৰ বিৰুদ্ধে বৃহৎ জয় পুৰুষ দলৰ

## ছেমিফাইনেলত ভাৰতৰ মহিলা হকী

**বাৰ্মিংহাম, ৩ আগষ্ট ঃ** ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আজি খেলা নিজৰ চতুৰ্থ গ্ৰুপ মেচখনত ভাৰতৰ মহিলা হকী দলে -চ গ'লৰ ব্যৱধানত কানাডাক পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। উল্লেখ্য যে কালি ইংলণ্ডে -ৰ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভাৰতৰ মহিলা হকী দলক। ক্ৰমাগতভাৱে প্ৰথম দুখন মেচত বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হোৱা ভাৰতৰ মহিলা হকী দলে ইংলণ্ডৰ বিৰুদ্ধে জয়লাভ কৰিলেই ছেমিফাইনেলত স্থান নিশ্চিত কৰিলেহেতেন। কিন্তু আজি সফল প্ৰত্যাৱৰ্তন কৰি প্ৰথম পৰীক্ষাত সফল হ'ল। ইয়াৰপূৰ্বে ভাৰতৰ মহিলা হকী দলে প্ৰথম মেচত **প্ত-জ্ঝ** গ'লৰ ব্যৱধানত ঘানাক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছিল। জয় ধাৰা অব্যাহত ৰাখি গ্ৰুপৰ দ্বিতীয়খন মেচত ভাৰতৰ মহিলা হকী দলে -ৰ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৱেলছক। টকিঅ' অলিম্পিকত ছেমিফাইনেল খেলি চমক সৃষ্টি কৰা ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত পদক জয়ৰ লক্ষ্য লৈছে। ইফালে, আজি হোৱা পুৰুষ হকী দলৰ মেচত ভাৰতে **জ্জ্ৰ-জ্ঝ** গ'লৰ ব্যৱধানত কৰে কানাডাক। তিনিখন মেচ খেলাৰ পাছত এয়া ভাৰতীয় পুৰুষ দলৰ দ্বিতীয় বিজয়। উল্লেখ্য যে ঘানাৰ বিৰুদ্ধে **ৰৰ-জ্ঝ** গ'লৰ ব্যৱধানত জয়লাভ কৰি অভিযান আৰম্ভ কৰা ভাৰতীয় পুৰুষ হকী দলে নিজৰ দ্বিতীয় মেচত -জ্ঝ গ'লৰ ব্যৱধানত আগবাঢ়ি থকাৰ পাছতো ইংলণ্ডৰ বিৰুদ্ধে **চ্ছ্ৰ-চ্ছ্ৰ** ত ড্ৰ খেলিবলৈ বাধ্য হৈছিল। আজিৰ জয়ে দলক ছেমিফাইনেলৰ কাষলৈ নিছে।

## স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱত প্ৰীতি ফুটবল



**বিশেষ সংবাদদাতা, ৰঙাপৰা, ৩ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত দেশৰ **জ্জপ্ত** সংখ্যক স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰীতি ফুটবল খেল অনুষ্ঠিত কৰে ৰঙাপৰা প্ৰেছ ক্লাবে। আজি বিয়লি অনুষ্ঠিত হোৱা প্ৰথমখন প্ৰীতি ফুটবল খেল নামনিগাঁও খেল পথাৰত ৰঙাপৰা প্ৰেছ ক্লাব আৰু সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ মাজত অনুষ্ঠিত হয়। উক্ত প্ৰীতি ফুটবল খেলখন ৰঙাপৰা আৰক্ষী থানাৰ প্ৰভাৰী দেবেন বৰাই উদ্বোধন কৰে আৰু খেলখন উপস্থিত থাকে ৰঙাপৰা প্ৰেছ ক্লাৱৰ সভাপতি সুনীল ম'ৰ, উপদেষ্টা ৰাজু পাটোদিয়া, বিপুল মেচ, বিমান মণ্ডলকে ধৰি প্ৰেছ ক্লাৱৰ সদস্যসমূহ। আনহাতে খেলখনত আটছাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য ইলিয়াছ প্ৰধান উপস্থিত থাকি খেলুৱৈ সকলক উৎসাহিত কৰে। খেলখনত ছাত্ৰ সন্থাই **চ্ছ্ৰ-জ্ঝ** গলত ৰঙাপৰা প্ৰেছ ক্লাৱক পৰাস্ত কৰে।

## মুকলি প্ৰাইজমানি দবা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ,৩ আগষ্ট ঃ** ডিমৌৰ বামৰজাবাৰীত জননেতা ভীমবৰ দেউৰী সোঁৱৰণত ভীমবৰ দেউৰী ভৱনত অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক মুকলি প্ৰাইজমণি দ্ৰুত দবা প্ৰতিযোগিতাত নিলাভ জ্যোতি বৰঠাকুৰে চেম্পিয়নশ্বিপ অৰ্জন কৰিবলৈ সক্ষম হৈছে। বামৰজাবাৰী কচিং চেণ্টাৰ আৰু ক্ৰীড়া সন্থাৰ উদ্যোগত সদৌ অসম দবা সন্থা, অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাখন মুঠ নটা ৰাউণ্ডৰ খেলত দ্বিতীয় স্থান লাভ কৰে ধ্ৰুৱ ফুকন, তৃতীয় স্থান লাভ কৰে ৰাকেশ চক্ৰবৰ্তী, চতুৰ্থ স্থান ইউৰান দাস, পঞ্চম স্থান ৰাজীৱ ধৰ,ষষ্ঠ স্থান অভিজিত চুতীয়া, সপ্তম স্থান উদ্দিপ্ত গগৈ, অষ্টম স্থান ৰাজু গগৈ, নৱম স্থানত উৎপল বৰুৱা আৰু দশম স্থান লাভ কৰে মহেন্দ্ৰ বৰাই।



## আন্তঃৰাষ্ট্ৰীয় মুৱাইথাইলৈ অসমৰ দুই কন্যা

**বিশেষ সংবাদদাতা**


**নগাবাট, ৩ আগষ্ট ঃ** তিতাবৰ মহকুমাৰ নগাবাট নহটীয়া গাঁৱৰ নয়নিকা বড়ো আৰু গোলাঘাট জিলাৰ নাগালেণ্ড সীমান্তৱৰ্তী তৰাণিৰ যাচএনৌ চুতীয়াই মালয়েছিয়াত অহা ন আগষ্টৰ পৰা অনুষ্ঠিত হ'বলগা আন্তঃৰাষ্ট্ৰীয় মুৱাইথাইত ভাৰতক প্ৰতিনিধিত্ব কৰিব। নয়নিকাই **প্তচ্ছ্ৰ** কেজি শাখাত আৰু যাচএনৌাই **চ্ছ্ৰজ্জ্ৰ** কেজি শাখাত প্ৰতিযোগিতাত নামিব। ইতিমধ্যে তেওঁলোকে প্ৰতিযোগিতাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। অহা **প্ত** আগষ্টত তেওঁলোক নগাবাটৰ পৰা কলকাতালৈ ৰেলেৰে আৰু তাৰপৰাই মালয়েছিয়ালৈ ৰাওনা হ'ব। প্ৰথম অৱস্থাত খেলুৱৈ দুগৰাকীক আৰ্থিক কিছু সমস্যাই দেখা দিছিল যদিও স্থানীয় ৰাইজ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, শুভাকাংশীৰ সহযোগত বৰ্তমান আৰ্থিক সমস্যা কিছু দূৰ হোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে নগাবাট-বেকাজান মুৱাইথাই ক্লাৱত প্ৰশিক্ষক শান্তনু ৰাজখোৱাৰ তত্ত্বাৱধানত এই দুগৰাকী প্ৰতিভাবান খেলুৱৈয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে। পূৰ্বে মধ্যপ্ৰদেশত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মুৱাইথাই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সোণৰ পদক আজুৰি আনিবলৈ সক্ষম হৈছিল খেলুৱৈ দুগৰাকীয়ে। এই বাৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাতো পদক লাভ কৰি ৰাজ্যৰ লগতে সমগ্ৰ দেশলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশাবাদী নগাবাট-বেকাজান মুৱাইথাই ক্লাৱ আৰু বৃহত্তৰ অঞ্চলৰ স্থানীয় ৰাইজ।





# ভাৰতীয় পাঁচটকীয়া ডাক টিকটত সন্নিবিষ্ট হ'ল মৰিগাঁৱৰ বঘৰা ৰাজ্যিক চিকিৎসালয়

## ডাঃ অমৰজ্যোতি ডেকাৰ প্ৰচেষ্টাক শলাগ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ




অগ্ৰদূত বাৰ্তা
মৰিগাঁও, ৩ আগষ্ট ঃ মৰিগাঁৱৰ বঘৰাত ১৯৩৮তেই স্থাপন হোৱা বঘৰা ৰাজ্যিক চিকিৎসালয়খনে বৰ্তমান ভাৰতীয় পাঁচটকীয়া ডাক টিকটত স্থান লাভ কৰা খবৰে ৰাজ্যখনৰ লগতে সমগ্ৰ মৰিগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। কালিৰে পৰা দুদিনীয়াকৈ গুৱাহাটীত অনুষ্ঠিত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ পৰ্যালোচনা সভাৰ অন্তত ভাৰতীয় পাঁচটকীয়া ডাক টিকটত সন্নিবিষ্ট হোৱা মৰিগাঁও জিলাৰ বঘৰা ৰাজ্যিক চিকিৎসালয়ৰ ফটোৰ বাবে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী তথা মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই চিকিৎসালয়খনৰ চিকিৎসক ডাঃ অমৰজ্যোতি ডেকাৰ গুৰুত্বপূৰ্ণ ভূমিকা আৰু প্ৰচেষ্টাক শলাগ লয়। উল্লেখ যে মৰিগাঁও চহৰৰ সমীপৱৰ্তী অঞ্চল বঘৰাত ১৯৩৮তেই স্থাপিত হোৱা বঘৰা ৰাজ্যিক চিকিৎসালয়খনত ডাঃ অমৰজ্যোতি ডেকাই ২০১৮ৰ এপ্ৰিলত যোগদান কৰাৰ পাছৰে পৰা চিকিৎসালয়খনৰ স্বাস্থ্য সেৱাৰ উত্তৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে অঞ্চলবাসীকে ধৰি বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানক প্ৰত্যক্ষভাৱে জড়িত কৰি এক জনকল্যাণকামী চিকিৎসা প্ৰতিষ্ঠানত পৰ্যবসিত কৰিবলৈ সক্ষম হৈছে। বঘৰা ৰাজ্যিক চিকিৎসালয়ৰ সৌন্দৰ্যত চিকিৎসাৰ বাবে যোৱা ৰোগীয়ে চিকিৎসালয়ত প্ৰৱেশ কৰিয়েই ৰোগীৰ ৰোগ আৰু মানসিক অৱস্থা উন্নত হোৱাৰ লগতে ৰাজপথৰে যোৱা যাত্ৰীয়ে এবাৰ বৈ চিকিৎসালয়খন প্ৰত্যক্ষ কৰে। তদুপৰি ডাঃ অমৰজ্যোতি ডেকাৰ নেতৃত্বতেই বঘৰা ৰাজ্যিক চিকিৎসালয়ে গ্ৰীণ মৰিগাঁৱকে ধৰি ২০১৮ পৰা ২০২২লৈকে কায়কল্প বঁটা লাভ কৰাৰ লগতে একাধিক বঁটা লাভ কৰি প্ৰশংসিত হোৱাৰ উপৰি মৰিগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ইফালে, ভাৰতীয় ডাক বিভাগৰ পাঁচটকীয়া ডাক টিকটত মৰিগাঁও জিলাৰ বঘৰা ৰাজ্যিক চিকিৎসালয়খন সন্নিবিষ্ট হোৱাত অত্যন্ত সুখী অনুভৱ কৰা চিকিৎসালয়খনৰ চিকিৎসক ডাঃ অমৰজ্যোতি ডেকাই সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে যে ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰীয়া আজাদী কা অমৃত উৎসৱক ব্যতিক্ৰম হিচাপে উদ্‌যাপন কৰিবলৈ বিশ্ব স্বাস্থ্য সংস্থাৰ মানচিত্ৰত প্ৰাথমিক চিকিৎসা প্ৰদান কৰা এই ৮৪ বছৰ অতিক্ৰম কৰা বঘৰা ৰাজ্যিক চিকিৎসালয়খনক অন্তৰ্ভুক্ত কৰিবলৈ প্ৰয়াস কৰা হৈছিল। সেই প্ৰয়াসৰ অংশ হিচাপে ভাৰতীয় ডাক বিভাগৰ মাই ষ্টাম্প নামৰ আঁচনি সুবিধা গ্ৰহণ কৰি নিৰ্দিষ্ট আবেদন পত্ৰত নিৰ্ধাৰিত মাচুল জমা দি তথ্য পাতিসহ আবেদন কৰা হৈছিল। ইয়াৰ ফলতেই ভাৰতীয় ডাক টিকটত বঘৰা ৰাজ্যিক চিকিৎসালয়ে স্থান পাবলৈ সক্ষম হয় আৰু জীৱন সাৰ্থক হোৱা বুলি মানৱদৰদী যুৱ চিকিৎসকজনে প্ৰকাশ কৰে। ইপিনে, মৰিগাঁও জিলাৰ অন্যতম প্ৰাচীন প্ৰাথমিক চিকিৎসা সেৱাৰ কেন্দ্ৰ বঘৰা ৰাজ্যিক চিকিৎসালয়ে ভাৰতীয় ডাক টিকটত স্থান লাভ কৰি মৰিগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে অন্যতম হোতা চিকিৎসালয়খনৰ চিকিৎসক ডাঃ অমৰজ্যোতি ডেকাক মৰিগাঁও জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, অতিৰিক্ত উপায়ুক্ত গৰ্গমোহন দাসৰ উপৰি মৰিগাঁও জিলা সাহিত্য সভা, মৰিগাঁও জিলা সাংবাদিক সংস্থা, নাট্য অনুষ্ঠান সমলয়ৰ লগতে বঘৰাৰ স্থানীয় কে'বাটাও অনুষ্ঠান-প্ৰতিষ্ঠানকে ধৰি মৰিগাঁও জিলাৰ বিভিন্ন দল-সংগঠন তথা ব্যক্তি বিশেষে অভিনন্দন জ্ঞাপন কৰাৰ উপৰি উষ্ম আদৰণি জনায়।



# আয়তীৰ উৰুলি-পুৰোহিতৰ মন্ত্ৰ ধ্বনিৰে শতাধিক দম্পতীৰ সামূহিক বিবাহ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৩ আগষ্ট ঃ** আয়তীৰ উৰুলি পুৰোহিতৰ মন্ত্ৰ ধ্বনিৰে আজি লখিমপুৰ ত্যাগ ক্ষেত্ৰ বাকৰিত আজি সামূহিক বিবাহ অনুষ্ঠান অনুষ্ঠিত হয়। লখিমপুৰ জিলা বিবাহ সংস্কাৰ সমিতিৰ উদ্যোগত আৰু দ্য হান্স ফাউণ্ডেছনৰ সহযোগত অনুষ্ঠিত



এই সামূহিক বিবাহ সংস্কাৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে ভূলেজী মহাৰাজ আৰু মাতা মংগলাজী উপস্থিত থাকে। উক্ত সামূহিক বিবাহ কাৰ্যত শতাধিক দম্পতীয়ে অংশগ্ৰহণ কৰে। এই বিবাহ সংস্কাৰ অনুষ্ঠানত 'দ্য হান্স ফাউণ্ডেছন'ৰ প্ৰতিষ্ঠাপকৰ লগতে কে'বাখনো সত্ৰাধিকাৰ উপস্থিত থাকে।

উল্লেখ্য যে আৰ্থিক অনাতন অথবা অন্য কাৰণত সামাজিকভাৱে বিবাহ কৰাত ব্যৰ্থ হৈ ৰোৱা দম্পতীসকলক বিবাহৰ দৰে পৱিত্ৰ অনুষ্ঠানত অন্তৰ্ভুক্ত কৰি সামাজিক স্বীকৃতি দিয়াৰ প্ৰয়াসেৰে এই সামূহিক বিবাহ অনুষ্ঠান অনুষ্ঠিত কৰা হয় বুলি উদ্যোক্তা মণ্ডলীয়ে সদৰী কৰে। এই বিবাহ কাৰ্যত বৈদিক পন্থা, হোমযজ্ঞ আৰু আদিবাসী সমাজৰ মাৰুৱা প্ৰথাৰে এই বিবাহ অনুষ্ঠান অনুষ্ঠিত হয়।

# পানেৰী সমষ্টিৰ জলাহ গাঁৱত কুলশী নদীৰ গৰাখহনীয়া

## হেমচন্দ্ৰ ডেকাৰ লগতে কে'বাটাও পৰিয়ালৰ বাসভৱন বিপদাপন্ন



**অগ্ৰদূত বাৰ্তা**
**টংলা, ৩ আগষ্ট ঃ** ওদালগুৰি জিলাৰ পানেৰী বিধানসভা সমষ্টিৰ হৰিশিঙা ৰাজহ চক্ৰৰ অন্তৰ্গত জলাহ গাঁও নিবাসী হেমচন্দ্ৰ ডেকাৰ ঘৰ-ভেঁটি, বস্তি কুলশী নদীৰ গৰাখহনীয়াত জাহ যোৱাৰ উপক্ৰম হৈছে। সমান্তৰালভাৱে আন বহু কেইটা পৰিয়াললৈ এনে ভয়াৱহ গৰাখহনীয়াৰ কবলত পৰাৰ উপক্ৰম হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ হেমচন্দ্ৰ ডেকাৰ ঘৰ-দুৱাৰৰ লগতে বাৰী-বস্তি গৰাখনীয়াৰ কবলত পৰাত খাটি খোৱা পৰিয়ালটোলৈ হঠাতে নামি আহিছে অন্ধকাৰ। নৈপৰীয়া পৰিয়ালটোৱে জনোৱা মতে, বহু বছৰ ধৰি বানপানী আহিছে-গৈছে যদিও এইবাৰৰ দৰে কুলশীয়ে কালান্তক ৰূপ ধাৰণ কৰি ভয়ানক পৰিস্থিতিৰ সন্মুখীন কৰা নাছিল। খেতিয়ক হেমচন্দ্ৰ ডেকাই উপায়হীন হৈ দুখ-যন্ত্ৰণাকো নেওচি যোৱা সোমবাৰে পুত্ৰৰ স'তে নিশা গছ কাটি বগৰাই নদীত পেলাই দি পানীৰ সোঁত কমাব বিচাৰিছিল যদিও ফলপ্ৰসূ নহ'ল। আজি পুৱাৰে পৰা হাজিৰা মিস্ত্ৰি লগাই মূল ঘৰৰ কাঠ বাটাম, টিনপাত, বাঁহৰ বেৰা খহাবলগীয়া হৈছে। যিহেতু যি কোনো মুহূৰ্তত নদীৰ বুকুত জাহ যাব পাৰে তেওঁলোকৰ মৰমৰ ঘৰখন। সামাজিক মাধ্যমযোগে হেমচন্দ্ৰ ডেকাৰ পুত্ৰ সাহিত্যকৰ্মী, সাংবাদিকতা অনুৰাগী যুৱক চিন্ময় ডেকাই জনপ্ৰতিনিধিৰ কাণত পেলাইছে যদিও কোনেও খা-খবৰ কৰা নাই। ওদালগুৰি জিলা জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপ-সভাপতি নিলয় চলিহা, টংলা অঞ্চলিকৰ সম্পাদক জিতু ডেকা, ছাত্ৰ কৰ্মী জিতু পাঠক, উমেশ ডেকাই আজি পৰিয়ালটোৰ দুখ-দুৰ্দশাৰ বুজ লৈ চৰকাৰ-প্ৰশাসন যন্ত্ৰক অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনায়। আনহাতে, ওদালগুৰি জিলা আপকুৰ তৰফৰ পৰাও পৰিয়ালটোৰ দুৰ্দিনত থিয় হৈ প্ৰকাশন যন্ত্ৰ, দুৰ্যোগ ব্যৱস্থাপনা বিভাগ তথা বিভাগীয় কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। পানেৰী বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীকো জলাহ, পলাহগড়, চাতিয়াপাৰা গাঁৱৰ ৰাইজে গৰাখহনীয়া সমস্যা সমাধান কৰিবলৈ বিনম্ৰ অনুৰোধ জনাইছে।

# স্বৰ্ণজয়ী অসম কন্যা নয়নমণিক লৈ কলিয়াবৰত বন সুৰক্ষা বাহিনীত উল্লাস

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ৩ আগষ্ট ঃ** বাৰ্মিংহামত স্বৰ্ণজয়ী অসম কন্যা নয়নমণি শইকীয়াৰ বিজয়ত আনন্দ উল্লাস প্ৰকাশ কৰিছে কলিয়াবৰত থকা দ্বিতীয় বন সুৰক্ষা বাহিনীৰ ছাউনীত বন সুৰক্ষা বাহিনীৰ বনকৰ্মীসকলে। মহিলা লন বলত ভাৰতীয় দলৰ হৈ স্বৰ্ণজয় কৰি দেশলৈ সন্মান কঢ়িয়াই আনিছিল এইগৰাকী খেলুৱৈয়ে। বৰপথাৰৰ নয়নমণিৰ দুৰ্দান্ত প্ৰদৰ্শনত আনন্দ উল্লাস কৰিছে কলিয়াবৰবাসীয়েও। কলিয়াবৰৰ চিকনিত থকা দ্বিতীয় অসম বন সুৰক্ষা বাহিনীৰ ছাউনীত বন সুৰক্ষা বাহিনীৰ কৰ্মীসকলে কেক কাটি আনন্দ উল্লাস কৰিছে নয়নমণিৰ সহকৰ্মীসকলে। ২০১১ৰ পৰা কলিয়াবৰৰ দ্বিতীয় বন সুৰক্ষা বাহিনীৰ ছাউনীত কৰ্মৰত হৈ আছে নয়নমণি। নয়নমণিৰ এই সফলতাত আনন্দিত হৈ পৰিছে সতীৰ্থ তথা কলিয়াবৰৰ দ্বিতীয় বন সুৰক্ষা বাহিনী।

# সোণাপুৰত ৰজা ফেঁটী উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ৩ আগষ্ট ঃ** সোণাপুৰৰ কলেজ গেট তথা বাৰোৱাৰীত আজি এডাল বিৰল প্ৰজাতিৰ ৰজাফেঁটী উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰে। উল্লেখ্য যে পাণ্ডে উপাধিৰ লোকজনৰ বাসগৃহৰ পিছফালে এটা সামগ্ৰী ৰখা ঘৰৰ পৰা উদ্ধাৰ হৈছে প্ৰায় সাত ফুট দৈৰ্ঘ্যৰ প্ৰাপ্তবয়স্ক ৰজাফেঁটী ডাল। সাপডাল দেখাৰ লগে লগে অঞ্চলটোতে এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। পাছত প্ৰকৃতিপ্ৰেমী যুৱক চেম তালুকদাৰে সাপডাল ধৰি বন বিভাগক গতাই দিয়ে। আনহাতে, বনবিভাগে দুষ্প্ৰাপ্য সাপডালক আমচাং অভয়াৰণ্যত এৰি দিয়ে।



# গংগাধৰ নদীৰ পাৰত মথাউৰি নিৰ্মাণ নকৰাৰ বাবেই বহু গাঁও জলমগ্ন

## চপৰা চপৰে খহিছে কৃষিভূমি-গৃহ



অগ্ৰদূত বাৰ্তা
তামাৰহাট, ৩ আগষ্ট ঃ ধুবুৰী জিলা তথা ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বাঘডোকৰা অঞ্চলত গংগাধৰ নদীৰ পাৰত মথাউৰি নিৰ্মাণ নকৰাৰ বাবেই ওচৰৰে বৈ যোৱা গংগাধৰ নদীৰ বাঢ়নী পানীয়ে নৈপৰীয়া অঞ্চল প্লাৱিত কৰি পেলাইছে। উল্লেখ্য যে যোৱা ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়ত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে সমষ্টিটোৰ পৰা জয়লাভ কৰিলে গংগাধৰ নদীৰ পাৰত বাঘডোকৰা অঞ্চলত মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি মিত্ৰজোঁটৰ নেতা তথা মন্ত্ৰী-বিধায়কসকলে অঞ্চলটোৰ ৰাইজক হেজাৰবাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। এনেকি নিৰ্বাচনৰ প্ৰাকক্ষণত এহাতে ভোট দিয়ক আৰু আনখন হাতেৰে নদীবান্ধ বা মথাউৰি লওক বুলি অসম মন্ত্ৰীসভাৰ শক্তিশালী মন্ত্ৰী তথা কোকৰাঝাৰ জিলাৰ অবিভাৱক মন্ত্ৰী অশোক সিংহালে অঞ্চলটোৰ ৰাইজক প্ৰতিশ্ৰুতি প্ৰদান কৰিবলৈ কুণ্ঠাবোধ নকৰিছিল। ভোটাৰ ৰাইজেও মথাউৰিৰ আশাত মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোটদান কৰিলে। নিৰ্বাচন পাৰ হ'ল, ৰাইজৰ ভোটেৰে মিত্ৰজোঁটৰ প্ৰাৰ্থী জিৰণ বসুমতাৰী জয়লাভ কৰিলে। কিন্তু আজিলৈ গংগাধৰ নদীৰ পাৰত মথাউৰিহে নিৰ্মাণ নহ'ল। নেতা-মন্ত্ৰীৰ সকলো প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি হৈয়ে ৰ'ল। উল্লেখ্য যে কিছুদিন ধৰি চলি থকা ধাৰাসাৰ বৰষুণ আৰু ভূটানৰ পৰা পানী নামি অহাৰ ফলত অসম-বংগ সীমান্তৰে বৈ যোৱা গংগাধৰ নদীৰ বাঢ়নী পানীয়ে ধুবুৰী জিলাৰ তামাৰহাট থানা তথা ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বাঘডোকৰা, ঘৃতিংগাৰকুটি, শগুনচৰা, তালোৱাগাঁও, গাৰোপাৰা, তামাচাবাগান, কালাচানপাৰা, কুকিলাডাংগা, কামানডাংগা, কামানডাংগাৰ কুটি আদি কৰি বহু গাঁও জলমগ্ন কৰি পেলাইছে। বহুত পথৰ ওপৰেদি বাগৰিছে পানী। এখনৰ পাছত আন এখন গাঁও প্লাৱিত হৈছে। পানীৰ ধলে উঠুৱাই নিছে কে'বাটাও পথ। ফলত অঞ্চলটোৰ সাধাৰণ ৰাইজৰ যাতায়াত ব্যাহত হৈ পৰিছে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

## জলকীয়া বিক্ৰী কৰি ১৫ লাখ টকা উপাৰ্জন দুই ভ্ৰাতৃৰ

# ৰাজ্যৰ বজাৰত সমাদৰ লাভ সূৰ্যমুখী জলকীয়াৰ

অগ্ৰদূত বাৰ্তা
নদুৱাৰ, ৩ আগষ্ট ঃ সূৰ্যমুখী জলকীয়া আৰু তৰমুজ খেতিত এতিয়া বিশেষ সমাদৰ লাভ কৰিছে অসম-অৰুণাচল সীমান্তৱৰ্তী তথা চতিয়া সমষ্টিৰ অন্তৰ্গত সবাইযাৰৰ যুৱ কৃষক ৰঞ্জন ৰামশ্ৰী আৰু



লিনকন ৰামশ্ৰীয়ে। অসম-অৰুণাচল সীমান্তৰ চিজুছাৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ ভিতৰত অৱস্থিত সবাইযাৰ নিৱাসী দুই যুৱ ভ্ৰাতৃ কৃষকে বজাৰলৈ উলিয়াই দিছে সূৰ্যমুখী জলকীয়া আৰু তৰমুজ। বহু ভিতৰুৱা সবাইযাৰ অঞ্চলৰ ককাই- ভাইৰ এই কৃষিকৰ্ম এতিয়া বিশেষ চৰ্চালৈ আহিছে। দুই ভাই-ককাই এতিয়া ১০জনৰ বাবে হৈ পৰিছে এক আদৰ্শ। কাৰণ এবিধ বিশেষ জলকীয়াৰ নাম সূৰ্যমুখী। কম মাটিত কৃষি বিভাগৰ প্ৰশিক্ষণ আৰু সহযোগিতা অবিহনেই দুই ভ্ৰাতৃয়ে এইবাৰ উন্নত প্ৰজাতিৰ সূৰ্যমুখী জলকীয়াৰ লগতে তৰমুজ বিক্ৰী কৰি লাভ কৰিছে ১৫ লাখকৈ টকা। জৈৱিক প্ৰচেষ্টাত কৰা এই খেতিৰ উৎপাদিত ফচলে বজাৰতো লাভ কৰিছে এতিয়া বিশেষ সমাদৰ। যুব কৃষক ভ্ৰাতৃদ্বয়ে কয় যে সূৰ্যমুখী জলকীয়াৰ বাবে অতি উপযুক্ত এই অঞ্চল। ৰাসায়নিক সাৰ-কীট নাশকৰ বিপৰীতে সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে কৰা এই খেতিৰ ফচল আমি শোণিতপুৰ, বিশ্বনাথ জিলাৰ বিভিন্ন বজাৰৰ লগতে অৰুণাচলৰ বজাৰলৈও প্ৰেৰণ কৰিছো। অতি কম খৰচত এই জলকীয়া খেতি কৰিব পাৰি আৰু অধিক টকাও উপাৰ্জন কৰিব পাৰি। কৃষি বিভাগৰ কোনো পৰামৰ্শ নোলোৱাকৈয়ে নিজা চিন্তা-প্ৰণালীৰে মুঠ পাঁচ বিঘা মাটিত এই সূৰ্যমুখী জলকীয়া খেতি কৰি সম্প্ৰতি স্বাৱলম্বী হৈ পৰা বুলিও মন্তব্য কৰে কৃষক ভ্ৰাতৃদ্বয়ে। ইয়াৰ উপৰি তৰমুজ খেতি কৰিও ব্যৱসায়ত সফল হোৱাৰ কথা ব্যক্ত কৰে যুৱ ভ্ৰাতৃদ্বয়ে। নতুন চাম যুৱকৰ বাবে আদৰ্শ হৈ উঠা এই কৃষক ভ্ৰাতৃদ্বয়ক চৰকাৰে উপযুক্ত সা-সুবিধাৰে সহযোগিতা আগবঢ়ালে অঞ্চলটোৰ নিবনুৱা যুৱক-যুৱতীসকল উৎসাহিত হোৱাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক ভেটি সবল হোৱাৰ থ'ল আছে বুলি মন্তব্য কৰে অঞ্চলটোৰ সচেতন মহলে ।

### নতুন চাম যুৱকৰ বাবে আদৰ্শ স্বৰূপ হৈ পৰিছে অসম-অৰুণাচল সীমান্তৱৰ্তী দুই কৃষক ভ্ৰাতৃ

# মানাহ ৰাষ্ট্ৰীয় উদ্যানত এনজিঅ'ৰ বিৰুদ্ধে ঘৰচীয়া ম'হ গুলীয়াই হত্যাৰ অভিযোগ

## মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালকক অভিযোগপত্ৰ ভুক্তভোগীৰ




**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৩ আগষ্ট ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাহিতামা অঞ্চলত গ্ৰেজিং পাৰ্মিট ম'হ আৰু গৰু বনাঞ্চলত চৰাইছিল যদিও কিছু বছৰৰ পৰা অভয়াৰণ্যখনত গৰু-ম'হৰ প্ৰৱেশ নিষিদ্ধ কৰিছিল সংশ্লিষ্ট বিভাগটোৱে। তাৰ মাজতো অঞ্চলটোৰ স্থানীয় লোকসকলে বন বিভাগৰ লোকৰ লগত এক সমিলমিলেৰে গৰু-ম'হ চৰাইছিল। কিন্তু মাজতে বন বিভাগক ৰক্ষণাবেক্ষণ দিয়া একাংশ এনজিঅ'ৰ সদস্যৰ বিৰুদ্ধে এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে দেৱৰাজ ছেত্ৰী নামৰ এটা ম'হৰ বাথানৰ স্বত্বাধিকাৰীয়ে। ছেত্ৰীৰ অভিযোগ অনুসৰি, তেওঁৰ বাথানৰ এটা বৃহৎ আকাৰৰ ম'হ বন সুৰক্ষাৰ দায়িত্বপ্ৰাপ্ত এনজিঅ'ৰ সদস্যই গুলীয়াই হত্যা কৰি তাৰ মাংস ভক্ষণ কৰিছে। এই সম্পৰ্কে ছেত্ৰীয়ে মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ সঞ্চালকক লিখিত অভিযোগ দাখিল কৰা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। ছেত্ৰীয়ে তেওঁৰ এই অভিযোগৰ সত্যতা নিৰূপণৰ বাবে হত্যা কৰা ম'হৰ ফটোগ্ৰাফো সংবাদ মাধ্যমৰ আগত প্ৰদৰ্শন কৰে। ছেত্ৰীয়ে এই এনজিঅ'ৰ বিৰুদ্ধে কে'বাটাও অভিযোগ উত্থাপন কৰিছে যদিও বাথানৰ স্বত্বাধিকাৰী দেৱৰাজ ছেত্ৰীৰ এই অভিযোগ কিমানদুৰ সঁচা সেয়া এক নিৰপেক্ষ তদন্ততহে ওলাই পৰিব।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com